


ডিগবৈ মহাবিদ্যালয়

# আলোচনী

## সোণালী জয়ন্তী বৰ্ষ

৩৬ তম্ সংখ্যা, ২০১৪-১৫ বৰ্ষ

তত্ত্বাৱধায়ক ঃ সঞ্জয় দাস

সম্পাদক ঃ বক্তিম বৰগোহাঞি

# সোঁৱৰণীৰ এখিলা পাত...




মহাবিদ্যালয়ৰ বাবে আৰ্থিক অনুদান সংগ্ৰহৰ সময়ত



১৯৭৪ চনৰ মহাবিদ্যালয়ৰ বাণিজ্য বিভাগ



আন্তঃমহাবিদ্যালয় ফুটবল খেলত বিজয়ী মহাবিদ্যালয়ৰ দল (১৯৬৭-৬৮)



মহাবিদ্যালয়ৰ আৰম্ভণি ... ক্ষকবৃন্দ




ৰূপালী জয়ন্তীৰ ক্ষণত উন্মোচন হোৱা স্মৃতিগ্ৰন্থ



১৯৯০ চনত মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উদ্‌যাপনৰ মাহেন্দ্ৰ ক্ষণত




১৯৯৫-৯৬ চনত মহাবিদ্যালয়ত অনুষ্ঠিত ... আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱৰ মুকলি সভা

1965-2015, Celebrating Golden Jubilee Year

# ডিগবৈ মহাবিদ্যালয়ৰ আলোচনী

## সোণালী জয়ন্তী বৰ্ষ

৩৬ তম্ সংখ্যা, ২০১৪-১৫ বৰ্ষ

DIGBOI COLLEGE LIBRARY
Estd. : 1965




তত্বাবধায়ক ঃ সঞ্জয় দাস

সম্পাদক ঃ বঙ্কিম বৰগোহাঞি




ডিগবৈ মহাবিদ্যালয় আলোচনী (৩৬ তম্ সংখ্যা, ২০১৪-১৫ বৰ্ষ) ঃ ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ দ্বাৰা প্ৰকাশিত, ৰক্তিম বৰগোহাঞিৰ দ্বাৰা সম্পাদিত আৰু দি অসম কম্পিউটাৰচ্ তিনিচুকীয়াত মুদ্ৰিত

| | | |
|---|---|---|
| সভাপতি | ঃ | ড° দীপ শইকীয়া |
| উপ-সভাপতি | ঃ | শ্ৰীযুত কেদাৰনাথ টিমচিনা |
| মুখ্য উপদেষ্টা | ঃ | সঞ্জয় দাস |
| উপদেষ্টা | ঃ | ড° মৃণাল কুমাৰ গগৈ |
| | | পবিত্ৰ ভৰালী |
| | | জিতু বড়া |
| | | মুকুন্দ মাধৱ গগৈ |
| | | দেৱৰ্ষি গগৈ |
| সম্পাদক | ঃ | ৰক্তিম বৰগোহাঞি |
| সদস্য / সদস্যা | ঃ | ৰিদিপ বৰুৱা |
| | | দিপশিখা বৰুৱা |
| | | বিশ্বজিৎ গগৈ |
| | | অজয় আচাৰ্য্য |
| বেটুপাত | ঃ | সনম দাদ্ৰী |
| অলংকৰণ | ঃ | লুইত চেতিয়া |
| অংগসজ্জা | ঃ | অংশুমালা কলিতা |
| ডি.টি.পি | ঃ | ববিতা ৰাজবংশী |
| মুদ্ৰণ | ঃ | দি অসম কম্পিউটাৰচ্<br>তিনিচুকীয়া - ৭৮৬১২৬, অসম<br>দূৰভাষ - ২৩৩০৪২৪ |



শ্ৰদ্ধাঞ্জলি ভাৰতৰ মিছাইল মানৱলৈ

## যুৱ প্ৰজন্মৰ প্ৰতি

# ড° এ.পি. জে আব্দুল কালামৰ

## আহ্বান জ্ঞানৰ বন্তি জ্বলাই ৰাখিম


লিখক ঃ ড° এ.পি.জে. আব্দুল কালাম

অনুবাদ ঃ সুৰেশ শৰ্মা


হে ভাৰতীয় যুৱক!
জ্ঞান বিজ্ঞান আৰু
মানৱতাৰ পূজাৰী!
সংকীৰ্ণ আৰু তুচ্ছ লক্ষ্য
এক অপৰাধ!

মোৰ স্বপ্ন মহান!
মই শ্ৰম কৰিম
মোৰ দেশ মহান হওক!
বিত্তশালী হওক!
গুণৰ আকৰ হওক!

এই প্ৰেৰণাৰ ভাব অমূল্য
এই ধৰাৰ ওপৰত কিম্বা তলত
ক'ৰবাত নহয় ক'ৰবাত
বন্তি এগছি জ্বলাই ৰাখিম
যাৰ আলোকেৰে
মোৰ দেশ মহান হ'ব!



মূল উৎস

ড° এ.পি.জে আব্দুল কালামৰ আত্মজীৱনী - 'The Wings of Fire'



# শ্ৰদ্ধাৰ্ঘ্য

আমাৰ সতীৰ্থ আকাশ প্ৰতীম শৰ্মালৈ অশ্ৰুঅঞ্জলি জ্ঞাপন কৰিছোঁ। অসমীয়া সংস্কৃতিক জীৱিত ৰাখিব খোজা আকাশ আজি আমাৰ হিয়াৰ আকাশত ভোটা তৰা হৈ জিলিকি ৰৈছে। অসমী আইৰ কোলাত চিৰদিনৰ বাবে নিদ্ৰাত আকাশৰ বিদেহী আত্মাই চিৰশান্তি লভি কৰক।

# মহাবিদ্যালয়ৰ মূলমন্ত্ৰ

মহাবিদ্যালয়ৰ মূলমন্ত্ৰ ''বিদ্যা দদাতি বিনয়''য়ে বিনয় প্ৰদায়ক জ্ঞানৰ তাৎপৰ্য বহন কৰিছে। জ্ঞান প্ৰদত্ত বিনয়ীভাৱৰ সৈতে নম্ৰতা, নিয়মানুৱৰ্তিতা আৰু সাংস্কৃতিক আচৰণবোধ একাত্ম। বিনয়ে এটা সমৃদ্ধময় জীৱনৰ বাটকাটিবলৈ যোগ্যতা নিশ্চিত কৰি ব্যক্তিৰ আত্মসন্তুষ্টি আৰু অন্তৰাত্মাৰ আনন্দক চিৰস্থায়ী কৰে।

এই বিধিবাক্য সাৰোগত কৰি এই মহাবিদ্যালয়ে প্ৰচেষ্টা কৰে ছাত্ৰ সমাজৰ চেতনাত বিনয়, নিয়মানুৱৰ্তিতা আৰু সাংস্কৃতিক আচৰণবোধ জাগ্ৰত কৰিবলৈ যাতে তেওঁলোকে সু লক্ষ্য স্থিৰ কৰাৰ লগতে সাৰ্বিক সমাজৰ হিতৈষী কাৰ্যত অৰিহণা যোগাব পাৰে।■

# মহাবিদ্যালয়ৰ দৃষ্টিভঙ্গী

মহাবিদ্যালয়খনৰ সৰ্বদা দৃষ্টি উৎকৃষ্ট শিক্ষা প্ৰদানৰ। উৎকৃষ্ট শিক্ষাই ছাত্ৰ সমাজক ভাৰতীয় সংস্কৃতি, ঐতিহ্য তথা মূল্যবোধৰ বিষয়ে উপদেশ প্ৰদান কৰাৰ লগতে আধুনিক কাৰিকৰী কৌশলসমৃদ্ধ আৰু গোলকীকৃত সমাজখনৰ চাহিদাসমূহ পূৰণৰ পথ নিৰ্দেশনা দিব।■

# আমাৰ সংকল্প

আমাৰ মহাবিদ্যালয়ে সংকল্প কৰে —

(ক) শিকাৰুক এনে শিক্ষা প্ৰদান কৰাৰ — যিয়ে তেওঁলোকক দায়বদ্ধ আৰু নৈতিক গুণসম্পন্ন নাগৰিক হিচাপে গঢ় দিয়াৰ লগতে সৃষ্টিশীল তথা যুক্তিবাদী সমালোচক কৰিব আৰু তেওঁলোকক ফলপ্ৰসূভাৱে ভাৱ প্ৰকাশৰ কৌশল শিকাব;

(খ) শিকাৰুৱে সৎ, দৃঢ় প্ৰতিজ্ঞ আৰু সৌম্যভাবেৰে শিক্ষা আৰ্জিব পাৰে সেই উদ্দেশ্যে তেওঁলোকক উৎসাহ যোগাব;

(গ) ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিশ্বমানৰ যোগ্যতা গঢ়ি তুলিব যাতে তেওঁলোকে জীৱনৰ অনাগত সুযোগ আৰু প্ৰত্যাহ্বানসমূহৰ বাবে নিজকে প্ৰস্তুত কৰিব পাৰে;

(ঘ) শৈক্ষিক পৰিৱেশ সুস্থ কৰি তুলিব যাতে উন্নত মানদণ্ডৰ শিক্ষা প্ৰদান তথা সংবৰ্ধন কৰিব পৰা যায়;

(ঙ) সামূহিক কৰ্ম, নব্য কৌশল আৰু শিখৰ প্ৰাপ্তিৰ বাবে কৰা কৰ্ষণৰ যোগেদি ইয়াৰ সাংগাঠনিক অংশসমূহৰ মাজত অটুট বন্ধন গঢ়ি তুলিব;

(চ) সকলো জাতি, ধৰ্ম সম্প্ৰদায় আঁকোৱালিব পৰা ৰাষ্ট্ৰীয় একতা আৰু বিশ্বজনীন সংস্কৃতিৰ ভাব জগাই তুলিব।■

# আমাৰ বিশ্বাস

আমি বিশ্বাসী যে —

(ক) সকলো ছাত্ৰ-ছাত্ৰীৰ ভিতৰত সমাজৰ এজন মূল্যবোধসম্পন্ন ব্যক্তি হিচাপে বিকশিত হৈ উঠিবৰ বাবে অফুৰন্ত শক্তি অন্তৰ্নিহিত হৈ আছে।

(খ) এজন ব্যক্তিৰ শিক্ষা ফলদায়ক হয় যেতিয়া তেওঁ শিক্ষাৰ প্ৰসাৰ ঘটায় আৰু ইয়াৰ বাবে প্ৰয়োজনীয় প্ৰযত্ন লয়।

(গ) শিক্ষা এক আজীৱন প্ৰক্ৰিয়া আৰু অৰ্থ সম্পন্ন শিক্ষাই জ্ঞান অৰ্জনৰ বাবে অনন্ত দিগন্তৰ পথ নিৰ্দেশনা দিয়ে।

(ঘ) নিয়মানুৱৰ্তিতাৰ জ্ঞানে ছাত্ৰ-ছাত্ৰীক দায়বদ্ধ কৰি তোলাৰ লগতে দায়িত্বশীল নাগৰিক হিচাপে গঢ় দিয়ে।

(ঙ) এজন ব্যক্তিক সমাজৰ উপযোগী হোৱাকৈ গঢ় দিবলৈ হ'লে বৈজ্ঞানিক, কাৰিকৰী আৰু অৰ্থনৈতিক শিক্ষাৰ লগত নৈতিক, বৌদ্ধিক আৰু আধ্যাত্মিক জ্ঞানসম্পন্ন শিক্ষাৰ ব্যৱস্থা থাকিব লাগিব।■

ডিগবৈ মহাবিদ্যালয়

DIGBOI COLLEGE

विद्या ददाति विनयं

ESTD 1965

# মহাবিদ্যালয়ৰ প্ৰতীক

মহাবিদ্যালয়ৰ প্ৰতীকটোৰ আৰ্হি চিত্ৰিত কৰিছিল মহাবিদ্যালয়খনৰ প্ৰাক্তন অধ্যাপক তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভূতপূৰ্ব মহাবিদ্যালয় পৰিদৰ্শক প্ৰয়াত বিমল গগৈ ডাঙৰীয়া আৰু সেই সময়ৰ বিখ্যাত চিত্ৰশিল্পী, ভাস্কৰ তথা শেষ জীৱনত নেপালৰ ৰাজ কবিৰূপে প্ৰতিষ্ঠিত মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ প্ৰয়াত হৰি ভক্ত কটোৱালে।

প্ৰতীকটোত অংকিত অৰ্ধগোলাকৃতিৰ গোলকটোৰ ওপৰত জখলাসদৃশ এটা স্তম্ভ আছে যি এছিয়াৰ প্ৰথম তৈল নগৰী ডিগবৈৰ ঐতিহ্যক সোঁৱৰাই। লগতে এই স্তম্ভ জ্ঞানৰ জখলাৰ প্ৰতীক যি আমাক দিগন্ত প্ৰসাৰী লক্ষত উপনীত হ'বলৈ সমৰ্থ কৰি তোলে। প্ৰতীকটোৰ তলৰ ফালে থকা ডেউকা দুখনে এই তাৎপৰ্য বহন কৰে যে শিক্ষাৰ যোগেদি আমি জীৱনৰ উচ্চতম লক্ষ্য প্ৰাপ্তিৰ বাবে আগবাঢ়িব পাৰোঁ। প্ৰতীকটোত থকা সূৰ্যৰ ৰশ্মিয়ে তাৎপৰ্য বহন কৰিছে আশা আৰু জ্ঞানৰ পোহৰৰ যি জীৱনৰ তমসা নাশ কৰিব আৰু সমগ্ৰ বিশ্ব জ্যোতিষ্মান কৰি তুলিব। এই প্ৰতীকটো মহাবিদ্যালয়খনে বিশ্বাস কৰা নৈতিকতা আৰু মূল্যবোধৰ নিদৰ্শন যাক মহাবিদ্যালয়খনে সমাজৰ আন্তঃগাঁথনিত গ্ৰন্থিত কৰিব বিচাৰে। প্ৰতীকটোৰ অধঃস্থানত থকা 'হিতোপদেশৰ পৰা উদ্ধৃত বাক্যশাৰীয়ে মহাবিদ্যালয়ৰ মূলমন্ত্ৰক দাঙি ধৰে'।

উৎস ঃ Digboi College Prospectus 2013-14

অনুবাদ ঃ শ্ৰীপবিত্ৰ ভৰালী (সহ: অধ্যাপক) আৰু ৰক্তিম বৰগোহাঁই (উ:মা: ২য় বৰ্ষ)

# Digboi College - 50 Years of Glorious Journey






Proposal For Science & Arts Degree College In Digboi

Foundation Stone Laid By Padmasree H. B. Kanoi

The foundation stone laying ceremony of the proposed Digboi College was performed by Padmasree H. B. Kanoi, a leading industrialist and philanthropist from Dibrugarh, on 13th May in the presence of a large gathering from Digboi and the neighbouring areas.

Traversing 49 years of glorious journey pursuing the avowed goals of "Gyanor Pohar Bichari Jao, Shantir Jonak Bichari Jao", Digboi College, which made its humble beginning on 15th July 1965, is on the threshold of stepping into the 50th year. Since its inception, the college has successfully enlightened the lives of scores of its disciple hailing from Digboi and its neighbouring areas and far flung places of Arunachal Pradesh.

The establishment of this higher educational institution named Digboi College was the fruit of the dedicated efforts of a handful of educationists and social activists. Though the first Digboi College started during 1961 – 62 at the initiative of late Satyajivan Pal, Supervising Headmaster of schools under Assam Oil Company, did not see the fruit of success, Digboi's dream of a college was fulfilled through the attempts of its ad-hoc Governing Body (Executive committee) comprising Tarun Chandra Goswami, the then DFO, Digboi (President), Dwijesh Chandra Dev Sarmah, the MLA, Digboi (Vice-President, later president) , Meeraj Hussain (Secretary), Krishna Prasad Baruah (Assistant Secretary, later secretary), Prafulla Chandra Baruah (Treasurer), S.C. Dutta Roy (Later Treasurer), Dharmeswar Talukdar, Krishnananda Goswami, Tarini Mohan Das Gupta and Priyo Das Talukdar. Dwijesh Chandra Dev Sarmah deserves special thanks for his contribution towards procurement of land for the permanent campus of the college.



At the beginning, (in 1965) at P. U. Level – Arts & Science streams were started whereas at Degree Level, only Arts stream was opened. The classes were conducted at the morning session at Sowmer Vidyapith. Practical classes were conducted at Vivekananda Vidyalaya whereas the college office was located at the Digboi Sahitya Seva Samiti Bhavan. Near about 300 students were enrolled in the opening year. The first student admitted to the college was Mrs Chitralekha Bora, who later became Principal of Balika Vidyamandir, Digboi and who is also an important name among woman writers of Assam.

The founder principal of the college was Mr Narendra Nath Choudhury who served the college for nearly one year. Later Mr (Later Dr) P. K. Bhuyan was appointed as a permanent principal who served for a long duration of 22 years. During its 50 years journey, the college has received the services of five permanent Principals and seven Principals in Charges.

The founder teachers of the college include Bimal Gogoi (English), Rafique Hussain (Botany), Kanteswar Deka (History), Akela Khanam (Assamese) Tarun Ch Das (Economics), Swadesh Sahay Roy Choudhury (Mathematics), Madan Mohan Choudhury (Political Science) Rajrup Singh (Hindi), Swarnalata Gogoi (Philosophy), Sabita Dutta (Sanskrit), Hemen Gogoi, Nilima Das.

The college was shifted to the present permanent campus having 25.86 acres of land in 1967. It is a pleasure to remember that the inauguration of the Academic building at the permanent campus was graced by the presence of the then Chief Minister of Assam, Bimala Prasad Chaliha and the then V. C. of Dibrugarh University, Bhograth Seth who planted saplings also commemorating the occasion.

Subsequently in 1974, the college started the commerce stream. At present it has 20 departments, with a total of 63 faculty members and 38 non-teaching members.

With its affiliation to Dibrugarh University in 1965, college has established its academic distinction through the performances of the students in the PU and degree examinations. Here's a brief list of the achievers:



PU Arts:- Sandhya Sengupta, Chanda Bhattacharjee, Shaya Prasad Engo Purkayastha, Chaya Sutradhar, Sukumar Das, Ramden Prasad, Jibonath Upadhaya, Puja Sarkar, Gayatri Das Gupta, P. Kurah, Doli Rai, Bhabilal Lamichani.

PU Science: Sushil Choudhury, Pramod Kr Choudhury, Kuldip Kar, Suhagh Kr Jastracharia, Tridip Sarma, Pradip Gogoi, Partha Pratim Goswami, Dipak Gogoi, Dipankar Das, Ranganath Choube, Rajib Ghai, Sanjib Handique, Rudra kanta Sharma, Atanu Borkakoti, Pradip Upadhaya.

Degree (Distingtion/ Position holders and in the top ten): Hari Pada Sinha, Prabin Sharma, Nomi Roy, Chanda Bhattacharya, Priti Nath Gowalee, Jagat Bordoloi, Thakur Prasad Upadhaya, Gita Bhattacharjee, Dora Ribelu, Suresh Choudhury, Abhijit kr Walia, Meri Ruch Victoria, Khagendra Mohan Nath, Bhabilal Lamichani, Sumitra Kr. Periyal, Bhabani Prasad Dumni, Gita Kumari, Surendra kumar Periyal, Sumitra Bhowmick, Ruplekha Borkakoti, Monish Nath Bhattacharjee, Nobin Dutta, Parimal Ch. Rai,Rajendra Nath Chetry, Ranjit Kr Dey, Dipendra Kr Dey, Rita Choudhury, Lohit Ch. Bora, Monish Choudhury, Basanta Kr. Agarwal, Indira Bhuyan, Bijaya Dutta, Abani Kr. Mili, Kamala Mazumdar, Mon Prasad Chetry, Sukumar Das, Anu Dutta, Hema Barua, Bina Baruah, Chitra Giri, P. Kurah, Gayatri Das Gupta, Kabita Baruah, Dipika Chanda, Sarbani Guha (1982), Dipanwita Das (1st class 2nd, 1982), Usha Kumari Khamani, Rinti Choudhury, Ajanta Bhuyan, Gautam Purkayastha, Amita Mitra. In the recent years, Anindita Kakoti achieved the best commerce graduate of DU in the year 2008. The college has maintained the tradition of academic distinction by occupying first class (with distinction) in different subjects. There have been 14 first class holders in 2010; 14 in 2011, 17 in 2012 & 16 in 2013.



**Achievements in Co-curricular Activities:**

Students of Digboi College have brought laurels to the institution in the co-curricular activities as well. For several years Digboi College achieved the best college honour in Inter College sports competition of the colleges under Dibrugarh University. Japan Baruah, Gahin Phukan, Surya Borpujari, Ranadhir Nandi, William, Pritinath Gowala, Imtiaz Ahmed, Biren Singh, Rajen Mili, Subrata, Dilip Bora, Dipak Benarjee, Mrinmoy Das Gupta, Kanak Saikia, Chiraji Begum, Anjali Sonowal, Swati Ganguli, Nilima Biswas, G. Saikia, Manju Dutta etc brought honour to the college through their sportsmanship. Similarly in cultural areas Bichitra Das, Abu Hussain, Jiten Dutta, Anu Dutta, Ranu Bharali, Niru Das, Makhani Bhuyan etc in Drama acting and Barun Deb, Jiten Debnath, Gautam Dutta, Gautam Choudhury, Dipali Bhajani, Dipanjali Baruah, Ajanta Das, Gitanjali Baruah, Ramu Thakur, Sikha Bordoloi, Nayanmoni, Beauti in singing brought honour to the college.

The college achieved the Best Athletic team Award for two consecutive years in 1967 – 68 and 1968 – 69. In 1967 – 68 we also achieved the award of Inter College Football Champion.

As regard NCC, the college can pride that it has consistently brought honours to the college. Sephei Singh, Dolly Roy and Dipanjali Borbora ranked top in all India competition. Many students have got "C" certificate of NCC while participation in Republic Day parade in New Delhi by several groups has become worthy to be remembered.

The college regularly publishes the Annual college magazine and till date it has published 34 issues. Publication of the wall magazine centrally as well as in the hostels and the departments is very creatively undertaken.



Prof. A.K. Buragohain, Ph.D. (London), DIC
*Vice-Chancellor*

**DIBRUGARH UNIVERSITY**
**DIBRUGARH-786 004**
**ASSAM, INDIA**
**Phone: 0373-2370239(O)**
**Fax : 0373-2370323**
e.Mail: alak@dibru.ac.in

Ref. No.DU/VC/M/073/16/৭০৭ Date: 04.01.2016

## শুভেচ্ছা বাণী

প্রতি

**শ্রী ৰক্তিম বৰগোহাঞি**
আলোচনী সম্পাদক
ডিগবৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা
ডিগবৈ

**মৰমৰ ৰক্তিম,**

ডিগবৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ বাৰ্ষিক আলোচনীৰ ২০১৪-১৫ বৰ্ষৰ সংখ্যাটি প্ৰকাশ কৰিবলৈ লোৱা বুলি জানিবলৈ পাই আনন্দিত হলোঁ। আশা কৰো উৎকৃষ্ট মানৰ লেখা প্ৰকাশৰ জৰিয়তে আলোচনীখনে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভাৰ বিকাশত অৰিহণা যোগোৱাৰ লগতে মহাবিদ্যালয়খনৰ নামো উজ্জ্বল হোৱাত সহায় কৰিব।

আলোচনীখন সৰ্বাংগ সুন্দৰ ৰূপত প্ৰকাশ হৈ ওলাওক, তাৰে বাবে মোৰ ফালৰপৰা শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

অলক কুমাৰ বুঢ়াগোহাঁই

**অলক কুমাৰ বুঢ়াগোহাঁই**

*Rameswar Dhanowar*, MLA
*Chairman*
Assam Petro-Chemicals Ltd.
&
Assam Tea Corporation Ltd.

**Constitutional Address:**
TUPLA BASTI, DIGBOI
P.O. Digboi, Tinsukia (Assam)
Phone : 03751-264366

**Guwahati Address :**
OLD M.L.A. HOSTEL
Qtr. No. B2
P.O. Dispur, Guwahati-781006
Mobile : 9435040253

Date: 5/1/16



## শুভেচ্ছাবাণী

ভাৰতবৰ্ষৰ প্ৰথম তৈলনগৰী ডিগবৈত প্ৰতিষ্ঠিত ডিগবৈ মহাবিদ্যালয়ে পঞ্চাছ বছৰ পূৰ্ণ কৰাৰ উপলক্ষে আয়োজিত সোণালী জয়ন্তী সমাৰোহৰ সামৰণী অনুষ্ঠানত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত মহাবিদ্যালয়-আলোচনীখনৰ ৩৬তম সংখ্যাটি প্ৰকাশিত হ'ব বুলি জানিব পাৰি আনন্দিত হৈছোঁ। আশাকৰোঁ, আলোচনীখনিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ সূক্ষ্ম বৌদ্ধিক অনুভূতিসমূহৰ প্ৰকাশৰ বাবে সুযোগ দিব। আলোচনীখন গল্প, কবিতা আৰু বিবিধ প্ৰৱন্ধ আদিৰে সুসজ্জিত আৰু সুখ-পঠ্যৰূপত প্ৰকাশ হ'ব বুলি আশা কৰছোঁ। এই সুযোগতে, যোৱা পঞ্চাছ বছৰে এই মহাবিদ্যালয়ৰ লগত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িত থকা শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱক তথা শিক্ষানুৰাগী প্ৰত্যেকলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

(শ্ৰী ৰামেশ্বৰ ধানোৱাৰ)

# তিনিচুকীয়া জিলা সাহিত্য সভা

কাৰ্যালয় ঃ যুগল কিশোৰ কেষাণ ভৱন

ডাক ঃ মাকুম - ৭৮৬১৭০, তিনিচুকীয়া (অসম)

প্ৰসঙ্গ ঃ

তাৰিখ ঃ ০১/০১/২০১৬

## শুভেচ্ছা বাণী

ডিগবৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ বাৰ্ষিক মুখপত্ৰ "ডিগবৈ মহাবিদ্যালয় আলোচনীৰ" ষট্‌ত্ৰিংশত্তম সংখ্যাটি প্ৰকাশ কৰিবলৈ আয়োজন কৰা বুলি জানিব পাৰি নথৈ আনন্দিত হৈছো। ঐতিহ্যমণ্ডিত ডিগবৈ মহাবিদ্যালয়ৰ এক গৌৰৱপূৰ্ণ ইতিহাস আছে। এচিয়া তথা ভাৰতবৰ্ষৰ প্ৰথমটো তেল উদ্যোগ ডিগবৈ চহৰত এই মহাবিদ্যালয় স্থাপিত হৈছিল ১৯৬৫ চনত। এটা সময়ত অসমৰ পূব প্ৰান্তৰ সীমান্তবৰ্তী অঞ্চলবোৰৰ ছাত্ৰ-ছাত্ৰীসকলে এই মহাবিদ্যালয়তে উচ্চ শিক্ষা গ্ৰহণ কৰিছিল। সোণালী জয়ন্তীৰ পদূলি গৰকা ডিগবৈ মহাবিদ্যালয়ে সহস্ৰজন ছাত্ৰ-ছাত্ৰীৰ জীৱন গঢ়াত অনবদ্য অৱদান আগবঢ়াইছে। মানৱ সম্পদ গঢ়াৰ বিভিন্ন আহিলাৰে সমৃদ্ধ এই মহাবিদ্যালয়ে অসমৰ শিক্ষা জগতত এক গুৰুত্বপূৰ্ণ স্থান লাভ কৰি আহিছে।

মহাবিদ্যালয় এখনৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা প্ৰকাশিত মহাবিদ্যালয় আলোচনীখন ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য-সংস্কৃতি-শিক্ষা আৰু বৌদ্ধিক বিকাশৰ প্ৰতীক স্বৰূপ। ছাত্ৰ-ছাত্ৰীসকলৰ বহুমুখী প্ৰতিভাক উজ্জীৱিত কৰাত আলোচনীখনে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

আশা কৰো প্ৰকাশ পাবলগীয়া ২০১৪-১৫ বৰ্ষৰ মহাবিদ্যালয় আলোচনীখনে পূৰ্বৰ সকলো আলোচনীৰ সুনাম অক্ষুণ্ণ ৰাখি উত্তৰণ আৰু জ্ঞানযাত্ৰাৰ বাৰ্তা বহন কৰিব।

সোণালী জয়ন্তী উৎসৱ উদযাপনৰ এই যুগ সন্ধিক্ষণত প্ৰকাশ কৰিবলৈ লোৱা ডিগবৈ মহাবিদ্যালয় আলোচনীৰ সকলো দিশৰ সফলতা কামনা কৰি আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো।

প্ৰবীণ বৰা

(প্ৰবীণ বৰা)

সভাপতি

তিনিচুকীয়া জিলা সাহিত্য সভা, ডিগবৈ

# মহাবিদ্যালয় সংগীত

ৰচনা ঃ ড° কান্তেশ্বৰ ডেকা / বিমল গগৈ
সুৰ ঃ ড° কান্তেশ্বৰ ডেকা / বৰুণ দেৱ

এয়া অসম দেশৰে প্ৰান্ত,
য'ত পনীয়া সোণেৰে প্ৰাণৱন্ত
আছে এক কামনা অনন্ত,
মানৱ হৃদয় প্ৰাণৱন্ত ।।

এখন ছবি এয়া বহুতো ৰঙৰ,
বহুত জনৰ আৰু বহুতো প্ৰাণৰ ;
তথাপিও এই ছবি প্ৰাণেৰে জীৱন্ত,
মানৱ হৃদয় প্ৰাণৱন্ত ।।

সূৰুজমুখী আমাৰ এ মন
উৰ্দ্ধমুখী আমাৰ এ মন,
আমি যাওঁ – শান্তিৰ পোহৰ বিচাৰি যাওঁ,
আমি যাওঁ – শান্তিৰ জোনাক বিচাৰি যাওঁ ।।

মহাপ্ৰলয়ৰ মহাভাৰতৰ
ইতিহাসত আমি পাওঁ
মহান মহান কত শ্ৰেষ্ঠ তুলিকা
মানৱক আমিয়ে বিলাওঁ ।।

ডিগবৈ কলেজৰ কৃতিত্বৰে
দেশ–মাতৃৰ মুখ উজলাওঁ
আমি যাওঁ – জ্ঞানৰ পোহৰ বিচাৰি যাওঁ,
আমি যাওঁ – শান্তিৰ জোনাক বিচাৰি যাওঁ ।।



# ডিগবৈ মহাবিদ্যালয়
## ছাত্ৰ একতা সভা ২০১৪–১৫ বৰ্ষ



দুশ্যন্ত বৰা
সভাপতি



হৰিপ্ৰসাদ চেত্ৰী
উপ-সভাপতি



সিদ্ধাৰ্থ শইকীয়া
সাধাৰণ সম্পাদক



সঞ্জয় কাহাৰ
সহঃ সাধাৰণ সম্পাদক



ৰক্তিম বৰগোহাঞি
আলোচনী সম্পাদক



তুলতুল বৰা
মুখ্য ক্ৰীড়া সম্পাদক



জিতেন্দ্ৰ শ্ৰেষ্ঠ
সাধাৰণ ক্ৰীড়া সম্পাদক



অন্তৰা হাজৰিকা
সংগীত আৰু সাংস্কৃতিক বিভাগৰ সম্পাদিকা



গায়ত্ৰী হাজৰিকা
আলোচনা আৰু তৰ্ক বিভাগৰ সম্পাদিকা



বিশ্বজিৎ প্ৰসাদ
সমাজসেৱা বিভাগৰ সম্পাদক



দেৱী চেত্ৰী
ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা



সুভম ধৰ
লঘু ক্ৰীড়া বিভাগৰ সম্পাদক



জয়দ্বীপ প্ৰধান
ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক



বিজয় ৰাজখোৱা
ব্যায়ামাগাৰৰ সম্পাদক



সুভাষৰ পলা



চনম



ৰাজদ্বীপ ঘোষ



কৃতালয় ভট্টাচাৰ্য

মহাবিদ্যালয়ৰ কৃতি ছাত্ৰ-ছাত্ৰীসকল (২০১৪-১৫)

## বিজ্ঞান শাখা


প্ৰদীপ দেৱনাথ
পদাৰ্থ বিজ্ঞান বিভাগ


ৰশ্মিম ফুকন
পদাৰ্থ বিজ্ঞান বিভাগ


অম্বিকা ছেত্ৰী
ৰসায়ন বিজ্ঞান বিভাগ


ফাৰহানেছ চিবিন
উদ্ভিদ বিজ্ঞান বিভাগ


লাৱন্য গগৈ
উদ্ভিদ বিজ্ঞান বিভাগ


পূৰ্ণিমা বড়া
প্ৰাণী বিজ্ঞান বিভাগ


সাৰজ কুমাৰী প্ৰসাদ
ৰসায়ন বিজ্ঞান বিভাগ


অম্বিকা ছালহোত্ৰা
ৰসায়ন বিজ্ঞান বিভাগ


পংকজ ধৰ
ৰসায়ন বিজ্ঞান বিভাগ


প্ৰবান্ত মৰাণ
পদাৰ্থ বিজ্ঞান বিভাগ


দীপ গগৈ
প্ৰাণী বিজ্ঞান বিভাগ


অনুভৱ ভূঞা
প্ৰাণী বিজ্ঞান বিভাগ


উজ্জ্বল প্ৰতীম গগৈ
পদাৰ্থ বিজ্ঞান বিভাগ


পূজা নেৱাৰ
প্ৰাণী বিজ্ঞান বিভাগ


কুলদীপ তিমচিনা
প্ৰাণী বিজ্ঞান বিভাগ


পূজা মায়া নেৱাৰ
প্ৰাণী বিজ্ঞান বিভাগ


মিঠুন সূত্ৰধৰ
পদাৰ্থ বিজ্ঞান বিভাগ


পূজা শৰ্মা
প্ৰাণী বিজ্ঞান বিভাগ


পঙ্কজ সিং
পদাৰ্থ বিজ্ঞান বিভাগ


প্ৰিয়ংকা সিং
প্ৰাণী বিজ্ঞান বিভাগ


বিক্ৰম ছেত্ৰী
পদাৰ্থ বিজ্ঞান বিভাগ


প্ৰবীন্দ কুমাৰ সাহু
পদাৰ্থ বিজ্ঞান বিভাগ


প্ৰাঞ্জল মহন্ত
প্ৰাণী বিজ্ঞান বিভাগ


অৰুণ থাপা
প্ৰাণী বিজ্ঞান বিভাগ

## বাণিজ্য শাখা


ৰমজানুল হক


জুনমণি দত্ত


যুৱৰাজ হাজং


পলাশ্ৰী লস্কৰ


জয়শ্ৰী দাস


মেদাংকৰ চাক্‌মা


প্ৰাঞ্জল উপাধ্যায়


সমীৰ উদ্দিন


ভাস্কৰ জ্যোতি বড়া


ৰশ্মি গুৰুং



# অধ্যক্ষৰ মেজৰ পৰা



সাম্প্ৰতিক সময়ত ডিগবৈ মহাবিদ্যালয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত এখনি বাছকবনীয়া উচ্চ শিক্ষানুষ্ঠান ৰূপে স্বীকৃত হৈছে। ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী আৰু অভিভাৱক সকলৰ সমন্বিত ঐকান্তিক প্ৰচেষ্টাত গঢ় লৈ উঠিছে শিক্ষাৰ্থী কেন্দ্ৰিক শ্ৰদ্ধাৰ এক বিদ্যায়তনিক বাতাৱৰণ। লক্ষণীয়ভাৱে বৃদ্ধি পাইছে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা। ওঠৰশ ছাত্ৰ-ছাত্ৰীৰে বৰ্তমান মহাবিদ্যালয়ৰ পৰিগৱিত অৱস্থা। শৈক্ষিক, সাংস্কৃতিক, ক্ৰীড়া আদি প্ৰায় সকলো ক্ষেত্ৰত আমাৰ ছাত্ৰ-ছাত্ৰীয়ে অক্ষুণ্ণ ৰাখিছে তেওঁলোকৰ ধাৰাবাহিক উৎসাহোদ্দীপক পাৰদৰ্শী প্ৰদৰ্শন। শিক্ষাৰ্থীৰ সৰ্বাঙ্গীণ বিকাশৰ সহায়ক হোৱাকৈ ক্ষীপ্ৰতাৰে ৰূপায়ণ কৰা হৈছে মহাবিদ্যালয়ৰ আন্তঃগাঁথনিৰ উন্নতকৰণ আৰু সম্প্ৰসাৰণ। ত্বৰান্বিত হৈছে মহাবিদ্যালয়ৰ উন্নয়নৰ গতি। মানৱ সম্পদ গঠন প্ৰক্ৰিয়ালৈ আহিছে এক ইতিবাচক সঁহাৰি।

বিগত বছৰটোৰ দৰে এইবেলিও আমাৰ ছাত্ৰ-ছাত্ৰীৰ উৎসাহোদ্দীপক পৰীক্ষাৰ ফলাফলে মহাবিদ্যালখনলৈ সুনাম কঢ়িয়াই আনিছে। এইবছৰৰ স্নাতক শিক্ষান্ত পৰীক্ষাত কলা শাখাত ২৮ জন, বিজ্ঞান শাখাত ২৪ জন আৰু বাণিজ্য শাখাত ১৭ জনেৰে মুঠ ৬২ জনে প্ৰথম শ্ৰেণী দখল কৰিছে। বিজ্ঞান শাখাত কেইবাগৰাকী শিক্ষাৰ্থীয়ে আশী শতাংশ উৰ্দ্ধৰ নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছে। এইবেলি স্নাতকৰ মেজৰ (প্ৰধান) বিষয়ত বিজ্ঞান, কলা আৰু বাণিজ্য শাখাত মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ গৰাকীয়ে অৰ্জন কৰা শতকৰা নম্বৰ হৈছে ক্ৰমে – ৮৪.৫০%, ৭৮.১৪% আৰু ৭২.৯৬%। উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফলৰ ক্ষেত্ৰতো বিৰানব্বৈ শতাংশ উৰ্দ্ধৰ গড় উত্তীৰ্ণ হাৰেৰে জিলাখনৰ মহাবিদ্যালয় সমূহৰ ভিতৰত উত্তম প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে আমাৰ মহাবিদ্যালয়খনে।

কলা-সাহিত্য-সাংস্কৃতিক ক্ষেত্ৰতো আমাৰ ছাত্ৰ-ছাত্ৰীয়ে খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছে। বিভিন্ন স্থানত অনুষ্ঠিত কুইজ, ৰচনা, ছবি আঁকা আদি প্ৰতিযোগিতাত আৰু বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত আমাৰ ছাত্ৰ-ছাত্ৰী পুৰস্কৃত হৈ মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিছে। ক্ৰীড়াৰ ক্ষেত্ৰতো আমাৰ মহাবিদ্যালয়ে সুনাম আৰ্জিছে। এই বছৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় ক্ৰিকেট প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ে ছেমি ফাইনেল খেলাৰ যোগ্যতা অৰ্জন কৰিছে। আমাৰ খেলুৱৈয়ে লাভ কৰিছে 'মেন অৱ দ্য চিৰিজ' সন্মান। মহাবিদ্যালয়ৰ শিক্ষক সকলেও জিলা ভিত্তিক ক্ৰিকেট প্ৰতিযোগিতাত দুবাৰকৈ চেম্পিয়ন হৈছে। আমাৰ তিনিজন এন.চি.চিৰ কেডাৰে ২০১৫ চনৰ নতুন দিল্লীৰ ৰাষ্ট্ৰীয় গণতন্ত্ৰ দিৱসত অংশ গ্ৰহণ কৰি সুনাম আৰ্জিছে।

বিগত বছৰৰ দৰে এই বছৰো শতাধিক মেধাৱী অথচ দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীক মহাবিদ্যালয়ৰ 'শিক্ষাৰ্থী সাহায্য পুঁজি'ৰ জৰিয়তে সম্পূৰ্ণ অথবা আংশিক মাচুল ৰেহাই দি সেই সকলৰ উচ্চ শিক্ষা গ্ৰহণৰ পথ প্ৰশস্ত কৰা হৈছে। বহু ছাত্ৰ-ছাত্ৰীক বিভিন্ন উৎসৱ পৰা জলপানি দিয়াৰ ব্যৱস্থা কৰা হৈছে। মহাবিদ্যালয়খনৰ কৃতী ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰাৰ অৰ্থে কেইবাটিও শৈক্ষিক বঁটা প্ৰৱৰ্ত্তন কৰা হৈছে। এই বঁটা সমূহত আছে নগদ ধন, মান-পত্ৰ আৰু উপহাৰ প্ৰদান। স্নাতকোত্তৰ শ্ৰেণীত নাম ভৰ্ত্তিৰ বাবে মহাবিদ্যালয়ৰ মেধাৱী

অথচ দুখীয়া কৃতী ছাত্ৰ-ছাত্ৰীলৈ দহ হাজাৰ টকাৰ আৰ্থিক সাহায্য প্ৰদানেৰে এই বছৰৰ পৰা প্ৰদান কৰা হৈছে, 'ড° এ. পি. জে. আব্দুল কালাম সোঁৱৰণী শৈক্ষিক উত্তৰণ বঁটা' নামেৰে আন এক শৈক্ষিক বঁটা। পূৰ্বৰ বছৰ সমূহৰ দৰেই নৱাগত আদৰণী সভাৰ লগত অনুষ্ঠিত কৰা কৃতী ছাত্ৰ-ছাত্ৰীৰ বঁটা প্ৰদানৰ সম্বৰ্ধনা সভাত এইবেলি উপস্থিত আছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মাননীয় উপাচাৰ্য অধ্যাপক অলক কুমাৰ বুঢ়াগোহাঁই মহোদয়।

মহাবিদ্যালয়তে ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া চিকিৎসা সেৱা আগবঢ়োৱাৰ মানসেৰে এই বছৰৰ পৰা স্থাপন কৰা হৈছে এক স্বাস্থ্য-কেন্দ্ৰ। এই ক্ষেত্ৰত ডিগবৈৰ বিশিষ্ট নাগৰিক শ্ৰীযুত গোপাল চন্দ্ৰ দাসৰ সুযোগ্যা কন্যা ডাঃ ৰাজশ্ৰী দাসে স্ব ইচ্ছাৰে আগবাঢ়ি আহি সপ্তাহত দুদিনকৈ অবৈতনিক সেৱা আগবঢ়াই আমাক কৃতাৰ্থ কৰিছে। এইখিনিতে আমি তেওঁলোকৰ শলাগ লৈছোঁ।

বিগত বছৰৰ দৰে এই বছৰো ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশৰ সহায়ক হোৱাকৈ মহাবিদ্যালয়ত অনুষ্ঠিত হৈছে বক্তৃতা অনুষ্ঠান, আলোচনা চক্ৰ, কৰ্মশালা আদি। ছাত্ৰ-ছাত্ৰীৰ বিপুল যোগদানেৰে উদযাপিত হৈছে স্বাধীনতা দিৱস, বিশ্ব পৰিৱেশ দিৱস, গণতন্ত্ৰ দিৱস, শিক্ষক দিৱস, ভূপেন হাজৰিকাৰ মৃত্যু দিৱস আদি। এইবেলি 'বিশ্ব পৰিৱেশ দিৱস' উপলক্ষে অনুষ্ঠিত মহাবিদ্যালয়ৰ সভাত বিশিষ্ট ব্যক্তি ৰূপে উপস্থিত আছিল 'ভাৰতৰ সেউজ সৈনিক' ৰূপে জগত বিখ্যাত পদ্মশ্ৰী যাদৱ পায়েং। উক্ত সভাতে ডিগবৈ মহাবিদ্যালয় আৰু ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলৰ সেউজীকৰণত বিশেষ বৰঙনি আগবঢ়োৱাৰ স্বীকৃতি স্বৰূপে ডিগবৈ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ তথা বিশিষ্ট সমাজ কৰ্মী শ্ৰীযুত মনেশ্বৰ বৰ্মন আৰু মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা অসম চৰকাৰৰ অবৈতনিক বন্যপ্ৰাণী তত্ত্বাৱধায়ক শ্ৰীযুত হিতেন্দ্ৰ নাথ শৰ্মাক সম্বৰ্ধনা জনোৱা হৈছিল। ২০১৫ চনৰ মে মাহত ভাৰত চৰকাৰৰ জন প্ৰতিৰক্ষা মহাসঞ্চালকৰ উদ্যোগত 'দুৰ্যোগৰ সময়ত কেনেধৰণৰ সতৰ্কতাৰ প্ৰয়োজন আৰু দুৰ্গতজনক কেনে ধৰণে সহায় আগবঢ়াব লাগে' তাৰ ব্যৱহাৰিক প্ৰশিক্ষণৰ তিনিদিনীয়া এটি কৰ্মশালা আমাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে সফলতাৰে অনুষ্ঠিত হৈছিল। ২০১৫ চনৰ গ্ৰীষ্ম কালিন বন্ধৰ সময়ছোৱাত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সকলৰ নাট্য প্ৰশিক্ষণৰ অৰ্থে 'নেচনেল স্কুল অৱ ড্ৰামা'ৰ প্ৰশিক্ষণপ্ৰাপ্ত প্ৰশিক্ষকৰ দ্বাৰা আয়োজন কৰিছিল পষেকযোৰা নাট কৰ্মশালা। ইয়াত প্ৰশিক্ষণ লোৱা ছাত্ৰ-ছাত্ৰীৰ দলটিয়ে ২০১৫ চনৰ ১৫ জুলাইত মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত 'সোণালী চ'ৰা' শীৰ্ষক এক সভাত উপভোগ্য গীত-নাটৰ এটি অনুষ্ঠান পৰিৱেশন কৰি সমাদৰ লাভ কৰিছিল। বিগত বছৰৰ দৰে অনুষ্ঠিত হৈছে ছাত্ৰ-ছাত্ৰীৰ মাজত পৰিৱেশ তথা বন্যপ্ৰাণী সংৰক্ষণৰ জ্ঞান বৰ্দ্ধনাৰ্থে বিভিন্ন শৈক্ষিক কাৰ্যসূচী। ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে চৰাইপুঙৰ বৰ্ষাৰণ্যৰ মাজত মহাবিদ্যালয়ে নিৰ্মাণ কৰিছে নিজা শৈক্ষিক কেন্দ্ৰ। মহাবিদ্যালয়ৰ মহিলা কোষৰ উদ্যোগত আমাৰ ছাত্ৰ-ছাত্ৰীক হাতৰ কামৰ প্ৰতি আগ্ৰহী কৰাৰ উদ্দেশ্যে আয়োজিত হৈছে কাপোৰত ফুল তোলা আৰু চিলাই কামৰ কৰ্মশালা।

ছাত্ৰ-ছাত্ৰীৰ সাহিত্য কৰ্ম তথা সৃজনী প্ৰতিভাৰ বিকাশৰ অৰ্থে মহাবিদ্যালয়ৰ প্ৰতিটো বিভাগৰ লগতে ছাত্ৰাবাস আৰু ছাত্ৰী নিবাসে নিয়মিত প্ৰকাশ কৰি আহিছে ছাত্ৰ-ছাত্ৰীসকলৰ নিজা লেখা আৰু ছবিৰে শোভিত প্ৰাচীৰ পত্ৰিকা। শিক্ষকৰ তত্ত্বাৱধানত অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰী আৰু ছাত্ৰাবাসৰ আবাসীসকলে ছপাকাৰে প্ৰকাশ কৰি উলিয়াইছে ক্ৰমে 'মঞ্জৰী' আৰু 'জ্ঞানোদয়' নামৰ সাহিত্যালোচনী। মহাবিদ্যালয়ৰ মহিলাকোষে প্ৰকাশ কৰিছে 'সৃজন' ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ এনে প্ৰচেষ্টা শলাগিবলগীয়া।

ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশৰ অন্যতম কঠীয়াতলী হৈছে মহাবিদ্যালয়খনৰ বাৰ্ষিক মুখপত্ৰখনি। বিগত চাৰি বছৰে আমাৰ মুখপত্ৰ 'ডিগবৈ মহাবিদ্যালয় আলোচনী' নিয়মিত ভাৱে প্ৰকাশ হৈ আহিছে। ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰী লেখাৰে সমৃদ্ধ বৰ্দ্ধিত কলেজৰ আলোচনীখনৰ সৰ্বাঙ্গ সুন্দৰ সাম্প্ৰতিক ৰূপে সকলোকে আকৃষ্ট কৰিছে আৰু সমাদৃত হৈছে। ২০১৪-১৫ বৰ্ষৰ বিশ্ববিদ্যালয় যুৱ মহোৎসৱত 'ডিগবৈ মহাবিদ্যালয় আলোচনী'য়ে লাভ কৰিছে ৩য় শ্ৰেষ্ঠ আলোচনীৰ সন্মান।

মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ গঠনত আমাৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে আগবঢ়াই আহিছে প্ৰশংসনীয় শ্ৰম আৰু অৱদান। বহু কেইজন শিক্ষক-শিক্ষয়িত্ৰীয়ে দেশ-বিদেশৰ ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় আলোচনা চক্ৰত গৱেষণা পত্ৰ পাঠ কৰি অথবা সমল ব্যক্তি হিচাপে যোগদান কৰি সমাদৃত হৈছে। আমাৰ শিক্ষক-শিক্ষয়িত্ৰীৰ তত্ত্বাৱধানত মহাবিদ্যালয়ত চলি আছে কেইবাটিও মুখ্য আৰু গৌণ গৱেষণা প্ৰকল্পৰ কাম। গঢ় লৈ উঠিছে বহু মূল্যৱান যন্ত্ৰপাতিৰে উচ্চস্তৰৰ গৱেষণাৰ অৰ্থে গৱেষণাগাৰ। বন্যপ্ৰাণী তথা পৰিৱেশ সংৰক্ষণৰ সজাগতাৰ দিশত আমাৰ শিক্ষকে দৰ্শনীয় সেৱা আগবঢ়াই ভূয়সী প্ৰশংসা তথা খ্যাতি অৰ্জন কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছে।

এইবছৰ সমাপন কৰা কৰ্মৰাজিৰ ভিতৰত উল্লেখনীয় কৰ্ম হৈছে 'ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদ' (নাক)ৰ দ্বাৰা

# কলা শাখা

## মহাবিদ্যালয়ৰ কৃতি ছাত্ৰ-ছাত্ৰীসকল (২০১৪-১৫)


ফৰহিন আহমেদ
ৰাজনীতি বিজ্ঞান বিভাগ


প্ৰভাচৰ চকমা
ৰাজনীতি বিজ্ঞান বিভাগ


প্ৰিয়ম শইকীয়া
ৰাজনীতি বিজ্ঞান বিভাগ


ৰেজিনা বেগম
ৰাজনীতি বিজ্ঞান বিভাগ


সবিতা চেত্ৰী
দৰ্শন বিভাগ


সীমান্ত বৰুৱা
ৰাজনীতি বিজ্ঞান বিভাগ


সৰ্বানী চৌধুৰী
অৰ্থনীতি বিভাগ


মেঘা থাপা
দৰ্শন বিভাগ


ৰিমা দাস
অসমীয়া বিভাগ


পুলিন হাজৰিকা
ৰাজনীতি বিজ্ঞান বিভাগ


গৌৰৱ হাজৰিকা
ৰাজনীতি বিজ্ঞান বিভাগ


সঞ্জয় দত্ত
ৰাজনীতি বিজ্ঞান বিভাগ


প্ৰেমানন্দ দাস
ৰাজনীতি বিজ্ঞান বিভাগ


বিনীতা বৰপাত্ৰ গোহাঁই
অসমীয়া বিভাগ


সুনীল চাক্মা
ৰাজনীতি বিজ্ঞান বিভাগ


জয়ন্ত কলিতা
ৰাজনীতি বিজ্ঞান বিভাগ


ৰাহুল মালাকাৰ
ৰাজনীতি বিজ্ঞান বিভাগ


জিংপল গগৈ
ৰাজনীতি বিজ্ঞান বিভাগ


মহম্মদ ইশাক ইকবাল আহমেদ
ৰাজনীতি বিজ্ঞান বিভাগ


বাসনা গগৈ
ৰাজনীতি বিজ্ঞান বিভাগ


মঞ্জু কুমাৰী
ইংৰাজী বিভাগ


মহম্মদ জাহাঙ্গীৰ হুছেইন
ৰাজনীতি বিজ্ঞান বিভাগ


দেৱযানী দাস
ৰাজনীতি বিজ্ঞান বিভাগ


সুশীতা কেৰ্কেটা
ৰাজনীতি বিজ্ঞান বিভাগ


ৰেশ্মা উড়িয়া
ৰাজনীতি বিজ্ঞান বিভাগ


সাজন লহ
ৰাজনীতি বিজ্ঞান বিভাগ


বিশাল গুৱালা
ৰাজনীতি বিজ্ঞান বিভাগ


শ্ৰীপৰ্না দেৱ
ৰাজনীতি বিজ্ঞান বিভাগ



কৰ্মৰত অৱস্থাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দীপ শইকীয়া




কৰ্মৰত অৱস্থাত মহাবিদ্যালয়ৰ উপাধ্যক্ষ কেদাৰনাথ টিমছিনা

## সম্পাদনা সমিতি ২০১৪-১৫ বৰ্ষ



**ড° দীপ শইকীয়া**
সভাপতি



**কেদাৰনাথ টিমচিনা**
উপ-সভাপতি



**সঞ্জয় দাস**
মুখ্য উপদেষ্টা



**মৃণাল গগৈ**
উপদেষ্টা



**পবিত্ৰ ভৰালী**
উপদেষ্টা



**জিতু বড়া**
উপদেষ্টা



**ৰক্তিম বৰগোহাঞি**
সম্পাদক



**মুকুন্দ মাধৱ গগৈ**
উপদেষ্টা



**দেৱৰ্ষি গগৈ**
উপদেষ্টা



**বিদিপ বৰুৱা**
সদস্য



**দিপশিখা বৰুৱা**
সদস্যা



**বিশ্বজিৎ গগৈ**
সদস্য



**অজয় আচাৰ্য্য**
সদস্য



**সিদ্ধাৰ্থ শইকীয়া**
সদস্য

মহাবিদ্যালয়খনৰ পুনঃ মূল্যায়নকৰণ। 'নাক'ৰ বিশেষজ্ঞ দলে মহাবিদ্যালয়খন পৰিদৰ্শন তথা পৰীক্ষণ কৰি ২০১৫ চনৰ ১৫ নৱেম্বৰ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ অনাগত পাঁচ বছৰৰ বাবে মূল্যায়নৰ স্বীকৃতিৰে আমাৰ মহাবিদ্যালয়লৈ 'বি গ্ৰেড' প্ৰদান কৰিছে।ই আমাৰ বাবে এক সাফল্য। ইয়াৰ গুৰিতে আছে মহাবিদ্যালয়লৈ অকুণ্ঠচিত্তে আগবঢ়োৱা আমাৰ ছাত্ৰ-ছাত্ৰী, অভিভাৱক, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰীৰ সহযোগিতা, মৰম আৰু শ্ৰদ্ধা। এই আপাহতে সদৌটিলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ।

গৌৰৱেৰে আঠৈকুৰি বছৰ গৰকি আমি ডিগবৈ মহাবিদ্যালয় পৰিয়ালে সোণালী জয়ন্তী উদযাপন কৰিছোঁ। যিসকল বৰেণ্য ব্যক্তিৰ অহোপুৰুষাৰ্থত প্ৰজ্ঞাৰ এই মন্দিৰটো স্থাপন হ'ল সেইসকল নমস্য ব্যক্তিলৈ আমি জনাইছোঁ সশ্ৰদ্ধ প্ৰণিপাত। শ্ৰদ্ধাৰে সোঁৱৰিছোঁ সেইসকল কৃতী শিক্ষাগুৰুক যিসকলৰ মহান অৱদানে আমাৰ মহাবিদ্যালয়ক কৰিলে মহীয়ান।

এই সোণালী ক্ষণত সৰ্বান্তঃ কৰণে কামনা কৰিছোঁ – ডিগবৈ মহাবিদ্যালয় এখন আদৰ্শ মহাবিদ্যালয়লৈ ৰূপান্তৰ হওক। বিশ্বমানৰ শিক্ষা প্ৰদান-গ্ৰহণেৰে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ এখন উচ্চ শিক্ষানুষ্ঠান ৰূপে স্বীকৃত হওক।

জয়তু ডিগবৈ মহাবিদ্যালয়।

৩১ ডিচেম্বৰ, ২০১৫

(ড° দীপ শইকীয়া)
অধ্যক্ষ
ডিগবৈ মহাবিদ্যালয়




# The Adviser speaks...



Digboi College-one of the premier institutions of higher education in this remotest corner of India has been disseminating knowledge and information since its inception in 1965. It has already traversed 50 years of glorious journey and thus has successfully enlightened the lives of scores of its disciple hailing from Digboi and its neighbouring areas and far flung places of Arunachal Pradesh.

During this long journey the college published numerous journals, magazines, newsletters, leaflets etc. This year also the students' 36th edition of annual magazine is published bringing to light some qualitative articles, poems, thoughts, witticism etc. of the students. The magazine obviously comprises of the write-ups of the students, but at the same time it has some articles composed by the teaching fraternity, guests and alumnus etc. As we all know that a magazine is a mirror of an institution. This present magazine is not an exception. It very exquisitely highlights the creativity of the students in different fields along with the development of the college throughout the years. Though some of the articles could not be published for some unavoidable reasons I sincerely believe that the write-ups in this magazine are very much fruitful and informative for the people concerned.

Finally I must say that it was my proud privilege for being selected on this glorious 50 years celebration of Digboi College as the Adviser of college magazine. My sincere thanks go to the Principal Dr. Dip Saikia and the Editorial Group who helped me through their valuable advice and suggestions. The Editor, Raktim Borgohain's name in bringing this magazine into its final shape deserves special mention. He left no stone unturned in publishing this magazine within a short span of time. At the same breath I convey my thanks to all the writers, the students and my colleagues S.Bordoloi , J. Borah, D. Mandol, my spouse and the printing press for their immense contribution in issuing forth this magazine.

LONG LIVE DIGBOI COLLEGE

**Sanjoy Das**
Adviser





# সম্পাদকীয়



**ইতিহাসৰ পাতত অসমীয়া জাতিৰ কৰ্মস্পৃহা আৰু বৰ্তমান প্ৰেক্ষাপটত ইয়াৰ প্ৰভাৱ**

অসমীয়া। এই শব্দটোৱে কেৱল মাত্ৰ নিৰ্দিষ্ট এখিনি মানুহক প্ৰতিনিধিত্ব নকৰে আৰু এই শব্দটো প্ৰাক-ঐতিহাসিক কালৰ পৰা চলি অহা যেন নালাগে। বহলকৈ চাবলৈ গ'লে দেখা যাব যে এই শব্দটোৱে কেৱল এটা নৃতাত্ত্বিক গোষ্ঠিক বা কেৱল এটা ভাষা গোষ্ঠিক প্ৰতিনিধিত্ব কৰাৰ পৰিৱৰ্তে প্ৰতিনিধিত্ব কৰে এক বিশাল ভূখণ্ডত ইতিহাসে ঢুকি নোপোৱা কালৰে পৰা বসবাস কৰি থকা সমুদায় এটাৰ কথাহে। নৃতাত্ত্বিক ভাৱে অধ্যয়ন কৰি চাবলৈ গ'লে দেখা যাব যে অসম নামৰ এই বিশাল ভূখণ্ডত আহোমৰ আগমনৰ বহু যুগৰ পূৰ্বৰে পৰা বসবাস কৰি থকা কোচ, মেচ, ডিমাচা, কাৰ্বি, ৰাভা, হাজং, কচাৰী, মৰাণ, লালুং, তিৱা ইত্যাদি জাতিৰ লগতে বিভিন্ন সময়ত বিভিন্ন কাৰণত অসমলৈ অনুপ্ৰৱেশ কৰা জাতিসমূহৰ সাংস্কৃতিক সংমিশ্ৰণৰ ফলতেই সৃষ্টি হৈছে অসমীয়া জাতিৰ তথা অসমীয়া ভাষাৰ আৰু ইয়াৰ লগতে সৃষ্টি হৈছে বৃহত্তৰ অসমীয়া জাতিৰ তথা সংস্কৃতিৰ। সুকীয়া সুকীয়া উপাদানৰ সংমিশ্ৰণৰ ফলতেই যে অসমীয়া জাতিৰ সৃষ্টি এই সম্পৰ্কে আমাৰ কোনো দ্বিমত নাই। কিন্তু বৰ্তমানে দেখা পোৱা এই সুকীয়া সুকীয়া জাতিসমূহে এডাল সমন্বয়ৰ এনাজৰীৰ দোলেৰে বান্ধ খোৱাৰ পৰিৱৰ্তে ৰাজনৈতিক অস্তিত্ব ৰক্ষাৰ যুঁজত নামি পৰাৰ কথাইহে বৃহত্তৰ অসমীয়া জাতিগঠন প্ৰক্ৰিয়াত আউল লগোৱা যেন আমাৰ অনুভৱ হয়। এনেদৰে চলি থাকিলে হয়তো আৰু মাত্ৰ এটা শতিকাৰ পাছত মহাবীৰ চুকাফা, শংকৰদেৱ, লক্ষ্মীনাথ বেজবৰুৱাৰ ঐনিতম, বাগুৰুমবা ইত্যাদিৰ সুৰ বিহুগীতত গোৱা এই জাতিটোৰ আশাৰ কোনো সুৰ নাইকীয়া হৈ থাকিব।

সংমিশ্ৰণৰ ফলত সৃষ্টি হোৱা এই বৃহত্তৰ অসমীয়া জাতিটো কিমান কৰ্মস্পৃহ? এই প্ৰশ্নৰ উত্তৰ নিশ্চয়কৈ অসকীয়া লোকৰ কৰ্মৰ প্ৰতি থকা মানসিকতাৰ অধ্যয়ন কৰিলে পোৱা যাব। যদি আমি আমাৰ পূৰ্ব পুৰুষৰ কৰ্মস্পৃহালৈ পশ্ন উথাপন কৰোঁ তেন্তে আমি বহুতো এনে ঐতিহাসিক প্ৰমাণ পাম যিবোৰে তেওঁলোকৰ কৰ্মৰ প্ৰতি থকা ইতিবাচক মনোভাৱৰ সাক্ষি দাঙি ধৰে। অসমৰ নাম যিসময়ত প্ৰাগজ্যোতিষপুৰ আছিল সেইসময়ৰ পৰা সোতৰশ শতিকালৈকে অসমৰ লোকসকল অত্যন্ত কৰ্মস্পৃহ আছিল।

যিসময়ত অসমৰ নাম কামৰূপ আছিল সেইসময়ৰ কথা যদি আমি চাবলৈ যাওঁ তেন্তে বৰ্মন বংশৰ ৰাজ্য মহাবীৰ ভাস্কৰ বৰ্মন আৰু তেওঁৰ আমোলত থকা লোকসকলৰ কথা



উল্লেখ কৰিবলগীয়া । সেইসময়ত ভাৰতৰ নালন্দা বিশ্ববিদ্যালয়লৈ অধ্যয়ন কৰিবলৈ অহা চীনা পণ্ডিত হিউৱেন চাঙে নিজ কাপেৰে এই দেশৰ মানুহৰ বিৱৰণ দিওঁতে ইয়াৰ লোকৰ কৰ্মস্পৃহাৰ কথা দোহাৰি গৈছে। তেওঁ 'চি-ইউ-কী' ত কামৰূপ লোকসকল অত্যন্ত কৰ্মমুখী বুলি উল্লেখ কৰি গৈছে। মীৰজুমলাইও অসমৰ আক্ৰমণ কৰিবলৈ আহি সেই সময়ৰ অসমৰ লোকৰ কৰ্মমুখীতাক সন্মান জনাই থৈ গৈছে।

বৰ অসমৰ ভেটি গঢ়োতা চুকাফাও আছিল অত্যন্ত কৰ্মস্পৃহ ব্যক্তি তেওঁ নিজৰ কৰ্মৰ বলতেই সুদূৰ চীনৰ পৰা আহি অসমত **১২২৮** খ্ৰীঃতঃ পৰ্দাপণ কৰি ইয়াৰ সমস্ত জাতি জনজাতি লোকক উদাৰ মনোভাৱেৰে নিজৰ সমৰ্থলৈ আনি **১২৫৬** খ্ৰীঃতঃ চৰাইদেউত নিজৰ ৰাজধানী পাতি ছটা শতিকাৰ এক নতুন সময়ৰ ইতিহাসৰ পাতনি মেলিছিল মহাবীৰ চিলাৰায় তথা নৰনাৰায়ণেও নিজৰ কৰ্মমুখী মনোভাৱৰ বলতেই ইতিহাসৰ পৃষ্ঠাত সোণালী আক্ষৰে নিজৰ নাম খচিত কৰিব পাৰিলে। মুঠৰ ওপৰত সোতৰশ শতিকাৰ আগভাগলৈকে অসমৰ জনসাধাৰণ আছিল অত্যন্ত কৰ্মমুখী আৰু কৰ্তব্যপৰায়ণ। স্বয়ং ৰামসিংহও অসম আক্ৰমন কৰিবলৈ আহি অসমীয়াৰ কৰ্মস্পৃহাক নতশিৰে সন্মান জনাই থৈ গৈছে। কিন্তু অসমৰ সমাজ জীৱনত যেতিয়াই কানিৰ প্ৰভাৱ পৰিলে তেতিয়াৰ পৰাই যেন অসমীয়া কৰ্মভীৰু হৈ পৰিল। অসমৰ সৰ্বসাধাৰণ শ্ৰেণীটোৱে কাম কৰাৰ পৰিৱৰ্তে আড়ম্বৰ জীৱন এটালৈ ঢাপলি মেলিবলৈ আৰম্ভ কৰিলে আৰু ইয়াৰ লগে লগে যেন অসমৰ গৌৰৱ ৰবি অস্তমিত হৈ অসমৰ সমাজ জীৱনলৈ কাল ৰাত্ৰি নামি অহা যেন আমাৰ অনুভৱ হয়। আহোম ৰাজ্যৰ পতন ঘটাৰ পাছত আধুনিকতাৰ প্ৰভাৱ অসমত পৰিল। অসমৰ সমাজ জীৱনলৈ ধুমুহাৰে ভৰা এক ন প্ৰভাৱত আৰম্ভ হ'ল। স্বাধীনতাৰ বাবে হোৱা আন্দোলন সমূহ শেষ হ'ল আৰু ইয়াৰ পাছতেই যেন অসমীয়া জাতিহৈ পৰিল অস্তিত্বৰ সংকটত ভুগা লক্ষ্য বিহীন ভাবে যুঁজ দিয়া এটা জাতি। অৱশ্যে সাহিত্যকাণ্ডাৰী সকলৰ আহোপুৰুষাৰ্থৰ ফলত অসমৰ সমাজ জীৱনলৈ বৌদ্ৰোজ্জল এটি ন প্ৰভাৱৰ আৰম্ভণি হ'ল।

বৰ্তমান সময়লৈ যদি চাবলৈ যোৱা হয় তেন্তে দেখা যাব যে যিসকল বিশিষ্ট ব্যক্তিয়ে নিজৰ কৰ্মৰ বলত নিজৰ লগতে নিজৰ জাতিৰ মুখ উজলাবলৈ সক্ষম হৈছে তেওঁলোকৰ বাদে বাকী সৰ্বসাধাৰণ জনগনৰ এক বৃহৎ সংখ্যক লোক যেন কৰ্মবিমুখ। বিশ্বৰ ভিতৰত এটা জাতিয়ে যদি নিজৰ অস্তিত্ব ৰক্ষা কৰিবলৈ বাঞ্ছা কৰে তেন্তে সেই জাতিটোৰ সকলোৱেই কৰ্মমুখী হ'ব লাগিব, কি ৰজা কি প্ৰজা। বৰ্তমান যুৱ-প্ৰজন্মৰ সৰহ সংখ্যকেই বিনা কষ্টে সকলো পাবলৈ ইচ্ছা কৰে। বৰ্তমানৰ সৰহ সংখ্যকেই বুৰঞ্জীৰ পাতত কৰ্মমুখী মনোভাৱৰ বাবে সোণালী অক্ষৰে নিজৰ অস্তিত্ব খচিত কৰিবলৈ সক্ষম হোৱা লোকৰ নাম সমূহ পাহৰি পেলোৱা যেন অনুভৱ হয়। আজিৰ প্ৰজন্মই অনুকৰণ কৰে পশ্চিমীয়া সংস্কৃতিৰ। এইখিনিতে উল্লেখ কৰিব লাগিব যে আজিৰ প্ৰজন্মই পশ্চিমীয়া লোকৰ যি কৰ্ম সংস্কৃতি তাক অনুকৰণ কৰাৰ পৰিৱৰ্তে মাথোঁ অনুকৰণ কৰে তেওঁলোকৰ বাদ দিব লগীয়া কিছুমান কাৰ্যহে। বৰ্তমান আমি জাপান বা চীনৰ সা-সামগ্ৰীসমূহ ব্যৱহৃত কৰোঁ কিন্তু তেওঁলোকৰ দৰে কৰ্মমুখী হ'বলৈ চেষ্টা নকৰা পৰিলক্ষিত হয়। উল্লেখনীয় যে অসমীয়া জাতিটোৱে নিজৰ অস্তিত্ব ৰক্ষাৰ বাবে উনৈশ শতিকা আৰম্ভ হোৱাৰ পৰাই বহু আন্দোলন তথা যুঁজ-বাগৰ কৰি আহিছে কিন্তু বহুতো যুঁজৰ অন্ততো আমাৰ অৱস্থা একেই হৈ আছে। ওপৰলৈ উৰ্ধগামী হোৱাৰ পৰিৱৰ্তে সকলোৱে মূলসুঁতিৰ পৰা ফালৰিহে কাটিছে। ইয়াৰ অন্তৰালত কেৰুণ কোনখিনিত আছে সেই কথাৰ অনুধাৱন কৰাৰ সময় এতিয়া আহি পৰিছে। সকলো কথা ফঁহিয়াই চোৱাৰ সময় আহি পৰিছে।

শিক্ষানুষ্ঠানসমূহেও নকৈ কথা সমূহ ভবাৰ সময় এয়া। কাৰণ এখন এখন শিক্ষানুষ্ঠানতেই লুকাই থাকে ভৱিষ্যতৰ একো একোজন জাতি নিৰ্মাতা। সু পথেৰে পৰিচালিত আৰু কৰ্ম মুখী হ'লেহে এটা জাতিৰ ভবিষ্যত সুন্দৰ হ'ব অন্যথা আৰু এটা শতিকাৰ পাছত অসম আৰু অসমীয়া সংস্কৃতিৰ অমিয়া সুৰ পাহৰণিৰ গৰ্ভত লুকায় যাব।

জয়তু ডিগবৈ মহাবিদ্যালয়
জয় আই অসম।।

**ৰক্তিম বৰগোহাঞি**
সম্পাদক
ডিগবৈ মহাবিদ্যালয়



# সূচীপত্ৰ




শিক্ষক-শিক্ষয়িত্ৰীৰ শিতান

সামাজিক বাস্তৱবাদ আৰু অসমীয়া উপন্যাস — *সীমান্ত বৰদলৈ* ১
বৈদ্যুতিক শক্তিৰ ক্ৰমবিকাশ — *ড° চন্দন শ্যাম* ৩
Conceptualizing Postcolonialism — *Pabitra Bharali* 6
International year of Light 2015 — *Dr. Rashmi Patowary* 10
Language of Women and Prof. Sara Mills' Interpretations – An overview — *Sanjoy Das* 12
Attitude towards Teaching Profession — *PradipDutta & Poban Gogoi* 16
Urban Wildlife & Conservational Initiatives at Dehing Patkai Region — *Rajib Rudra Tariang* 22
Problem of child labour in India — *Mukunda Madhab Gogoi* 26
Birdwatching Tourism in Tinsukia district of Assam Introduction — *Deborshee Gogoi* 31

অতিথি শিতান

গুৰু পৰিচয় আৰু দেহতত্ত্ব বিচাৰ — *পবিত্ৰ বৰা* ৩৫
হেম বৰুৱাৰ 'মেকং নৈ দেখিলো' গ্ৰন্থত তেওঁৰ অধ্যয়নপুষ্ট মনৰ প্ৰকাশ — *জয়কান্ত গন্ধীয়া* ৩৭
শায়েৰীৰ মধুভাণ্ড — *পুণ্য শইকীয়া* ৪১

ছাত্ৰ-ছাত্ৰীৰ শিতান

বৰ্তমান অসমীয়া সমাজৰ বিৱৰ্তন নে অন্য কিবা? — *দিপশিখা বৰুৱা* ৪৪
নৱ-প্ৰজন্ম, শিক্ষানুষ্ঠান আৰু সমাজ ব্যৱস্থা — *নিলোৎপল শইকীয়া* ৪৭
অসমীয়া সাহিত্য সংস্কৃতি আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ — *অজয় আচাৰ্য্য* ৪৯
টাই আহোম ভাষা আৰু লিপি - এটি চমু অৱলোকন — *পূৰ্ণিমা গগৈ* ৫৩
সমাজ গঠনত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা — *ধনজিৎ মৰাণ* ৫৯
বিৱৰ্তনৰ পথত ৰঙালী বিহু — *গিতুমণি চেতিয়া* ৬১
ধৰ্ম, অন্ধবিশ্বাস আৰু নাৰী মুক্তি — *ময়ুৰী গোহাঁই* ৬৩
Science, development and ethic — *Pravassor Chakma* 65
Life is a beautiful journey — *Dhiraj kumar Baniya* 67
Indians' Money in Swiss Bank — *Sumi Seal* 69
Butterflies of Digboi College — *Abhijit Chetry* 71
Importance of Friends in our life — *Sudeepta Gogoi* 73
ENVIRONMENTALISM: Changing our attitudes for a better world — *Gayatree Hazarika* 74
Adaptation on different habitat impacts Araneae (spiders) size — *Achal kumari Pandit* 76
Traffic Goof up in Charali — *Abinash Borgohain* 77
My first day at Digboi College — *Sweta Sharma* 79
Mathematical Letter — *Priyanka Hazarika* 80

**গল্প**

| | | |
|---|---|---|
| আপোন গাঁৱখনি | *দুৰ্লভ চেতিয়া* | ৮১ |
| নিষ্ঠুৰ নিয়তি | *শ্যামল হাজৰিকা* | ৮৪ |
| জীৱন – জীৱন বৰ অনুপম | *পাৰ্থ প্ৰতিম গগৈ* | ৮৬ |
| Regret | *Rajdeep Ghosh* | 88 |
| শিৱসাগৰ – এক শিক্ষামূলক ভ্ৰমণ | *ৰঞ্জন তেলী* | ৯০ |

**কবিতা**

| | | |
|---|---|---|
| অশ্ৰুহীন বেদনা নাই আৰু মোৰ | *দুৰ্লভ গগৈ* | ৯২ |
| কবিতা | *ভায়লিনা লাহন* | ৯২ |
| 'প্ৰেম' আৰু 'মানৱতা' | *গিতুমণি চেতীয়া* | ৯৩ |
| 'আই' তোমাৰ চৰণত | *ময়ুৰী গোঁহাই* | ৯৩ |
| মোৰ মৰমৰ মা | *নিপু দিহিংগীয়া* | ৯৪ |
| অপেক্ষা | *সৰিতা ছেত্ৰী* | ৯৪ |
| জননী | *খেমৰাজ বাছকটা* | ৯৫ |
| সপোন | *শিখামণি গগৈ* | ৯৫ |
| হেৰুৱা সুহুঁৰি | *জয়ন্ত শইকীয়া* | ৯৬ |
| আঘোণ | *ৰক্তিম বৰগোহাঞি* | ৯৬ |
| Widow | *Deepannita Dey* | 97 |
| Humanity | *Rajdeep Ghosh* | 97 |
| Success is in The Path | *Ankita Debnath* | 98 |
| Fate of Feathers | *Divyashree Sedai* | 98 |
| Women- One Question Arises | *Rajnandini Gogoi* | 99 |
| Land of Lost | *Bisawjit Prasad* | 99 |
| माँ | *कुलदीप यादव* | १०० |
| টাঢ়াকো মায়া | *সুশ্ৰী কবিতা শৰ্মা* | १०० |

**প্ৰাক্তন ছাত্ৰ–ছাত্ৰীৰ শিতান**

| | | |
|---|---|---|
| উচ্ছৃংখল জীৱন বনাম স্বাৱলম্বন ঃ যুৱ প্ৰজন্মৰ প্ৰতি সময়ৰ আহ্বান | *ৰবীন মৰাণ* | ১০১ |
| বিৱৰ্তিত সময়ৰ প্ৰত্যাহ্বান আৰু ছাত্ৰ সমাজ | *চিত্ৰলেখা বৰা* | ১০৬ |
| এক দেৱ, এক সেৱ, এক বিনে নাই কেৱ" | *হাছান আখটাৰ ফৰিদ* | ১০৮ |
| Impact of "Semiconductor Nanoparticles" | *Dibyajyoti Kakoti* | 110 |
| Ignored Emotions | *Chande De* | 112 |
| অ' আই অসমী | *তৰুণ শইকীয়া* | ১১৩ |
| কবিতা | *মণিকা শেনচোৱা* | ১১৩ |

| | | |
|---|---|---|
| **পত্ৰালাপ** | *সঞ্জয় দাস, ৰক্তিম বৰগোহাঞি* | ১১৪ |

**পুৰস্কাৰ প্ৰাপ্ত লেখা**

| | | |
|---|---|---|
| Present Education System and Morality | *Miranda Rajkumari* | 116 |
| বৰ্তমান শিক্ষা ব্যৱস্থা আৰু মূল্যবোধ | *দিপশিখা বৰুৱা* | ১১৯ |
| ছাত্ৰ–ছাত্ৰীৰ শাৰীৰিক তথা মানসিক বিকাশত মহাবিদ্যালয় সপ্তাহৰ ভূমিকা | *নয়নমণি গগৈ* | ১২২ |
| আবেলি কবিজনৰ মৃত্যু হৈছিল | *বিশ্বজিত গগৈ* | ১২৪ |
| Rebirth in tranquility | *Miranda Rajkumari* | 124 |
| প্ৰতিবেদন | ১২৫– | ১৩৬ |
| Results of the 47th Annual College Week Celebration 2014-15 | | 137 |
| আমাৰ প্ৰাক্তন সম্পাদকসকল | | ১৪৪ |

# সামাজিক বাস্তৱবাদ আৰু অসমীয়া উপন্যাস




**সীমান্ত বৰদলৈ**
অসমীয়া বিভাগ

অসমীয়া উপন্যাস পাশ্চাত্য সাহিত্যৰ অধ্যয়নৰ ফলশ্ৰুতি অসমীয়া উপন্যাসক জন্মলগ্নৰ পৰা অৰ্থাৎ ঊনবিংশ শতিকাৰ শেষ দশকৰ পৰা সাম্প্ৰতিক কাললৈ দুটা বহল ভাগত ভগাব পাৰি – প্ৰাক্ স্বাধীনতা কালৰ আৰু স্বাধীনোত্তৰ কালৰ অসমীয়া উপন্যাস। অৰুণোদয় স্তৰৰ উপন্যাসক প্ৰকৃত উপন্যাস বুলিব পৰা নাযায়। কাৰণ এইবোৰ আছিল ধৰ্মকেন্দ্ৰিক, অনুবাদমূলক আৰু হাস্য ব্যঙ্গ প্ৰধান। তদুপৰি ইয়াত উপন্যাসৰ বাস্তৱ ধৰ্মিতাৰ পৰিৱৰ্তে প্ৰচাৰ ধৰ্মিতাইহে মুখ্য আসন অধিকাৰ কৰিছে। প্ৰকৃত অসমীয়া উপন্যাসৰ জন্ম হয় লক্ষ্মীনাথ বেজবৰুৱা আৰু পদ্মনাথ গোহাঞিবৰুৱাৰ হাতত। এই ধাৰাটো বিকাশ লাভ কৰে ৰজনীকান্ত বৰদলৈৰ একাণপতীয়া প্ৰচেষ্টাত। এই স্তৰৰ উপন্যাসত ঐতিহাসিক ঘটনাৰ লগতে ৰোমাণ্টিক প্ৰণয়ৰ আদৰ্শবাদৰ প্ৰকাশ ঘটিছে। এয়া হ'ল স্বাধীনতাৰ পূৰ্বৰ উপন্যাসৰ কথা। স্বৰাজোত্তৰ কালত পাশ্চাত্য সাহিত্যৰ লগত অসমীয়া সাহিত্যৰ ঘনিষ্ঠ সম্পৰ্ক ঘটিল। পঞ্চাশৰ দশকৰ উপন্যাসত কেইবাটাও পাশ্চাত্য প্ৰভাৱৰ ধাৰা লক্ষ্য কৰা যায়। উপন্যাসৰ এই ধাৰাসমূহক পৰিচালিত কৰিছে সামাজিক বাস্তৱবাদে। অষ্টাদশ শতিকাৰ শেষৰফালে পাশ্চাত্যত বাস্তৱবাদৰ প্ৰকাশ ঘটিছিল, কিন্তু এই সাহিত্য আন্দোলনৰ প্ৰকাশ অসমীয়া সাহিত্যত ঘটিল বিংশ শতিকাৰ মাজভাগত। পঞ্চাশৰ দশকত সৃষ্ট এই ধাৰাটো আশী নব্বৈ দশকলৈ চলি থাকে। এই বাস্তৱবাদ অসমীয়া উপন্যাসৰ বিভিন্ন ধাৰা যেনে – সমাজ সংস্কাৰমূলক, ৰাজনৈতিক, আঞ্চলিক, ঐতিহাসিক আদিত প্ৰতিফলিত হোৱা দেখা যায়। এই ধাৰাসমূহৰ উপন্যাস ৰাজিৰ মাজেৰে প্ৰকাশ লাভ কৰা মাৰ্ক্সীয় চিন্তা, ফ্ৰয়দীয় মনস্তত্ব, প্ৰকৃতিবাদ, নাৰী মুক্তি চেতনা বা নাৰীবাদ, ইতিহাস চেতনা আদি সামাজিক বাস্তৱবাদৰেই অন্য ৰূপ। উপন্যাসৰ এই বাস্তৱবাদ গ্ৰাম্য জীৱনক কেন্দ্ৰ কৰি গঢ়ি উঠা। ই জীপা বৰুৱাৰ জীৱনৰ বাটত (১৯৪৪) উপন্যাসতেই প্ৰথম ভুমুকি মাৰিছিল যদিও ই বিকাশ লাভ কৰে পৰৱৰ্তী কালত। চৈয়দ আব্দুল মালিক, বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য, হোমেন বৰগোহাঞি, প্ৰফুল্ল দত্ত গোস্বামী, হিতেশ ডেকা, লক্ষ্মীনন্দন বৰা আদি বিশিষ্ট লিখকৰ উপন্যাসত সামাজিক বাস্তৱবাদ এক ভিন্ন ৰূপ ধাৰণ কৰে। এই উপন্যাসিকসকলৰ ৰচনাত (বিশেষকৈ লক্ষ্মীনন্দন বৰা আৰু হিতেশ ডেকা) নগৰীয়া জীৱনৰ কদৰ্য ৰূপ এটাও প্ৰকাশ পাইছে।

পঞ্চাশৰ দশকটোতেই অসমীয়া উপন্যাসলৈ মাৰ্ক্সীয় চিন্তাৰ আগমণ ঘটিল। ইয়াৰ প্ৰধান কাৰণ হ'ল সামাজিক অসমতা আৰু শ্ৰেণী বৈষম্য। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'প্ৰতিবাদ' উপন্যাসত ইয়াৰেই প্ৰতিফলন ঘটিছে। এই গৰাকী লিখকৰেই 'ৰাজপথে ৰিঙিয়াই' উপন্যাসৰ দ্বাৰা অসমীয়া উপন্যাসৰ আন এটা ধাৰাৰ শুভাৰম্ভ হয়। সেইটো হ'ল ৰাজনৈতিক উপন্যাসৰ ধাৰা। এই উপন্যাসখনতো ঔপন্যাসিক গৰাকীৰ সমাজবাদী চিন্তাৰ প্ৰতিফলন ঘটিছে।

পাশ্চাত্য প্ৰভাৱপুষ্ট উপন্যাসৰ আন এটা ধাৰা হ'ল মনোবিশ্লেষণাত্মক উপন্যাসৰ ধাৰা। এই ধাৰাৰ উপন্যাসত ফ্ৰয়দীয় মনস্তত্বৰ প্ৰভাৱ সুস্পষ্ট। এই ধাৰাটো ইংলেণ্ডত প্ৰকাশ ঘটিছিল বিংশ শতিকাৰ প্ৰাৰম্ভত জেমচ জয়েচ আৰু ভাৰ্জিনিয়া উলফৰ উপন্যাসত। অসমীয়া সাহিত্যত এইবিধ উপন্যাসে আত্মপ্ৰকাশ কৰে। প্ৰফুল্ল দত্ত গোস্বামীৰ 'কেঁচাপাতৰ কঁপনি' (১৯৫২), ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্যৰ 'মৰূদ্যান'ৰ দৰে কেইখনমান উপন্যাসৰ জৰিয়তে। এই ধাৰাৰ ঔপন্যাসিকসকলে সততে চেতনাস্ৰোত পদ্ধতিৰ সহায় লোৱা দেখা যায়। এই উপন্যাস সমূহত আধুনিক জীৱনৰ বিচ্ছিন্নতা আৰু নিঃসঙ্গতা প্ৰকাশ পোৱাটো মন কৰিবলগীয়া। অসমীয়া উপন্যাসত ভুমুকি মৰা আন এটি বস্তু হ'ল – প্ৰকৃতিবাদ। ই বাস্তৱবাদৰেই প্ৰকাশ যদিও ই হ'ল হুবহু বাস্তৱবাদ। ইয়াত সমাজৰ ভাল বেয়া সকলোবোৰ হুবহু ৰূপত তুলি ধৰা হয়। হোমেন বৰগোহাঞিৰ 'অস্তৰাগ', 'সুবালা' আদি উপন্যাসত ফ্ৰয়দীয় মনস্তত্বৰ লগতে প্ৰকৃতিবাদৰো প্ৰকাশ ঘটিছে। লেখত ল'বলগীয়া আন এবিধ উপন্যাস হ'ল নাৰীবাদী উপন্যাস। নাৰী মুক্তি চেতনা পাশ্চাত্যত অষ্টাদশ শতিকাতেই আৰম্ভ হৈছিল, কিন্তু অসমীয়া উপন্যাসত ই গঢ় লয় বিংশ শতিকাৰ মাজভাগত। নিৰুপমা বৰগোহাঞি, মামনি ৰয়ছম গোস্বামী, অৰূপা পটঙ্গীয়া কলিতা এইবিধ উপন্যাসৰ ধ্বজাবাহক।

প্ৰাক-স্বাধীনতা কালৰ উপন্যাস আছিল প্ৰধানতঃ ঐতিহাসিক, কিন্তু এই ধাৰাটো ক্ৰমান্বয়ে ক্ষীণ হৈ আহে। অৱশ্যে সত্তৰ-আশী দশকত এই ধাৰাটো পুনৰ বলিষ্ঠ ৰূপত আত্মপ্ৰকাশ কৰে। এই সময়ছোৱাৰ ঐতিহাসিক উপন্যাসসমূহ পূৰ্বতকৈ পৃথক। ইয়াত ইতিহাসৰ পুনঃ নিৰ্মাণ কৰা হৈছে বাস্তৱতাৰ পটভূমিত। এই বিধ উপন্যাসো পাশ্চাত্য প্ৰভাৱৰ পৰা মুক্ত নহয়। নৱকান্ত বৰুৱাৰ 'ককাদেউতাৰ হাড়', শীলভদ্ৰৰ 'মধুপুৰ' আদি ধাৰাৰ বিশিষ্ট উপন্যাস।

সাহিত্যৰ কোনো এটা ধাৰা বা আন্দোলনেই স্থায়ী নহয়। সাম্প্ৰতিক কালত আধুনিকতাৰ বিপক্ষে থিয় দিয়া এটি আন্দোলন হ'ল উত্তৰ আধুনিকতাবাদ। উত্তৰ আধুনিকতাবাদী সকলৰ মতে আমাৰ জীৱনৰ বাস্তৱতাক আমি অবিকল ৰূপত ৰূপায়ণ কৰিব নোৱাৰোঁ। সেয়েহে তেওঁলোকে প্ৰচীন কাললৈ ঘূৰি গৈছে। অৰ্থাৎ কল্পনা বা স্বপ্নাদিৰ সহায়েৰে বাস্তৱক ৰূপ দিবলৈ চেষ্টা কৰিছে। অতি বাস্তৱবাদৰ প্ৰভাৱ এইসমূহ উপন্যাসত সুস্পষ্ট। দেৱব্ৰত দাসৰ 'ফুল আৰু চৰাইৰ ঠিকনা' আৰু 'বৰষাৰ প্ৰথম সুবাস' এই ধাৰাৰ উপন্যাসৰ উৎকৃষ্ট নিদৰ্শন। মন কৰিবলগীয়া যে অসমীয়া লিখকে হুবহুভাৱে পাশ্চাত্যৰ অনুকৰণ কৰা নাই, অসমৰ সামাজিক পটভূমিতেই এইবিধ উপন্যাসক গঢ় দিয়া হৈছে। গভীৰ মানৱতাবাদে এইবিধ উপন্যাসক এক অনন্য মাত্ৰা প্ৰদান কৰিছে। ■



You cannot change your future. But, you can change your habbits, and surely your habbits will change your future.

-- APJ Abdul Kalam



# বৈদ্যুতিক শক্তিৰ ক্ৰমবিকাশ

ড° চন্দন শ্যাম
ডিগবৈ মহাবিদ্যালয়

মানৱ সভ্যতাৰ মূল আধাৰ হৈছে বিদ্যুৎ শক্তি। যেতিয়াৰ পৰাই মানুহে বিদ্যুৎ শক্তি ব্যৱহাৰ কৰিবলৈ শিকিলে, সভ্যতাৰ জখলাত দোপত দোপে আগুৱাই বৰ্তমানৰ অৱস্থা পালেহি। বৰ্তমানে আমি বিদ্যুৎ শক্তিৰ অবিহনে এখোজো আগুৱাব নোৱাৰো। বিদ্যুৎ শক্তিৰ আৱিষ্কাৰ আৰু ক্ৰমবিকাশত বহুজন বিজ্ঞানীৰ জীৱনজোৰা সাধনা জৰিত হৈ আছে। এই প্ৰৱন্ধত ইয়াৰে এটা চমু আলোচনা আগবঢ়োৱা হৈছে।

প্ৰকৃতিত বিদ্যুৎ শক্তিৰ উদ্ভৱ হয়, ইয়াৰে অভিজ্ঞতা মানুহৰ নথকা নহয়, ডাৱৰবোৰৰ মাজত ঘৰ্ষণহে স্থিতিবিদ্যুৎ শক্তিৰ সৃষ্টি হয়, ফলত ব্ৰজপাতৰ উদ্ভৱ হয়। গ্ৰীকসকলে স্থিতি বিদ্যুৎ শক্তিৰ বিষয়ে খৃষ্টপূৰ্ব ৬০০ চনতে জ্ঞান আহৰণ কৰিছিল। এম্বাৰ (Amber) নামৰ খনিজ শিলৰ লগত মেকুৰীৰ নোমৰ ঘৰ্ষণৰ ফলত পাতল বস্তু যেনে চৰাইৰ পাখি আদি আকৰ্ষণ কৰিব পৰা ক্ষমতা আহৰণ কৰে। এইদৰে স্থিতিবিদ্যুতৰ ফলত ঘটা বিভিন্ন প্ৰাকৃতিক পৰিঘটনা সমূহ দেখা পাইছিল যদিও প্ৰকৃত ব্যাখ্যা দিব পৰা নাছিল।

আধুনিক বিদ্যুতৰ জনক বুলিলে উইলিয়াম গিলবাৰ্ট (William Gilbert) ৰ নাম প্ৰথমেই ল'ব লাগিব। তেওঁ আছিল ইংলেণ্ডৰ ৰাণী এলিজাবেথৰ এজন চিকিৎসক। তেওঁ দেখুৱাইছিল যে লোডস্টনৰ (প্ৰাকৃতিক চুম্বক) লগত এম্বাৰ (Amber) খনিজ শিলৰ ঘৰ্ষণৰ ফলত স্থিতিবিদ্যুতৰ উদ্ভৱ হয় আৰু কাগজ আদি পাতল বস্তু আকৰ্ষণ কৰে। তেওঁ সৰ্বপ্ৰথম এম্বাৰ (Amber) শব্দটোৰ বাবে গ্ৰীক শব্দ 'Electrica' ব্যৱহাৰ কৰিছিল। তেওঁ ১৬০০ খৃঃত De magnete, magneticisique corporibus or on the Magnet পুথিখন প্ৰকাশ কৰে। বহুবিধ পদাৰ্থৰ স্থিতি বিদ্যুৎ আহৰণ কৰিব পৰা ক্ষমতাৰ কথা উল্লেখ কৰে। তেওঁ আছিল প্ৰথম ব্যক্তি যিজনে বিদ্যুৎ আৰু চুম্বক বিজ্ঞানত আধুনিক বৈজ্ঞানিক শব্দ ব্যৱহাৰ কৰি ব্যাখ্যা আগবঢ়াইছিল। বৈদ্যুতিক বল (electric force), চুম্বকৰ মেৰু, (magnetic pole), আৰু বৈদুতিক আকৰ্ষণ (electric attraction).

জাৰ্মানিৰ অ'ট' ভ'ন গোৰেৰিক (Otto von Guericke) এজন বিজ্ঞানী আছিল, তেওঁ ১৬৬০ চনত স্থিতিবিদ্যুৎ সৃষ্টি কৰিব পৰা এটি যন্ত্ৰ আৱিষ্কাৰ কৰিছিল। এইটোৱেই আছিল প্ৰথম বিদ্যুৎ জেনেৰেটৰ আৱিষ্কাৰক। তাৰোপৰি ভেকুৱাম পাম্প, মেন'অমিটাৰ তেওঁৱেই আৱিষ্কাৰ কৰিছিল। ১৬৭১ চনত তেওঁ "Experimenta nova Magdeburgia de vacua spatio" or "New Magdeburg Experiments About the Vacuum" গ্ৰন্থখন প্ৰকাশ কৰিছিল।

১৭৪৫ চনত জাৰ্মানি আৰু হ'লেণ্ডত লিডেন জাৰ (Leiden Jar) আৱিষ্কাৰ হৈছিল। ই এবিধ বিভৱ পাত্ৰ। ডাচ বিজ্ঞানী Peiter



van Musschenbroek আৰু জাৰ্মান বিজ্ঞানী Ewald Christian Von Kleist য়ে একে সময়তে লিডেন জাৰ আৱিষ্কাৰ কৰিছিল। জাৰ্মান বিজ্ঞানী জনে লিডেন জাৰ হাতেৰে চুই সৰ্বপ্ৰথমে বৈদ্যুতিক শ্বক পাইছিল।

আমেৰিকাৰ বিজ্ঞানী Benjamin Franklin য়ে ১৭৫২ চনত চিলা উৰোৱাই থাকোতে এক অভিজ্ঞতাৰ পৰা ব্যাখ্যা আগবঢ়াইছিল যে আকাশত দেখা বিজুলী বা ব্ৰজপাত বিদ্যুতৰ পৰা উৎপন্ন হয়। ব্ৰজপাত পৰি কাঠৰ ঘৰত কেতিয়াবা জুই লাগিছিল। ঘৰসমূহ ব্ৰজপাতৰ পৰা বচাবলৈ lightining rod আৱিষ্কাৰ কৰিছিল। ওখ ঘৰৰ মুধচত জোঙামুৰৰ পৰিবাহী লগাই তাৰ লগত দীঘল পৰিবাহী তাঁৰ সংযোগ কৰি মাটিৰ তললৈ ১০ ফুটমান পুটি দিছিল, ইয়াৰ ফলত ঘৰসমূহ ব্ৰজপাতৰ পৰা ৰক্ষা পৰিছিল।

ইংলেণ্ডৰ Henry Cavendish, ফ্ৰান্সৰ Coulomb, আৰু ইটালীৰ Luigi Galvani য়ে বৈদ্যুতিক ক্ষেত্ৰখনলৈ অভুতপূৰ্ব বৰঙণি আগবঢ়ায়। Henry Cavendish য়ে ১৭৪৭ চনত পৰিবাহীৰ conductivity জুখি উলিয়ায়, বিভিন্ন পদাৰ্থৰ conductivity ৰ ওপৰত তেখেতে গৱেষণা পত্ৰ প্ৰকাশ কৰে। ইটালীৰ Luigi Galvani য়ে জীৱৰ স্নায়ুৰ ওপৰত বিদ্যুতৰ ক্ৰিয়া সম্পৰ্কে গৱেষণা আগবঢ়ায়। বৈদ্যুতিক ক্ষেত্ৰখনত আৰু বহু কেইজন বিজ্ঞানীয়ে ন' ন' দিশত আৱিষ্কাৰ কৰে। তাৰ ভিতৰত হ'ল ইটালীৰ Volta, ডেনমাৰ্কৰ Hans Oersted, ফ্ৰান্সৰ Andre Ampere, জাৰ্মানিৰ Georg Ohm, ইংলেণ্ডৰ Michael Faraday আৰু আমেৰিকাৰ Joseph Henry।

১৭৯৯ চনত Joseph Henry ৰ জন্ম হয় আমেৰিকাৰ নিউয়ৰ্ক চহৰত। ১৮২৪ চনত তেখেতে ৰাস্তা বনোৱাৰ কামত অভিযন্তা হিচাপে কামত যোগদান কৰে। তেতিয়াই তেখেতে বিজ্ঞানী মনৰ পৰিচয় দিয়ে, বৈদ্যুতিক চুম্বক আৱিষ্কাৰ কৰে। বিদ্যুৎ পৰিবহী তাঁৰ আৰু বেটাৰী ব্যৱহাৰ কৰি বৈদ্যুতিক চুম্বক সৃষ্টি কৰি ৩৫০০ পাউণ্ড ওজন দাঙিব পাৰিছিল। তাৰোপৰি তেখেতে self induction and mutual induction আৱিষ্কাৰ কৰিছিল। তেখেতে দুমহলীয়া ঘৰৰ ওপৰত বৈদ্যুতিক পৰিবাহী তাঁৰত বিদ্যুৎ প্ৰবাহিত কৰি ঘৰৰ দুমহলৰ তলত থকা পৰিবাহী তাঁৰত আৱিষ্ট (Induced current) বিদ্যুৎ প্ৰবাহিত কৰি দেখুৱাইছিল। বিজ্ঞানীজনে এক মাইল আঁতৰৰ পৰা বৈদ্যুতিক চুম্বক ব্যৱহাৰ কৰি ঘণ্টা বজাই দেখুৱাইছিল। পিছলৈ তেখেতৰ এই আৱিষ্কাৰৰ পৰাই আধুনিক টেলিগ্ৰাফ আৱিষ্কাৰ কৰে Samuel Morse য়ে ১৮৩৫ চনত আৰু ১৮৩৮ চনত প্ৰথমবাৰৰ বাবে চল্লিচ মাইল দূৰলৈ টেলিগ্ৰাফিক শব্দ সুকলমে প্ৰেৰণ কৰিছিল।

মাইকেল ফেৰাডেৰ জন্ম হয় লণ্ডনত ১৭৯১ চনত। তেখেত আছিল একেধাৰে ৰসায়ন আৰু পদাৰ্থ বিজ্ঞানী। ১৮৩১ চনত তেখেতে বিখ্যাত Electromagenic Induction ৰ Faraday's law আৱিষ্কাৰ কৰে। কোনো পৰিবাহী তাঁৰৰ কুণ্ডলিত চুম্বক বলয়ৰ পৰিৱৰ্তন ঘটিলে পৰিবাহীৰ তাঁৰত আৱিষ্ট বিদ্যুৎ (Induced current) প্ৰবাহিত হয়। এই ব্যাখ্যাৰ আধাৰতেই আধুনিক Alternating Current (AC) আৰু Direct Current (DC) Generetor নিৰ্মাণ হয়। এটুকুৰা চুম্বক পৰিবাহী তাঁৰৰ কুণ্ডলীৰ মাজত ঘূৰিবলৈ দিলে কুণ্ডলীৰ তাঁৰত বিদ্যুৎ উৎপন্ন হয়, এই পদ্ধতিৰে তেখেতে বৈদ্যুতিক জেনেৰেটৰ আৱিষ্কাৰ কৰে, বৈদ্যুতিক মটৰ আৰু ট্ৰেন্সফৰ্মাৰ আৱিষ্কাৰ কৰে।

ইংলেণ্ডৰ Humphry Davy (1778-1829) এজন বিখ্যাত ৰসায়নবিদ আছিল। ১৮০৯ চনত তেওঁ প্ৰথম কাৰ্বন আৰ্ক লেম্প আৱিষ্কাৰ কৰে। এইয়েই প্ৰথম বিদ্যুৎ শক্তিৰ পৰা পোহৰ উৎপাদন কৰিব পৰা প্ৰথম লেম্প। এটা বাল্বৰ ভিতৰত দুডাল কাৰ্বন দণ্ড এনেদৰে লগোৱা থাকে যে দণ্ড দুডালৰ আনমূৰ দুটা বেটাৰীৰ লগত সংযোগ কৰা থাকে, ফলত দণ্ড দুডালৰ মাজত বৈদ্যুতিক আৰ্ক সৃষ্টি হৈ পোহৰ দিয়ে। পিছলৈ এই আৰ্ক লেম্পৰ সামান্য উন্নতি কৰি খনি সমূহত ব্যৱহাৰ কৰিব পৰা কৰে। খনিসমূহত থকা প্ৰজলক গেছ যেনে মিথেন আদিৰ পৰা দুৰ্ঘটনা ৰোধ কৰিব পৰা হয় আৰু খনি সমূহৰ বহু গভীৰলৈ খনন কাৰ্য কৰিব পৰা হয়। বৈদ্যুতিক বাল্বৰ ক্ৰমবিকাশৰ তালিকা এখন তলত উল্লেখ কৰা হ'ল।

১৮২০ চনত Warren De la Rue য়ে প্লেটিনাম ফিলামেণ্ট ব্যৱহাৰ কৰি বৈদ্যুতিক বাল্ব আৱিষ্কাৰ কৰিছিল যদিও খৰচ বেচি হোৱাৰ বাবে ই জনপ্ৰিয় হৈ নুঠিল।

১৮৩৫ চনত James Lindsay য়ে এটা মডেল বৈদ্যুতিক বাল্ব বনাইছিল যিটোত দেৰফুট দুৰত্বত কিতাপ পঢ়িব পাৰিছিল আৰু একেবাহে ভালেখিনি সময় পোহৰ দিব পাৰিছিল।

১৮৫০ চনত Edward Shepard য়ে কাৰ্বন ফিলামেণ্ট ব্যৱহাৰ কৰি বিদ্যুত প্ৰবাহৰ ফলত হোৱা তাপৰ পৰা পোহৰ পাব পাৰিছিল। বায়ুৰ অনুপস্থিতিত তপত কৰি জৈৱ পদাৰ্থৰ পৰা কাৰ্বন তৈয়াৰ কৰা হৈছিল।

১৮৫৪ চনত জাৰ্মানিৰ Henricg Globel ৰ বৈদ্যুতিক বাল্ব আৱিষ্কাৰ কৰিছিল যিটোত ফিলামেণ্ট হিচাপে বাঁহৰ পৰা তৈয়াৰ কৰা কাৰ্বন ব্যৱহাৰ কৰিছিল।

উল্লেখিত ভ্ৰমণ গ্ৰন্থখনৰ লেখক হেম বৰুৱাদেৱে বিভিন্ন দেশ ভ্ৰমণ কৰি বাস্তৱ অভিজ্ঞতা সংগ্ৰহ কৰিছিল। লগে লগে তেখেতে সেই দেশবোৰৰ অতীতকো অধ্যয়ন কৰিছিল। দক্ষিণ পূব এছিয়াৰ সৌধসমূহৰো তেখেতে অতীত অধ্যয়ন কৰিছিল। ইতিহাস অধ্যয়ন নকৰিলে মালয়েছিয়াৰ পেনাং দ্বীপৰ ঐতিহাসিক চুক্তিৰ কথা কেনেকৈ জানিব, কেনেকৈ গ্ৰন্থখনত তাৰ উল্লেখ কৰিব পাৰিব? – ''ভাৰতলৈ পেনাং দ্বীপৰ পৰা সমুদ্ৰবাহী জাহাজেৰে সাত দিনৰ বাট। বন্দৰটো মালাক্কা প্ৰণালীৰ শীৰ্ষ বিন্দুত অৱস্থিত। ইষ্ট ইণ্ডিয়া কোম্পানীৰ হৈ খেদা ৰাজ্যৰ চুলতানৰ সৈতে দুৰদৰ্শী ফ্ৰান্সিছ লাইট চাহাব এক চুক্তিত অৱত্তীৰ্ণ হয়। এই চুক্তি অনুসাৰে ব্যৱহাৰৰ কাৰণে পেনাং দ্বীপ আৰু পেনাং দ্বীপত অৱস্থিত বন্দৰটো তেওঁ চুলতানৰ পৰা ভাৰালৈ লয়। আদিতে ইষ্ট ইণ্ডিয়া কোম্পানী আছিল এক ব্যৱসায়ী প্ৰতিষ্ঠান। ভাৰতৰ ক্ষেত্ৰত যেনেকৈ তেনেকৈয়ে প্ৰাচ্যৰ বহু অঞ্চলৰ বেপাৰীসকল অৱশেষত সাম্ৰজ্যবাদী দললৈ ৰূপান্তৰিত হয়। এইবোৰ কথাৰ কাৰণেই সম্ভৱতঃ ইংৰাজ সকলক কোনো কোনোৱে 'a nation of shopkeepers' ,অৰ্থাৎ দোকানী জাতি বুলি অভিহিত কৰে।'' উদ্ধৃতিটোত ইষ্ট ইণ্ডিয়া কোম্পানী তথা ইংৰাজ জাতিৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ ইংগিত সুন্দৰ ৰূপত পোৱা যায়। ''মেকং নৈ দেখিলো'' গ্ৰন্থখনৰ পাতে পাতে দক্ষিণ–পূব এছিয়াৰ টাইলেণ্ড, কম্বোডিয়া, লাওছ, মালয়েছিয়া আৰু চিঙ্গাপুৰ — এই পাঁচখন দেশৰ চমু ইতিহাস আৰু সমাজ জীৱনৰ পৰিচয় পাবতো পাৰিয়েই, বিশ্বৰ অন্যান্য দেশৰ কিছুমান প্ৰাসঙ্গিক কথাও জানিবলৈ পোৱা যায়। উদাহৰণস্বৰূপে গ্ৰন্থখনৰ ৬ পৃষ্ঠাৰ এই কথাখিনি তুলি দিব পাৰি —

''পৃথিৱীৰ উল্লেখযোগ্য চহৰ সমূহৰ কথা স্মৰণ কৰা মাত্ৰকে কিছুমান বিশেষ বস্তুৰ কথা মনলৈ আহে। যেনে দিল্লী বুলিলে মনত পৰে লালকিল্লা আৰু কুতুবমিনাৰৰ কথা, এইবোৰৰ বুকুত লুপ্ত হৈ থকা শ শ বছৰৰ ইতিহাসৰ কথা। সেইদৰে পেৰিচ বুলিলে মনত পৰে ইফেল টাৱাৰ আৰু লুভভ যাদুঘৰৰ কথা, ইয়াৰ আঁৰে আঁৰে স্পষ্ট হৈ থকা শিল্প–মাধুৰীৰ কথা। সেইদৰে নিউয়ৰ্ক বুলিলে মনত পৰে আকাশস্পৰ্শী অট্টালিকা সমূহ আৰু স্বাধীনতাৰ স্তম্ভটোৰ কথা। আৰু একেদৰেই ৰোম বুলিলে চেণ্ট পীটাৰ্ছ গীৰ্জাটো আৰু মস্কো বুলিলে ক্ৰেমলীনৰ ছবি মনৰ দিগন্তত জলমলাই উঠে।'' সৌভাগ্যবশতঃ এই সকলোবোৰ হেম বৰুৱাদেৱে নিজে দেখিছিল।

''মেকং নৈ দেখিলো''ত হেম বৰুৱাদেৱৰ ভাষা শৈলীৰো আভাস পোৱা যা। গ্ৰন্থখনৰ ১০ পৃষ্ঠাৰ বৰ্ণনাত কাব্যিক ৰূপত পৰিচয় পাব পাৰি, কবি হেম বৰুৱাক লগ পাব পাৰি। টাইলেণ্ডত তেখেতে কি দেখিছিল — ''ইয়াৰ বহুতেই পানীৰ এডোখৰলৈ বিস্তৃত হৈ থকা কৈ চাংঘৰ সাজি বাস কৰে। পানীৰ এডোখৰ লৈ বিস্তৃত হৈ থকা এইবোৰ কৃষকৰ চাংঘৰ। অতি নিকা, অতি বিতোপন। সৌজনী তেজীৰঙা গাভৰু। ঘৰৰ খিৰিকীৰে বাহিৰলৈ চাই চকু পিৰিকিয়াই হাঁহিছে। কিয় হাঁহিছে? আমালৈ চাই নে পানীলৈ চাই? কালৈ চাই হাঁহিছে? কিয় হাঁহিছে? আমাক কেলৈ লাগিছে, তাই হাঁহিছে। সেয়ে আমাৰ কাৰণে যথেষ্ট। চাংঘৰৰ বাৰান্দাৰ পৰা সৌৱা সৌগৰাকী বুঢ়ী আইতাই আমালৈ তধা লাগি চাইছে। বুঢ়ীৰ ছাল সোতোৰা সোতোৰা – কিন্তু এয়া পকা থেকেৰাহে যেন। আইতাই আমাক জানো দুৰৰ এই পানীৰ মাজত মণিব পাৰিছে? সৌজন ককাই আমালৈ চাই এচাৰি জোকাৰিছে, মুৰো দুপিয়াইছে। ওচৰতে সৌজাক নাতিল'ৰা লৰৰি ধাপৰি কোঢ়াল কৰি আছে। চহৰৰ কোলাহল পূৰ্ণ ''ধূলি আৰু ধোঁৱাৰ চিম্ফনি'' এৰি .....''

কোনো কোনো সময়ত এইখন ভ্ৰমণ গ্ৰন্থৰ মাজত কবি হেম বৰুৱাদেৱক পোনপটীয়াকৈ লগ পোৱা যায়। টাইলেণ্ডৰ উত্তৰ অঞ্চলৰ নৈপৰীয়া গাঁৱৰ লগত আমাৰ ইয়াৰ নৈপৰীয়া মিচিং গাঁৱৰ লগত তুলনা কৰিবলৈ যাওঁতে ''আমাৰ মিচিং গাঁৱৰ দৰে টাইলেণ্ডৰ গাঁওবোৰ নৈৰ পাৰে পাৰে অৱস্থিত। প্ৰায় একে যেন লাগে।

আমাৰ অসমৰ মিচিং গাঁও এখনৰ 'পৰাগ' উৎসৱত ছোৱালী কেইজনীমানৰ নাচ দেখি কবিতা এটা লিখিছিলোঁ। তাৰে পংক্তি এটা তৃত তুলি দিলোঁ।

''নৈৰ পাৰৰ ঘাঁহনি ডৰাত নাচিছিল তাই,
সেউজীয়া এডৰা ঘাঁহনি ঃ আৰু লগত
এজাক ছোৱালী, একে ৰং, একে তেজ,
একে মুখ, একে চকু, একে নৃত্যৰ লহমা।''

কম্বোডিয়াৰ আঙ্কোৰ মন্দিৰ দৰ্শন কৰিবলৈ যোৱাৰ দিনা ভ্ৰমণকাৰীজন এক বিশেষ পৰিৱেশৰ মাজত সোমাই কৰিছিল। এক লালিত্যপূৰ্ণ ভাষাৰ সেই বৰ্ণনাখিনি পঢ়াৰ লগে লগে পাঠকেও সেই পৰিৱেশত মন্দিৰ দৰ্শন কৰা যেন উপলব্ধি কৰিব। এইখিনি কথা হেম বৰুৱাদেৱৰ অধ্যয়নপুষ্ট মনবো পৰিচায়ক -- ''আমাৰ ওচৰতে বহা এগৰাকীয়ে গান গাবলৈ ধৰিলে। গীতৰ সুৰ প্লাৱনে আমাৰ অন্তৰ থৌকি-বাথৌ কৰিলে। এনেতে জোনটো ধীৰে ধীৰে ওলাই আহিল মন্দিৰটোৰ ওপৰেদি। আমাৰ দাঁতিৰ এন্ধাৰ হৈ থকা ঠাই ডোখৰ ৰূপ যেন পোহৰ হ'ল। কি অপূৰ্ব। মন্দিৰ যেন বিশাল, জোনে দিয়া ৰূপেৰে পোহৰো তেনেদৰে গভীৰ।''Music moon-light and melancholy'' সংগীত, জোনাক আৰু বেদনা — এই তিনিটা বস্তুৰ সমাহাৰে মনটোক কিবা এক মাদকতা দিয়ে। আমাৰ কেউপিনৰ পৰিৱেশত 'সংগীত আৰু জোনাক' আছিল, 'বেদনা' নাছিল। বেদনাৰ পৰিৱৰ্তে আছিল তন্ময়তা, জীৱনৰ প্ৰাচুৰ্যতা কিবা এক পৰিৱেশৰ সম্মোহনৰ বশৱতী হৈয়েই কীটছ সম্ভৱতঃ কৈছিল —

''To cease upon the mid-night with no pain, while thou art peuring forth thy soul abroad In such an ecstasy!'' ■



ত্যাগৰ বেদীত স্বাৰ্থৰ বুলি দিব নোৱাৰিলে আদৰ্শৰ মৃত্যু ঘটে।

— হেম বৰুৱা

# শায়েৰীৰ মধুভাণ্ড



পুণ্য শইকীয়া
ডিগবৈ

প্ৰিয়া আহিব। যিকোনো মুহূৰ্তত প্ৰিয়া অহাৰ কথা। কি যে উৎকণ্ঠা! প্ৰতীক্ষাৰ কি যে এক মাদকতা! কিন্তু এই দোপালপিটা বৰষুণ জাক? এই অবুজ বৰষুণজাকে প্ৰাণ-প্ৰিয়াক স্বাগতম জনাবলৈ কৰা সমস্ত আয়োজন পণ্ড কৰি পেলাব নেকি? অথচ এই বৰষুণজাকক অশালীন ভাষাৰে গালিও পাৰিব নোৱাৰি। কাৰণ বহু সময়ত প্ৰিয়া বিৰহৰ বহুত যন্ত্ৰণা এই বৰষুণজাকেইতো ধুই মচি লৈ যায়। এই বৰষুণজাক শত্ৰু নহয়, বন্ধুহে। কিন্তু আজিৰ এই প্ৰতীক্ষামধুৰ লগ্নত এইজাক বৰষুণে কিয় বাৰু অবিবেচকৰ দৰে আচৰণ কৰিছে?

প্ৰেমিক শায়ৰজনে অনুনয় আৰু অনুযোগৰ সুৰত বৰষুণক সম্বোধি কৈ উঠিল -

(১) "এ বাদল তু ইৎনা না বৰস
যো ও আ না সকে
ও আ যায়ে তো ইৎনা বৰস
ও যা না সকে।"

"হেৰৌ বৰষুণ, মোৰ প্ৰিয়া অহাত অসুবিধা হোৱাকৈ তই ইমান জোৰত নাহিবি। তেওঁ অহাৰ পাছত তই ডবা-পিটাৰ দৰে পিট, যাতে তেওঁ ঘূৰি যাব নোৱাৰে।"

বাঃ কি চমৎকাৰ! শায়েৰী বুজাৰ কি অমল আনন্দ! ইমান সৰু এটি অনুভূতি অথচ তাৰ কি বক্ষ বিদীৰ্ণ কৰা মহতী প্ৰকাশ। বিন্দুতে এয়া যেন সিন্ধুৰ বিপুল উপস্থিতি। এনে এটি বাক প্ৰতিমা মই যদি সাজিব পাৰিলোহেঁতেন। ময়ো যদি শায়ৰ হ'লোহেঁতেন।

কবি প্ৰিয়াই যৌৱনত ভৰি দিয়াই নাই। ফুল, পখিলা খেদি ফুৰা এটি কণমানি কিশোৰী বালিকা। যেন ডান্টেৰ বিয়েট্ৰিছ! যেন চন্দ্ৰকুমাৰ মাধুৰী। কৈশোৰ আৰু যৌৱনৰ সঙ্গম স্থলত ভৰি দিয়া এটি নীল নিকা পদুমৰ কলি। নিজৰ সমস্ত হৃদয়খন যেন কবিয়ে আজুৰি উলিয়াই আনি উপহাৰ স্বৰূপে প্ৰিয়াৰ হাতত তুলি দিব। কিন্তু দিয়ে কেনেকৈ? ফটাকানিৰ দৰা-কইনা খেল খেলাৰ অভ্যাস এই কণমানি প্ৰেয়সীৰ। এহৃদয় উপহাৰ কি বুজে বাৰু তাই? ক'ৰবাত ধেমালিৰ ছলেৰে হৃদয়খন পেলাই দিব নতুবা খেলাৰ সামগ্ৰী এটা হেৰুওৱাৰ দৰে হিয়াখন ক'ৰবাত হেৰুৱাই পেলাব। গতিকেই সিদ্ধান্ত হ'ল, যৌৱনত ভৰি নিদিয়ালৈকে হৃদয়খন নিদিয়ে। আলফুলে সাঁচি ৰাখিব তেওঁৰ বাবেই -

২) আভি কামসিন হো
কহি খো দেওগি দিল মেৰা
তুমহাৰে লিয়ে ৰাখা হ্যায়
লে লেনা জঁৱা হো কৰ।"

"এতিয়া তুমি তেনেই সৰু হৈ

আছা– এতিয়াই হৃদয়খন তোমাক দিলে তুমি ক'ৰবাত হেৰুৱাই পেলাবা। তোমাৰ বাবেই সাঁচি ৰাখিলো, যৌৱনত ভৰি দিয়েই লৈ ল'বা।''

মনে মনে ঈৰ্ষা হয় শায়ৰ কবিৰ এই চিত্ত চমৎকাৰী প্ৰকাশ ভঙ্গিমা দেখি।

কাৰোবাৰ প্ৰেম জানো জোৰ কৰি আদায় কৰিব পাৰি? বা ওলোটাকৈ জোৰ কৰি আদায় কৰিলে তাক জানো প্ৰেম বুলি ক'ব পাৰি? প্ৰেম স্বতঃস্ফূৰ্ত। কাৰ জীৱনলৈ কেতিয়া আহি পাল তৰা নাওখন কঁপাই থৈ যাব, তাৰ কোনো আগতীয়া জাননী প্ৰেমে নিদিয়ে। প্ৰেম এপাহ যেন ফুল। কেতিয়া ফুলে আমি নেদেখো – দেখো মাথোঁ তাৰ প্ৰস্ফুটিত সৌন্দৰ্য। শিহৰিত হওঁ মাথো বতাহে কঢ়িয়াই অনা সুৰভিত নিমন্ত্ৰণত। কিন্তু গালিবে কয় – ''প্ৰেম একুৰা জুই। এনেকুৱা একুৰা জুই, যাক তুমি হাজাৰ জ্বলালেও নজ্বলে। যদি জ্বলে, হাজাৰ নুমুৱালেও নুনুমায়। এই প্ৰেম–জুইৰ লগত জোৰ জুলুম নাখাটে।''

৩) ''ইস্ক পৰ জোৰ নহী হ্যায়
য়ে ৱহ আতস গালিব
জো লগায়ে ন লগে
ঝুঝায়ে ন ঝুঝে।''

প্ৰেম সদায়েই জ্বালাময়ী। প্ৰেমিক কেতিয়াও শান্ত আৰু নিৰ্বিকাৰ হ'বই নোৱাৰে। প্ৰেমৰ স্বভাৱ ধৰ্মই হ'ল প্ৰেমিকৰ হৃদয় জুৰি ধুমুহাৰ সৃষ্টি কৰা। ক'ব পৰা কথা কোৱাৰ পাছতো সদায়েই আধৰুৱা আলাপ। চিৰন্তন অতৃপ্তি। সেই অতৃপ্তিৰ মাত্ৰা তেতিয়া আৰু বেছি তীব্ৰ হয়, যেতিয়া প্ৰেমৰ পাত্ৰীক কোনোপধ্যেই ব্যথা ভৰা অন্তৰৰ নোকোৱা কথাবোৰ বুজাই দিব পৰা নাযায়। প্ৰেমৰ প্ৰথম নিবেদন – ই এক চিৰন্তন সমস্যা। সকলোকে বুজাই ক'ব পাৰি। কিন্তু প্ৰিয়াক বুজোৱা যায় কেনেকৈ? তেনে এক জৰ্জৰিত মুহূৰ্তত প্ৰেমিক কবিৰ বক্তব্য শুনক –

৪) ''পাত্তা পাত্তা বুটা বুটা
হাল হামৰা জানে হ্যায়
জানে না জানে গুল হি না জানে
বাগতো সাৰা জানতে হ্যায়।''

''সমস্ত ফুলনিখনেই মোৰ অৱস্থাৰ কথা জানে। প্ৰতিটো পুলি, প্ৰতিডাল লতা, প্ৰতিখিলা পাতেই মোৰ অৱস্থা বুজে। কিন্তু যাৰ বাবে আজি মোৰ এই অৱস্থা, সেই ফুল পাহেই নাজানে।''

কেৱল শায়ৰসকলৰ বাবেই নহয়, পৃথিৱীৰ যিকোনো প্ৰেমিক–প্ৰেমিকাৰ বাবেই একোপাহ ফুল হ'ল প্ৰেমৰ মূৰ্তিমান অভিব্যক্তি। প্ৰতীকাৰ্থত ফুলেই প্ৰেমৰ বাৰ্তা বহন কৰে। মৰহি যোৱা একোপাহ ফুলে প্ৰেমজনিত নৈৰাশ্যৰ বেদনা বহন কৰে। ৰক্ত কৰবী, ৰঙা গোলাপ আদিয়ে ৰক্তাক্ত হৃদয়ৰ ৰূপকাৰ্থ বহন কৰে। শায়ৰ কবিৰ বাবে প্ৰেমিক–প্ৰেমিকা দুজন নহয় – অভিন্ন প্ৰতিমূৰ্তি। যেনেকৈ ৰং আৰু গন্ধেৰেৰে এপাহ ফুল সম্পূৰ্ণ হয়, কেৱল ৰং কিম্বা কেৱল গন্ধই ফুলৰ অপৰূপ মহিমা প্ৰকাশ নকৰাৰ দৰে একপক্ষীয় প্ৰেমেও স্বয়ং সম্পূৰ্ণতা আৰু সাৱলীলতা হেৰুৱাই যন্ত্ৰণাৰহে কাৰণ হয়। তেনে এক অৱস্থাত কবিয়ে কয় –

৫) চমনমে ইখতলাতে ৰং ও বুসে
বাত বনতি হ্যায়
হম্ হি হম্ হ্যায় তো
ক্যা কম হ্যায়
তুম্হি তুম্ হো তো
ক্যা তুম হো!

প্ৰেম? প্ৰেম কি? ইয়াৰ সংজ্ঞা নিশ্চয় নাই অথবা ইয়াৰ সংজ্ঞা পাত্ৰ ভেদে, স্তৰ ভেদে সালসলনি হৈ থাকে। কিন্তু প্ৰেমৰ চিৰন্তনতাৰ বেলিকা দুটা মত কেতিয়াও নহয়। মৃত্যুৱেও প্ৰেমক মাৰিব নোৱাৰে। মৃত্যুৱে একোজন মানুহৰ সমস্ত শেষ কৰি লৈ নাযায়। কিবা এটি এৰি থৈ যায়। কি সেয়া? সেয়াই প্ৰেম। সেয়াই অক্ষয় অব্যয় প্ৰেমৰ অভিজ্ঞতা। কবি মীৰৰ ভাষাত ''প্ৰেমেই একমাত্ৰ জ্যোতি। এই জগতৰ সূচীভেদ্য অন্ধকাৰৰ মাজত প্ৰেমেই একমাত্ৰ আলোকবৰ্তিকা। প্ৰেম অবিহনে একোৱেই প্ৰকাশ সম্ভৱ নহয়।''

৬) মুহব্বত নে জুলমৎ সে কাড়া হ্যায় নূৰ
মুহব্বত ন হোতি ন হোতা জুহুৰ।

অন্যহাতে ইব্ৰাহিম জৌকে এগছি চাকিক উদ্দেশ্য কৰি কি কৈছে শুনক –

৭) আই শম্মা, তেৰী উমৰ টবিয়ী হ্যায় এক ৰাত।
ৰো কৰ উজাৰ ইয়া উসে হাসকৰ গুজাৰ দে।

''হেৰা প্ৰদীপ, তোমাৰ জীৱন মাথোঁ এটি নিশাৰ বাবেহে। এইকণ সময় কান্দি কান্দিয়েই হওঁক বা হাঁহি হাঁহিয়েই কোনোমতে পাৰ কৰি দিয়া।''

এয়া হ'ল প্ৰেমিক কবিৰ জীৱনৰ ওপৰত অভিমান। প্ৰেম আৰু নৈৰাশ্য এই দুটা হ'ল একেটা মুদ্ৰাৰে দুটা পিঠি। বৰং ক'ব পাৰি – সৰ্বগ্ৰাসী নৈৰাশ্যইহে প্ৰেমক দিয়ে ইঙ্গিত মাধুৰ্য। এই নৈৰাশ্যই প্ৰচণ্ড ধুমুহা হৈ প্ৰেমিক হৃদয়ৰ বিৰিণা বননি বিধ্বস্ত কৰি পেলায়। জীৱনৰ স্বাভাৱিক ছন্দৰ বিপৰীতে কবিয়ে গায় কেতিয়াবা মৃত্যু যন্ত্ৰণাৰ গান। কেতিয়াবা বাচি লয় আত্ম–নিপীড়নৰ কণ্টকিত পথ। ইব্ৰাহিম জৌকে বাছি লয় জুৱাৰীৰ সঙ্গ।

৮) যো দিল কমাৰখানা মে বুত সে লগা চুকে
ৱহ কাবাটেইন চোৰকে 'কা বা'ক জা সকে।

''যি জুৱাৰখানা আৰু জুৱাৰীৰ লগত বন্ধুত্ব স্থাপন কৰিলে, তেওঁ কি এই প্ৰিয় দুপদ এৰি কাবা মন্দিৰলৈ যাব পাৰিব?'' নোৱাৰে। প্ৰেম হেনো ভক্তিৰেই অন্য এক ৰূপ। প্ৰেয়সীৰ অক্ষিযুগলত যি এবাৰ ব্ৰহ্মাণ্ডৰ সীমাহীন সৌন্দৰ্য ভাণ্ডাৰৰ সন্ধান পাইছে, তেওঁৰ সন্মুখতে ঈশ্বৰে আহি আত্মপৰিচয় দিলেও সেই সাকাৰ ঈশ্বৰক

অস্বীকাৰ কৰি প্ৰেমিকাৰ নয়নত প্ৰতিফলিত ঐশ্বৰিক প্ৰতিৰূপকেই গ্ৰহণ কৰিব। ইয়েই বোধহয় প্ৰেমৰ আধ্যাত্মিক উত্তৰণ। এনেবোৰ মুহূৰ্তত মৃত্যুও হৈ পৰে সাধাৰণ কথা। কিন্তু মৃত্যুৱেওতো সেই প্ৰশান্তি দিব নোৱাৰে যি প্ৰশান্তি বিচাৰে প্ৰেমিক অভিযাত্ৰী কবিয়ে –

৯) আৱতো ঘৱৰাকে ইয়ে কহতে হ্যায় কি মৰ জায়েঙ্গে।

মৰকে ভী চাইন ন পায়াতো কীধৰ জায়েঙ্গে?

"এতিয়া মই অতীষ্ঠ হৈ কৈছো যে মৰি যোৱাই ভাল। পিছে যেতিয়া মৃত্যুতো শান্তি নাপাম, তেতিয়া যাম ক'লৈ?"

প্ৰচণ্ড অভিমানত শায়ৰ কবি জৰ্জৰিত হয়। নালাগে। একোৱেই নালাগে। হৃদয় পাত্ৰ উবুৰিয়াই দিয়াৰ পাছতো যদি বিনিময়ত হতাশাকেই সাৱটি ল'ব লাগে, তেন্তে কবিক একো নালাগে। ৰিক্ত হাতেই মৃত্যুক আঁকোৱালি ল'ব।

১০) খোৱাব ইন আখোঁ সে অৱ কোঈ
চুৰা কৰ লে জায়ে
কৰ কে সুগে হোৱে ফুল উৰাকৰ
লে জায়ে।

"মোৰ দুচকুৰ সকলো স্বপ্ন কোনোবাই চুৰ কৰি লৈ যাওঁক। আনকি মোৰ কবৰৰ ওপৰত পৰি থকা শুকান ফুলবোৰো ধুমুহাই আহি উৰুৱাই লৈ যাওঁক।"

কিন্তু আশা, কামনা, বাসনা আদি এই দুৰ্দান্ত অনুভূতিবোৰক কি কৰা যায়? ইহঁতেতো কাকোৱেই শান্তিত থাকিবলৈ নিদিয়ে। অন্যহাতে এইটোও নিৰ্ঘাত, সত্য যে –

১১) সৱাপা আৰ্জু হোনে সে
বন্ধ কৰ দিয়া হাম কো
বগৰ ন হ্‌ম খুদা মে দিল
ৰে মুদ্দোৱা হোতা।

"আপাদ মস্তক কামনা, বাসনাবোৰ আছে বাবেইতো আমি মানুহ তাকে নহ'লেতো ঈশ্বৰেই হৈ পৰিম।"

ঠিকেইতো। জীৱন মানেনো কি? জীৱন মানে অন্য একো নহয়, আশা বাসনাৰ এটি পিণ্ড। যিমানেই ইহঁতক দূৰলৈ খেদোৱা হওক, ওচৰ চাপিহে আহে। কবিৰ হৃদয় প্ৰণয়ৰ অথালি-পথালি আঘাতত ক্ষত-বিক্ষত। তাতে আকৌ ভূতৰ ওপৰতে দানহৰ দৰে এই কামনা-বাসনাবোৰ –

১২) ইন্ হছৰতো সে কহ দো
কহী ঔৰ যা বসে
ইতনে জগহ কঁহা হ্যায়
দিল এ দাগদাৰ মে।

"এই আশা বাসনাবোৰক কৈ দিয়া অন্য ক'ৰবালৈ যাওক-ক্ষত-বিক্ষত মোৰ হৃদয়ত ইমান ঠাই ক'ত?

কিন্তু ক'লেই হ'বনে? সিহঁত যাব ক'লৈ? সিহঁত যে জীৱনৰ সৈতে অঙ্গীভূত –

১৩) উমৰে দৰাজ মাংকে লায়ে থে চাৰ দিন।

দো আৰ্জু সে কাট্ গয়ে দো ইন্তাজাৰ মে।

"মাত্ৰ চাৰিটা দিনৰ বাবে আয়ুস ধাৰ কৰি আনিছিলো। তাৰে দুদিন পাৰ হৈ গ'ল আশাত। আৰু বাকী দুদিন অপেক্ষাত।"

এই যে শায়েৰীবোৰ প্ৰেমৰ সমুদ্ৰ মন্থনৰ অন্তত উদ্ধাৰ হোৱা যেন একো একোটি ইন্দ্ৰনীল মণি। কোনে কয় প্ৰেমৰ ভাষা অক্ষৰ বিহীন? আখৰৰ ভাষাৰেই এই শায়ৰসকলে স্পৰ্শ কৰি গ'ল প্ৰেমৰ বিশাল পৰিধি। ঠিকেই কোনো অজ্ঞাত নামা লেখকে কৈ যোৱাৰ দৰে – "Its love, its love that makes the world go round."

প্ৰেম নহ'লে বোধহয় পৃথিৱীও নুঘুৰিলহেঁতেন।

শায়েৰী বুজাৰ কি যে স্নিগ্ধ মধুৰ অভিজ্ঞতা! প্ৰেমক স্পৰ্শ কৰাৰ কি যে অনিৰ্বাচনীয় পুলক!! ■



ল'ৰা-ছোৱালীক শিক্ষা দিব লাগে প্ৰকৃত মানুহ হ'বলৈ। ভদ্ৰলোক বা ভদ্ৰ মহিলা হ'বলৈ নহয়।

— পদ্মনাথ গোহাঞি বৰুৱা



# বৰ্তমান অসমীয়া সমাজৰ বিৱৰ্তন নে অন্য কিবা?

দিপশিখা বৰুৱা
স্নাতক তৃতীয় ষান্মাসিক, বাণিজ্য বিভাগ

বহু যুগ ধৰি অসমীয়া সমাজ-সংস্কৃতিয়ে এক সুকীয়া বৈশিষ্ট লাভ কৰি আহিছে। আহোম ৰাজত্ব কালতে সৃষ্টি হোৱা বৰ অসম এতিয়া নাই যদিও তাৰ ৰূপ-সংস্কৃতি এতিয়াও পৰিলক্ষিত হয়।

আহোম ৰাজত্ব কালৰ দিনৰ পৰা অসমীয়া জাতি তথা সমাজ-সংস্কৃতিয়ে এক বিশেষ পৰিচয় লাভ কৰি আহিছে। বিভিন্ন জাতি-জনগোষ্ঠী একগোট হৈ সৃষ্টি হৈছে বৃহত্তৰ অসমীয়া জাতি তথা অসম ৰাজ্য।

পুৰণি অসম আৰু বৰ্তমান অসমৰ মাজত বৃহৎ পাৰ্থক্য দেখা যায়। কিন্তু এয়া যেন এক স্বাভাৱিক কথা, কিয়নো সময়ৰ লগত পৰিৱৰ্তন হ'লেহে উন্নতি কৰিব পাৰি। নহ'লে সময়তকৈ বহুগুণে পিছত থাকিব লাগিব। যাৰ পৰিণাম হয়তো হ'ব পাৰে অধিক ভয়ংকৰ নহ'লে সন্মুখীন হ'ব লাগিব এক অস্বাভাৱিক আৰু অনুন্নত পৰিৱেশৰ। এই সকলোবোৰৰ উপৰিও এটা কথা মন কৰা উচিত যে বৰ্তমান আমাৰ এই সমাজৰ বিৱৰ্তন হৈছে নে তাতকৈ বহুগুণে বেছি।

আভিধানিক অৰ্থত বিৱৰ্তন মানে হৈছে ক্ৰমবিকাশ। যাক আমি সহজ ভাষাত অলপ অলপকৈ অথবা এটা স্তৰৰ পিছত আনটো স্তৰৰ বিকাশ হোৱা বুলি ক'ব পাৰোঁ। যি বিকাশ ক্ৰমবৰ্ধমানভাৱে হয়, সেই বিকাশকে বিৱৰ্তন বুলি কোৱা হয়। যান্ত্ৰিক যুগত বিৱৰ্তনৰ দৰে শব্দৰ কোনো অৰ্থ বা মূল নাই যদিও ইয়াৰ প্ৰভুত্ব মানৱ জীৱনতে অধিক। ইয়াক প্ৰমাণ কৰিবলৈ কোনো উদাহৰণৰ প্ৰয়োজন নাই। কাৰণ, এই কথা সমস্ত মানৱ জাতিয়ে বিশ্বাস কৰে যে বান্দৰৰ বিৱৰ্তন হৈহে মানুহৰ সৃষ্টি হৈছে। ঠিক যিদৰে মানুহৰ ক্ৰমবিকাশ ঘটিছে, সেইদৰে আমাৰ সভ্যতা, সংস্কৃতি পৰম্পৰা আৰু লোকবিশ্বাসবোৰো বিৱৰ্তন ঘটিছে।

মধ্যযুগলৈকে অসমীয়া সমাজ ব্যৱস্থাৰ সঠিক প্ৰক্ৰিয়াৰে বিৱৰ্তন হৈ আছিল। কিন্তু আধুনিক যুগত প্ৰৱেশ কৰাৰ লগে লগে এই বিৱৰ্তন প্ৰক্ৰিয়াই অন্য এক ৰূপ ল'লে। মানুহে বিৱৰ্তন শব্দৰ অৰ্থই যেন সলনি কৰি পেলালে। আধুনিকতাই আমাৰ সমাজ ব্যৱস্থাক এনেদৰে গ্ৰাস কৰি পেলালে যে অসমখন বিশ্বৰ ভিতৰত দহখন ভ্ৰষ্টাচাৰী ৰাজ্যৰ এখন ৰূপে স্বীকৃত হ'ল। অসমক শান্তিময় প্ৰকৃতিৰ ৰাজ্য বুলি কোৱা হয়। কিন্তু বৰ্তমানে বেছিভাগ অশান্তি যেন ইয়াতেই সৃষ্টি হৈছে। সভ্যতা সংস্কৃতি তথা পৰম্পৰাপূৰ্ণ এই ৰাজ্যখনৰ যেন লাহে লাহে ইয়াৰ বৈশিষ্টসমূহ লোপ পাবলৈ ধৰিছে। লক্ষ্মীনাথ বেজবৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভাৰ পৰা আৰম্ভ কৰি নলিনীবালা দেৱী, সুগন্ধি পখিলাৰ কবি হীৰেণ ভট্টাচাৰ্য, মামণি ৰয়ছম গোস্বামীৰ দৰে সাহিত্যিক-কবিসকলে নিজ সৃষ্টিৰ দ্বাৰা বিশ্ব দৰবাৰত অসমৰ এক অনন্য পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। কিন্তু আমি নিজেই ধ্বংস কৰিছো এই সন্মানীয় চিনাকী তথা পৰিচয়ক। আমাৰ দুৰ্বল কৰ্ম আৰু অভাৱযুক্ত চিন্তা-ধাৰাৰ দ্বাৰা।

আধুনিক মানসিকতাই আমাৰ মনত এনেদৰে শিপাইছে যে ভাল আৰু বেয়াৰ তুলনা কৰাও যেন কষ্টসাধ্য হৈ পৰিছে। আমি বিভোৰ হৈ পৰিছোঁ এক অলৌকিক কল্পনাৰ জগতত; য'ত বাস্তৱতাৰ বাবে ঠাই নাই, ঠাই নাই সত্য আৰু শান্তিৰ বাবে। এই মাদকতাত এনেদৰে বুৰ গৈছে যে জীৱনক বিলাসিতাপূৰ্ণ কৰিবলৈ মানুহে মানসিক শান্তি হেৰুৱাই পেলাইছে। অন্যায়-অত্যাচাৰ বৃদ্ধি পোৱাৰ পিছতো তাক ৰোধ কৰা সলনি চকু মুদা কুলিৰ ভাও ধৰি বহি আছোঁ। এতিয়া অসমত এনে এক পৰিস্থিতিৰ সৃষ্টি হৈছে যে ইজনে সিজনক হত্যা কৰিবলৈও কুণ্ঠাবোধ নকৰা হৈছে। এনে অৱস্থাত আমি কিদৰে অসমীয়া সমাজৰ বিৱৰ্তন হৈছে বুলি ক'ব পাৰিম।

উন্নত চিন্তা-ভাৱনা, ভাৱ-ধাৰাই মানৱ জাতিক উন্নতিৰ জখলাত উপনীত হোৱাত সহায় কৰিছে। কিন্তু এই উন্নতিৰ মূল্য ক্ষন্তেকীয়া। ইয়াৰ বাবে আমি ত্যাগ কৰিছোঁ নিজ পৰম্পৰা, সাহিত্য-সংস্কৃতি আৰু সমাজ আৰু পৰিয়ালবৰ্গ আৰু নিজৰ

প্ৰিয়ভাজনক। সমাজত নিজৰ উচ্চ আকাংক্ষা পূৰ্ণ কৰিবৰ বাবে প্ৰায়ভাগ লোকে ত্যাগ কৰিছে জীৱনৰ কিছু মধুৰ আৰু স্মৃতি বিজড়িত কিছু মূহুৰ্ত। এয়া হয়তো উন্নত দেশবিলাকৰ ক্ষেত্ৰত অধিক প্ৰযোজ্য। কিয়নো আমাৰ দৰে উন্নয়ন শীল দেশত থকা লোকসকলে নিজ উচ্চ আকাংক্ষা আৰু ইচ্ছা পূৰণৰ অৰ্থে দুষ্কৰ্মৰ সহায় লয়। যাৰ প্ৰৱণতা অসমত অধিক বুলি ক'ব পাৰি। এই উন্নতিৰ ধাৰণাই আমাৰ সমাজত যে এক বিপৰীত প্ৰভাৱ পেলাইছে, সেয়া সহজেই অনুমেয়। কিয়নো অসমত থকা লোকসকলে নিজৰ উন্নতি অথবা হিতাৰ্থে কিবা কৰিলে ।তাৰ পৰিৱৰ্তে সমাজৰ দহজন লোকৰ অনিষ্ট সাধন কৰে। দুখীয়া নিৰ্বলী সকলৰ প্ৰাপ্যখিনি কাঢ়ি লৈ নিজৰ হিত সাধন কৰে। তেনেস্থলত অসমীয়া সমাজৰ বাবে ক্ৰমবিকাশৰ ধাৰণা কিমান প্ৰযোজ্য।

আমি নিজৰ সভ্যতা সংস্কৃতি, কৃষ্টি পৰম্পৰা আদি ত্যাগ কৰাৰ কথা ইতিমধ্যেই উল্লেখ কৰা হৈছে। ইয়াৰ সত্যতা প্ৰমাণ কৰিবৰ বাবে আমাৰ বহুল আলোচনা অথবা সভা-সমিতিৰ প্ৰয়োজন নাই। যদি প্ৰয়োজন আছে তেন্তে সেয়া হ'ল শিষ্টাচাৰ, সদাচাৰ আৰু নিজ ৰাজ্য আৰু জাতিৰ প্ৰতি সন্মান। আজিকালি যিকোনো এটা বাতৰি চেনেল খুলিলেই দেখা যায় অসম আৰু অসমীয়াৰ দুৰৱস্থাৰ কাহিনী বৰ্ণনা কৰা হয় অসমৰ বিভিন্ন সমস্যাসমূহ। কিন্তু কল্পনাৰ সহায় লোৱা এই লোকসকলে ক'ব নোখোজে সমস্যা উদ্ভৱ হোৱা কাৰণৰ বিষয়ে ক'ব নোখোজে নিজ দুৰ্বলতা আৰু অসামৰ্থ্যৰ বিষয়ে। আজিকালি প্ৰতিজন অসমীয়াই লুকুৱাব খোজে নিজৰ অসাৰ্থকতা। কাৰণ তেওঁলোকে হয়তো জানে তেওঁলোকৰ অসচেতনতাৰ বাবে এনে সমস্যাসমূহ উদ্ভৱ হৈছে। যাৰ সুযোগ লৈছে বহিঃ ৰাজ্য অথবা বহিঃদেশৰ লোকসকলে।

আমাৰ অকৰ্মণীয় স্বভাৱৰ বাবেই আজি বাহিৰৰ লোকসকল আহি আমাৰ সন্মুখতে আমাৰ ৰাজ্যত থিতাপি লৈছে আৰু গঢ়ি তুলিছে অসংখ্য ব্যৱসায় প্ৰতিষ্ঠান, বিভিন্ন ধৰণৰ সংগঠন, অনুষ্ঠান আদি। এই ক্ষেত্ৰত দেখা যায় সদাচাৰ, নিজ ৰাজ্য আৰু জাতিৰ প্ৰতি সন্মানৰ অভাৱ। আমাৰ সন্মুখত তেওঁলোকে যেতিয়া থিতাপি লয়, তেতিয়া আমি মনে মনে থাকোঁ আৰু কোনো পদক্ষেপ গ্ৰহণ নকৰো। অথচ কোনোবাই যদি সোঁৱৰাই দিয়ে উক্ত বিষয়ৰ কথা, তেন্তে আমি আন্দোলন কৰোঁ, পথ অৱৰোধ কৰি নিজৰ লগতে আনৰ সময় ক্ষতি কৰাৰ লগতে কৰ্মতো ব্যাঘাত জন্মাও।

ভল্টেয়াৰে কৈছিল, ''নিজকেই জ্ঞানী বুলি ভবাজনেই আটাইতকৈ মূৰ্খ।'' আমাৰ অসমীয়া সমাজত এইষাৰ কথা বাৰুকৈয়ে খাটে। অসমীয়াসকলে নিজকে জ্ঞানী বুলি ভাবি লৈ বাৰে বাৰে একেই ভুল কৰে। একাদশ শতিকাত অসমীয়াসকলে নিজৰ চিন্তা ধাৰা উন্নত হৈছে বুলি ভাবি নিজৰ কলা-কৃষ্টি পৰম্পৰা সলনি কৰিব বিচাৰে। তেওঁলোকে ভাবে অসমীয়া সমাজৰ পৌৰাণিক নীতি-নিয়ম অৰ্থহীন। এতিয়া শিক্ষিত সমাজে ভাবে যে আগৰ পৰম্পৰা, কৃষ্টি-সংস্কৃতি সকলোবোৰ মিছা, তেওঁলোকৰ জীৱনত ইয়াৰ কোনো মূল্য নাই।

এই যুগৰ শিক্ষাৰ্থী হিচাপে মই এটা কথা বিশ্বাস কৰোঁ যে অন্ধবিশ্বাসবোৰে সমাজৰ ভেটি নষ্ট কৰে। গতিকে এই অন্ধবিশ্বাসসমূহ সম্পূৰ্ণৰূপে সমাজৰ পৰা উৎখাত কৰিব লাগে। কিন্তু যিবিলাক নীতি-ৰীতি, কৃষ্টিয়ে অসমীয়া সমাজৰ ঐতিহ্য বজাই ৰাখে আৰু আমাৰ অমূল্য পৰম্পৰাসমূহ অক্ষুণ্ণ ৰাখে সেই ৰীতি-নীতি আমিও মানি চলা উচিত। সময়ৰ সৈতে সংগতি ৰাখি চলিবলৈ গৈ আমি আমাৰ খাদ্য পৰম্পৰা, সাজ-পোছাক আদিত সাল-সলনি কৰিছোঁ। বৰ্তমান সমাজত আমি বিহুতকৈ বেছি পূজা, নৱবৰ্ষৰ পাৰ্টি, ভেলেণ্টাইন ডে' আদিত অধিক গুৰুত্ব আৰোপ কৰিছোঁ। এইটো এটা ভাল কথা যে আমি প্ৰত্যেক সমাজৰে কলা-সংস্কৃতি আপোন কৰি তাক উদযাপন কৰিছো,যাৰ বাবে অন্য দেশ তথা ৰাজ্যৰ লগত আমাৰ সম্বন্ধ অধিক সুদৃঢ় -সুগাঢ় হৈ পৰিছে। যিয়ে আমাৰ অৰ্থনৈতিক পৰিৱেশৰ লগতে ৰাজনৈতিক পৰিৱেশৰো পৰিৱৰ্তন সাধন কৰিছে। ইয়াত দুখলগা বিষয় এইটোৱে যে আমি বাহ্যিক পৰিৱেশৰ কলা-কৃষ্টি আপোন কৰি ভাল গুণবোৰ আয়ত্ত কৰাতকৈ বেয়া গুণবোৰ অধিক পৰিমাণে আয়ত্ত কৰিছোঁ। যেনে অধিক পৰিমাণে মদ্যপান কৰা, অশালীন ব্যৱহাৰ কৰা, উজ্ঞ্ঝালি কৰা আদি।

বাহ্যিক কৃষ্টি-সংস্কৃতি ভাল বুলি কৈ নিজৰ দেশ তথা ৰাজ্যৰ কলা-সংস্কৃতি পুৰণিকলীয়া আৰু অনাড়ম্বৰপূৰ্ণ বুলি কোৱাটো এতিয়াৰ নৱ প্ৰজন্মৰ (কিছুমানৰ) এক অভ্যাসলৈ পৰিণত হৈছে। তেওঁলোকে কেৱল নিজৰ কলা-সংস্কৃতিৰে নহয় নিজৰো যে অপমান কৰিছে সেই কথা ভাবিবলৈ সমৰ্থয়েই হোৱা নাই। যুৱক-যুৱতীসকলে অধিক মদ্যপান কৰি নিশা ৰাস্তাত উজ্ঞ্ঝালি কৰাটো যেন এক পৰম্পৰাত পৰিণত হৈছে। মদ্যপান কৰি গাড়ী চলাই পথ দুৰ্ঘটনা সংঘটিত কৰাতো কোনো নতুন কথা নহয়। মহিলাক অশালীন ব্যৱহাৰ কৰা, অন্যায় অত্যাচাৰ কৰা আদি আমাৰ সমাজত প্ৰতিদিনেই সংঘটিত হৈ থাকে। হত্যা,হিংসা, লুণ্ঠন, বলাৎকাৰ আদি বৰ্তমান অসমীয়া সমাজৰ যেন নতুন চিনাকী। আমাৰ সমাজত পুৰুষৰ সমানেই মহিলাকো বৰ্তমানেই বহুখিনি সা-সুবিধা দিয়া হৈছে। যদিও কিছু মানসিক ভাৱে পিছপৰা লোকে মহিলাৰ সাজ-পাৰক লৈ অশ্লীল মন্তব্য কৰাৰ লগতে

মানসিকভাৱে মহিলাগৰাকীক নিৰ্যাতন চলায়। তেওঁলোকে ভাৱে যে মহিলা সদায়ে পুৰুষৰ পদতলত থাকিব লাগে। মহিলাসকলে উন্নতিৰ জখলাত বগুৱা মানে ভৰিৰ জোতা নি মূৰত পিন্ধাৰ সমান বুলি কিছু পুৰুষে মন্তব্য দিয়ে। এনে ক্ষেত্ৰত অসমীয়া সমাজত মহিলাৰ সন্মান সুৰক্ষিত বুলি ভাবিব পাৰিনে? কোনো বিখ্যাত লোকে কৈছিল যে – এখন সমাজ কিমান উন্নত বা মানসিকভাৱে সুদৃঢ়, তাক জনা যায়, সেই সমাজত উদযাপিত কোনো অনুষ্ঠানত থকা মহিলা আৰু শিশুসকলৰ দ্বাৰা। কিয়নো মহিলা আৰু শিশুৱেই হ'ল এখন সমাজৰ অস্তিত্ব। গতিকে, আমি নিজৰ চিন্তা-ধাৰা আৰু মানসিকতা সলনি কৰাৰ সময় আহি পৰিছে। যি প্ৰক্ৰিয়াই আমাৰ সমাজখনক উন্নত হোৱাত অৰিহণা যোগাব।

আমাৰ সমাজত এতিয়াও এনে কিছুমান লোক আছে যি শিক্ষিত হৈও অশিক্ষিত, তেওঁলোকৰ আচাৰ-ব্যৱহাৰ অমাৰ্জিত, অন্ধবিশ্বাসী ধাৰণা আৰু অনুন্নত চিন্তা-ধাৰা। এইবোৰৰ বাবেই হয়তো বৰ্তমান সমাজত বিৱৰ্তনৰ কোনো কাৰ্য পৰিলক্ষিত হোৱা নাই। তাৰ পৰিৱৰ্তে পৰিলক্ষিত হৈছে এক অদ্ভুত তথা কদৰ্যময় পৰিৱেশৰ। সমাজৰ এই অপৰিকল্পিত পৰিৱেশ দেখিয়েই হয়তো জ্যোতিপ্ৰসাদ আগৰৱালাই কৈছিল, ''প্ৰলয় হ'ব হওঁক। প্ৰলয়ৰ আৱশ্যক হৈছে। শতাব্দী ধৰি গোট খাই থকা সমাজৰ আৱৰ্জনা ধুই সমাজক নিৰ্মল আৰু পবিত্ৰ কৰিবলৈ এক প্ৰলয়ৰ আৱশ্যক হৈছে। তেন্তে সেই প্ৰলয়ক আজি আহ্বান কৰিছোঁ। মোৰ জীৱনলৈ, সমাজ জীৱনলৈ মই প্ৰলয়ক আমন্ত্ৰণ কৰি আনিম।''

জ্যোতিপ্ৰসাদ আগৰৱালাৰ এই কথাষাৰৰ যোগেদি আমি আমাৰ সামাজিক পৰিৱেশৰ এক সম্যক জ্ঞান লাভ কৰিব পাৰোঁ। যিয়ে আমাক আমাৰ সমাজ তথা জাতীয় জীৱনৰ প্ৰতি সজাগ আৰু সচেতন হ'বলৈ শিকায়। নিজৰ সমাজখনক দুৰ্নীতিমুক্ত কৰি ৰাখিবৰ বাবে উদগনি দিয়ে।

ইয়াতে এটা কথা মন কৰিবলগীয়া যে বৰ্তমান আমাৰ সমাজৰ প্ৰায়ভাগ লোকেই নিজ ৰাজ্য আৰু সাহিত্য সংস্কৃতিৰ বিষয়ে নাজানে। ইয়াৰ কাৰণে আমি কাক জগৰীয়া কৰা উচিত। আমি ভাবিবলৈ বাধ্য হ'ব লাগিব যে আমি সৃষ্টি কৰা পৰিৱেশেই এই অজ্ঞানৰ মূল কাৰণ। এই ক্ষেত্ৰত আমি ''মাও জে ডং''ৰ এইষাৰ কথা সাৱোগত কৰা উচিত – ''মানুহৰ চিন্তা আৰু ধাৰণাবোৰ ক'ৰ পৰা আহে? সেইবোৰ আকাশৰ পৰা সৰি পৰে নেকি? নপৰে। সেইবোৰ মানুহৰ মনতেই জন্মৰ লগে লগে নিহিত হৈ আছে নেকি? নাহে। সেইবোৰ আহে সামাজিক প্ৰয়োগ বা অনুশীলনৰ পৰা।''

আমি আমাৰ সমাজত সংঘটিত হৈ থকা ঘটনাবোৰক আলোকপাত হিচাপে লৈ বিভিন্ন ধৰণৰ সভা অনুষ্ঠিত কৰোঁ। কিন্তু তাৰ পৰিণাম একো নাপাওঁ। কোনো এক স্থিৰ সিদ্ধান্তত উপনীত হ'ব নোৱাৰি, মূৰ পোলোকা দিয়ে। ঠিক তেনেদৰেই অসমীয়া সমাজৰ সমস্যা, ৰীতি-নীতি, ভাষা-সাহিত্যক লৈ অসমৰ বিশিষ্ট বুদ্ধিজীৱি, সাহিত্যিক তথা কবিসকল অভিৱৰ্তন মিলিত হয়। কিন্তু তাৰ পৰিণাম যেন এপাচি শাকত এটা জালুক। কোনো সিদ্ধান্তত উপনীত হ'ব নোৱাৰি তেওঁলোকে তাৰ ওপৰত (বিষয়টোৰ ওপৰত) আলোচনা নকৰা হয়। এতিয়া আমি নিজকে প্ৰশ্ন কৰা উচিত যে সচাকৈয়ে আমি অসমীয়ানে? কিয়নো আমি আজি পৰ্যন্ত নিজ ভাষাটোক শুদ্ধকৈ শিকিব পৰা নাই আৰু আনৰ ভাষা আঁকোৱালি লৈ সেই ভাষাত বিভিন্ন বিষয়ৰ ওপৰত বাৰ্তালাপ কৰোঁ। এয়া কিমান প্ৰযোজ্য।

আমি নিজকে প্ৰশ্ন কৰা উচিত যে আমি শঙ্কৰ-মাধৱ, জ্যোতি-বিষ্ণুৰ ৰাজ্যক তেওঁলোকৰ পোহৰেৰে আলোকিত কৰিছোঁনে? আমি নিজা পৰিচয় অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছোঁনে? বৰ্তমান অসমীয়া সমাজৰ বিৱৰ্তন হৈছেনে আমাৰ কৰ্মই ইয়াৰ দিশ অন্যফালে নিছে?

যদি আমাক সুস্থ-সবল বিকশিত অসম লাগে, তেন্তে নিজৰ মানসিক চিন্তা ধাৰা এক নতুন প্ৰক্ৰিয়াৰে আৰম্ভ কৰিব লাগিব। নিজৰ সভ্যতা-সংস্কৃতি সন্মান কৰিব লাগিব আৰু সুগম কৰিব লাগিব অসমীয়া সমাজৰ বিৱৰ্তনৰ পথ।

বাৰুকৈয়ে উপলব্ধি কৰিব লাগিব বিষ্ণুপ্ৰসাদ ৰাভাৰ মহৎ বাণী –

অসমক মৰিবলৈ নিদিওঁ, অসমক জীৰ্ণ যাবলৈ নিদিওঁ, অসমৰ কলা-সংস্কৃতিক লুপ্ত হ'বলৈ নিদিওঁ।''

''জই আই অসম'' ■



# নৱ-প্ৰজন্ম শিক্ষানুষ্ঠান আৰু সমাজ ব্যৱস্থা



নিলোৎপল শইকীয়া
উঃ মাঃ ২য় বৰ্ষ, বিজ্ঞান শাখা





জন্মই জীৱনৰ আৰম্ভণি আৰু মৃত্যুৱেই জীৱনৰ সমাপ্তি। যথাৰ্থতে ইয়াৰ মাজৰ সময়খিনিয়েই আমাৰ জীৱন। এই সময়খিনিক আমি কেনেদৰে ব্যৱহাৰ কৰিছোঁ তাৰ ওপৰতেই নিৰ্ভৰ কৰে জীৱনৰ সাৰ্থকতা। অধ্যয়ন আৰু অনুশীলনে জীৱনৰ বিশালতা আৰু সুন্দৰতাক গভীৰ ভাৱে উপলব্ধি কৰিবলৈ অৱকাশ দিয়ে। জ্ঞান আৰু প্ৰজ্ঞাৰ সাধনাৰে জীৱনৰ গতিপথ সমৃদ্ধ কৰে। সেইদৰে নৈতিক আৰু আধ্যাত্মিক দৰ্শনে জীৱনবোধ মহৎ কৰে। সেয়ে জীৱনৰ বাটত সময় আটাইতকৈ মূল্যৱান সম্পদ। দৰাচলতে সময়ে কাক ক'লৈ কি ৰূপত লৈ যায় সেয়া কোনেও দৃঢ়তাৰে ক'ব নোৱাৰে।

বৰ্তমান সময়ত আমাৰ সমাজ ব্যৱস্থাত ঘূণে ধৰিছে। আমি মানুহবোৰ আত্মকেন্দ্ৰিক হৈ পৰিছোঁ, ব্যক্তিগত স্বাৰ্থ পূৰণৰ লালসাই আমাক স্বাৰ্থপৰ আৰু অসামাজিক কৰি তুলিছে। আমি উন্নতিৰ পথত আগুৱাইছো হয় বাহ্যিক ভাৱেহে আভ্যন্তৰিণ ভাৱে কিন্তু আমি উন্নতিৰ জখলাডালকে দেখা পোৱা নাই। দাৰ্শনিক ৰাছেলে কৈছিল ''যদি পৃথিৱীৰ সকলো ব্যক্তি ধনীও হয় দৰিদ্ৰতা আৰু বেমাৰ আজাৰ নোহোৱা হয়, তথাপি এখন মূল্যবান সমাজ গঠনৰ কাৰণে বহু কিবাকিবি কৰিবলগীয়া থাকি যাব।'' সমাজত এচাম ধনী আৰু ক্ষমতাশালী ব্যক্তিয়ে নিজৰ স্বাৰ্থৰ কাৰণে সামান্য সামাজিক দায়বদ্ধতাৰো পৰিচয় দিব নোখোজে। তথাকথিত, এই শ্ৰেণীৰ ব্যক্তিয়ে নিজৰ স্বাৰ্থৰ কাৰণে যিকোনো স্তৰলৈ নামি যাব পাৰে। তেওঁলোকে সামাজিক দায়ৱদ্ধতাক পৰিসৰ কৰি যিকোনো মূল্যৰ বিনিময়তে নিজৰ তথা পৰিয়ালৰ হাতত পৃথিৱীৰ সমস্ত সুখ তুলি দিব বিচাৰে। কিন্তু তেওঁলোকে কেতিয়াবা ভাবি পাইছেনে যে সমাজৰ নিম্নস্তৰৰ অনেক দৰিদ্ৰ লোকে কেনেকৈ জীয়াই আছে। এচামে ক'লা টকাৰ বিলাসিতাত উটি ভাহি ফুৰিছে, আন এচামে জীয়াই থকাৰ সামান্য সুবিধাকণৰ পৰাও বঞ্চিত।

সম্প্ৰতি প্ৰকৃত মূল্যবোধৰ শিক্ষাৰ অভাৱত আমাৰ সমাজ ব্যৱস্থাৰ সৰ্বদিশতে বিপৰ্যয় নামিছে। অপসংস্কৃতিৰ নাগপাশত বন্দি হৈ পৰিছে। আমাৰ সাতামপুৰুষীয়া সভ্যতা সংস্কৃতি পৰম্পৰা। এইখিনিতে এটা

কথা মন কৰিবলগীয়া। এখন শিক্ষানুষ্ঠানৰ মূল লক্ষ্য হ'ল সকলো ফালৰ পৰা উপযুক্ত শিক্ষা ব্যৱস্থাৰে এজন প্ৰকৃত মানৱ সম্পদৰ সৃষ্টি আৰু বিকাশ ঘটোৱা। প্ৰকৃত মানৱ সম্পদৰ বিকাশ নঘটিলে জাতিটোৰ সামগ্ৰিক সত্বাৰ সমৃদ্ধি আশা কৰিব নোৱাৰি। এইক্ষেত্ৰত আমাৰ শিক্ষানুষ্ঠান সমূহে প্ৰকৃত মানৱ সম্পদৰ সৃষ্টিত কিমান দূৰ সফল হৈছে সেয়া মন কৰিবলগীয়া। প্ৰকৃতিয়ে পৃথিৱীক সকলো সম্পদ দিয়াৰ পাছতো সঠিক মানৱ সম্পদৰ সন্ধানত ইফালৰ পৰা সিফালে দৌৰি ফুৰিব লগা হৈছে। আমি যান্ত্ৰিকতাৰ পাছত দৌৰি দৌৰি আমাৰ সামাজিক দায়বদ্ধতাক হেৰুৱাই পেলাইছোঁ। এটা কথা অস্বীকাৰ কৰিলে ভুল হ'ব যে নৈতিক আৰু আধ্যাত্মিক জ্ঞানৰ আধাৰত শিক্ষাৰ্থীৰ শিক্ষাৰ ভেটি গঢ়ি তুলিব পাৰিলেহে দেশ জাতিৰ ভৱিষ্যতৰ বাবে আমি ভৱিষ্যতৰ সম্পদ তৈয়াৰ কৰিব পাৰিম। ''ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে কৈছিল – শিক্ষা কেৱল জীৱিকা উপাৰ্জনৰ উপায় নহয়। ই মাথোন জ্ঞান আহৰণ বা নাগৰিক গঢ়া ব্যৱস্থাও নহয়। ই আধ্যাত্মিক জীৱনৰ আৰম্ভণি। সত্য অনুসৰণ কৰা বা সাধু জীৱন যাপনৰ বাবে মনৰ আত্মাৰ প্ৰশিক্ষণ।'' কিন্তু আমি এইখিনিতে অভিভাৱকসকলৰ কথা উল্লেখ নকৰিলে ভুল হ'ব। কাৰণ সমাজখন সুন্দৰ আৰু সাধাৰণভাৱে আগবঢ়াই নিবলৈ যাওঁতে অভিভাৱকসকলৰ দায়বদ্ধতাই নিৰ্ণায়ক ভূমিকা পালন কৰে। অনেক সময়ত দেখা যায় যে বহু অভিভাৱকে নিজৰ সন্তানৰ অধঃপতনৰ সম্পৰ্কে সচেতন নহয়। এনেকুৱা অভিভাৱকো আমাৰ সমাজত আছে যি নিজৰ সন্তানৰ অধঃপতন চকুৰ আগত দেখিও বিশেষ একো কৰিব নোৱাৰি অসহায় দৰ্শকৰ ভূমিকা পালন কৰে। কাৰণ তেওঁ নিজেই অসামাজিক কৰ্মৰ সৈতে জড়িত। নিজৰ সন্তানে কি কৰিছে, কি নাই কৰা এইবোৰ খবৰ কিমান গৰাকী অভিভাৱকে ৰাখে। কোনবোৰ ভাল, কোনবোৰ বেয়া সেই সম্পৰ্কে যদি অভিভাৱকেই চিনাকি কৰি নিদিয়ে, তেন্তে সন্তান লক্ষ্যভ্ৰষ্ট হ'লে তাৰ দায়িত্বও অভিভাৱকে ল'ব লাগিব। কাৰণ এই শ্ৰেণীৰ অভিভাৱকৰ সন্তানে যেতিয়া সামাজিক বাতাবৰণ কলুষিত কৰে, উশৃঙ্খল হয়, অনৈতিক কাম কাজ কৰে তেনে পৰিস্থিতিৰ কাৰণে আমি কাক জগৰীয়া কৰিম। মোৰ বোধেৰে নতুন প্ৰজন্মক জগৰীয়া কৰাৰ আগতে তেওঁলোক প্ৰকৃততে কাৰ সন্তান সেইকথা বিচাৰ কৰি চোৱাৰ প্ৰয়োজন আহি পৰিছে। দৰাচলতে মানৱীয় মূল্যবোধৰ অৱক্ষয়, সন্তানৰ প্ৰতি পিতৃ–মাতৃৰ দায়িত্ববোধৰ অভাৱ, অনুশাসনহীনতা পিতৃ মাতৃয়ে সন্তানক দিয়া অবাধ স্বাধীনতা এইবোৰেও নতুন প্ৰজন্মক বিপথগামীতাত গুৰুত্বপূৰ্ণ অৰিহণা যোগায়।

সময় সলনি হৈছে, সমাজ পৰিৱৰ্তন হৈছে। এই সত্যবোৰ মানি ল'বই লাগিব। কিন্তু সেই বুলিয়েই জানো আমি আমাৰ মূল্যবোধক জলাঞ্জলি দিলে হ'ব। আজিৰ সমাজত চাৰিওফালে অশান্তি দুৰ্নীতি লুণ্ঠন আদি অবাঞ্চিত পৰিৱেশৰ প্ৰাদুৰ্ভাৱ বাঢ়িছে। সকলোৱে নিজ নিজ স্বাৰ্থৰ পাছত দৌৰৰ প্ৰতিযোগিতা পাতিছে। ইয়াৰ কাৰণো নিশ্চয় নৈতিক আৰু আধ্যাত্মিক শিক্ষাৰ অভাৱ বুলিয়েই ক'ব লাগিব। গতিকে সময়ৰ লগতে সমাজৰ যিমানেই উন্নতি বা পৰিৱৰ্তন নহওক কিয় নৈতিক আৰু আধ্যাত্মিক শিক্ষাৰ গভীৰ উপলব্ধিৰ প্ৰাসংগিকতা চিৰ প্ৰবাহমান।■



The energy of the mind is the essence of life."
– Aristotle

DIGBOI COLLEGE LIBRARY Estd. : 1965



# অসমীয়া সাহিত্য সংস্কৃতি আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ

অজয় আচাৰ্য্য
স্নাতক পঞ্চম ষাণ্মাষিক, অসমীয়া বিভাগ

পৃথিৱীত যেতিয়াই ধৰ্মৰ গ্লানি হয় আৰু অধৰ্মই প্ৰাধান্যতা লাভ কৰে তেনে সন্ধিক্ষণত স্থান-কাল-পাত্ৰ ভেদে একো একোজন মহাপুৰুষৰ আৱিৰ্ভাৱ হয়। পঞ্চদশ শতিকাৰ সময়ছোৱাত অসমৰ আকাশে বতাহে ধৰ্মৰ পৰিৱৰ্তে অধৰ্মই খোপনি পুতিছিল। অসমৰ সমাজ সংস্কৃতি, ভাষা-সাহিত্য আদি সকলো ক্ষেত্ৰতে আন্ধাৰ নামি আহিছিল। ঋষি মুনিয়ে লিখি থৈ যোৱা বেদ উপনিষদৰ সাৰগৰ্ভ তত্ত্ব আৰু উপদেশবানী মানুহে পাহৰি পেলাইছিল, দেৱ-দেৱীৰ পূজাৰ নামত মানুহে বলি বিধান প্ৰথাৰ সূত্ৰপাত ঘটাইছিল, ভক্তিৰ নামত বহু ঈশ্বৰবাদী প্ৰথাই সমাজত বিশৃংখলতাৰ সৃষ্টি কৰিছিল। নিজৰ সুখ কণৰ বাবে সমাজ যেতিয়া দুৰ্নীতি, অনাচাৰ, ব্যভিচাৰ আদিত লিপ্ত হৈছিল তেনে সন্ধিক্ষণত ১৩৭১ শক (ইং ১৪৪৯ খ্ৰী.)ত বৰদোৱাৰ আলী পুখুৰীত কুসুম্বৰ ভূঞাৰ ঔৰসত আৰু সত্যসন্ধাৰ গৰ্ভত মহাপুৰুষ শংকৰদেৱে জন্ম ধাৰণ কৰে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে তেওঁৰ জীৱনৰ সৰ্বস্ব কাল অসমৰ ভাষা, সাহিত্য, সংস্কৃতি আৰু সমাজ সংস্কাৰৰ উদ্দেশ্যত দেহে কেহে খাটিছিল। তেখেত মূলতঃ অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ পূজাৰী আছিল। তেখেতে অসমৰ সমসাময়িক সমাজখনত প্ৰচলিত অধৰ্ম আচাৰ-ব্যৱহাৰ নাশ কৰিবলৈ যাওতে বিষ্ণু বা কৃষ্ণভক্তি প্ৰকাশক নানা গীত, নাট, কাব্য আদি ৰচনা কৰিছিল। অৱশ্যে তেওঁৰ সাহিত্যিক প্ৰতিভা ল'ৰালি কালতেই অংকুৰিত হৈছিল, এনেদৰে -

> "কৰতল কমল কমল দল নয়ন
> ভৱদৱ দহন গহন বন শয়ন।"

এনেধৰণৰ সুন্দৰ কাব্য প্ৰতিভাৰ জৰিয়তে ল'ৰালি কালতেই তেওঁৰ ভৱিষ্যত জীৱনৰ বহুমুখী প্ৰতিভাৰ উমান পোৱা গৈছিল। তেওঁ নামঘৰ সত্ৰ আদি প্ৰতিষ্ঠাৰে অসমীয়া সাংস্কৃতিক জীৱনক প্ৰাণৱন্ত কৰিবলৈ পদক্ষেপ লৈছিল। মূলতঃ তেওঁৰ সৃষ্টি আৰু কৰ্মৰাজিক তলত দিয়া ধৰণে দুভাগত ভাগ কৰি আলোচনা কৰিব পাৰি -

(১) অসমীয়া সাহিত্যলৈ মহাপুৰুষ শংকৰদেৱৰ দান

(২) অসমীয়া সংস্কৃতিলৈ মহাপুৰুষ শংকৰদেৱৰ দান

**(১) অসমীয়া সাহিত্যলৈ মহাপুৰুষ শংকৰদেৱৰ দান ঃ**

মহাপুৰুষ শংকৰদেৱৰ সাহিত্যৰাজিয়ে অসমীয়া সাহিত্যৰ ইতিহাসত এক উচ্চ স্থান লাভ কৰিছে। নৱম-দশম শতিকাত কেতবোৰ লিপিত অংকিত কিছুমান সংস্কৃত শব্দ আৰু বৌদ্ধ সহজযানী সিদ্ধসকলৰ বিৰচিত চৰ্যাপদৰ দ্বাৰা আৰম্ভ হোৱা অসমীয়া সাহিত্যৰ লিখিত নিদৰ্শনে শংকৰদেৱৰ দিনতে প্ৰাণৱন্ত ৰূপ পায়। অৱশ্যে এই সময়ত শংকৰদেৱৰ সমসাময়িক বহু কেইজন কবি সাহিত্যিক অসমীয়া সাহিত্য চৰ্চা কৰিছিল।

যদিও শংকৰদেৱৰ সাহিত্য বৈশিষ্টতা আৰু গুণলৈ লক্ষ্য কৰি সেই সময়ছোৱাক অসমীয়া সাহিত্যৰ বুৰঞ্জীত 'শংকৰী যুগ' নামেৰে নামাকৰণ কৰা হৈছে। শংকৰদেৱৰ সাহিত্যৰাজিৰ ভিতৰত 'হৰিশ্চন্দ্ৰ উপাখ্যান' কাব্যপুথি প্ৰথম ৰচনা, 'পত্নীপ্ৰসাদ' নাটক শ্ৰেষ্ঠ ৰচনা আৰু 'ৰামবিজয়' নাটকক শেষ ৰচনা বুলি আখ্যা দিয়া হৈছে। শংকৰদেৱে অসমীয়া সাহিত্যৰ কাব্য, নাটক, ভক্তিমূলক ৰচনা, অনুবাদমূলক ৰচনা, গীত ৰচনা, নাম প্ৰসংগমূলক ৰচনা আদি বহু ক্ষেত্ৰত স্বকীয় অৱদান আগবঢ়াই গৈছে। এই সমূহ সাহিত্যিক অৱদানৰ বিষয়ে তলত চমুকৈ আলোচনা কৰিবলৈ যত্ন কৰা হ'ল।

**(ক) কাব্য ঃ** শংকৰদেৱৰদ্বাৰা ৰচিত কাব্যগ্ৰন্থ সমূহ মুঠতে ৬খন। সেইবোৰ হ'ল – 'হৰিশ্চন্দ্ৰ উপাখ্যান', 'ৰুক্মিণী হৰণ', 'বলিচলন', 'অমৃত মথন', 'অজামিল উপাখ্যান' আৰু 'কুৰুক্ষেত্ৰ'।

শংকৰদেৱৰ আগবয়সৰ ৰচনা 'হৰিশ্চন্দ্ৰ উপাখ্যান' আৰু 'ৰুক্মিণী হৰণ' কাব্যৰ মূল মাৰ্কণ্ডেয় পুৰাণ তথা ভাগৱত পুৰাণ। 'হৰিশ্চন্দ্ৰ উপাখ্যান'ত বিষ্ণুৰ শ্ৰেষ্ঠত্ব প্ৰকাশ পোৱাৰ বিপৰীতে আনখন কাব্য 'ৰুক্মিণী হৰণ'ত ৰুক্মিণী আৰু কৃষ্ণৰ প্ৰণয়াত্মক মিলনৰ কাহিনী প্ৰকাশ পাইছে। 'অজামিল উপাখ্যান' ভাগৱতৰ ষষ্ঠ স্কন্ধৰ প্ৰথম তিনিটা অধ্যায়ৰ বৰ্ণনাৰ ভিত্তিত ৰচিত হৰিৰ নাম মাহাত্ম্য প্ৰকাশক কাব্য। ভাগৱতৰ অষ্টম স্কন্ধৰ ৫ম–১৩শ অধ্যায়ৰ ভেটিত ৰচিত 'অমৃত মথন'ত সজীৱতাৰ প্ৰকাশ লক্ষণীয়। আনহাতে 'বলিছলন' কাব্য ভাগৱতৰ অষ্টম স্কন্ধৰ ভেটিত ৰচিত হ'লেও ৰচনাত পুৰাণৰ প্ৰভাৱ লোৱা দেখা যায়। ভাগৱতৰ দশম স্কন্ধৰ ৮২–৮৫ অধ্যায়ৰ আধাৰত কুৰুক্ষেত্ৰ কাব্য ৰচিত হয়, কাব্যখনত কৃষ্ণ প্ৰমূখ্যে যাদৱসকলৰ কুৰুক্ষেত্ৰলৈ, নন্দ যশোদাৰ সৈতে মিলন তথা বিদায় আদি তাত বৰ্ণিত বিষয় ৰূপে ঠাই পাইছে।

**(খ) ভক্তিমূলক গ্ৰন্থ ঃ** শংকৰদেৱৰ দ্বাৰা ৰচিত ভক্তিমূলক গ্ৰন্থৰ ভিতৰত 'ভক্তিপ্ৰদীপ', 'নিমি নৱ–সিদ্ধ সংবাদ', 'অনাদি পাতন' আৰু 'ভক্তি ৰত্নাকৰ' আদিয়েই প্ৰধান।

'ভক্তিপ্ৰদীপ' গ্ৰন্থখন মহাপুৰুষৰ আগ বয়সৰ ৰচনা। গ্ৰন্থখনত কৃষ্ণ আৰু অৰ্জুনৰ কথোপকোথনৰ মাজেদি ভক্তিৰ তত্ত্বসমূহ প্ৰকাশ পাইছে। 'অনাদি পাতন' গ্ৰন্থখন ৩য় স্কন্ধ ভাগৱত আৰু বামন পুৰাণৰ আধাৰত ৰচিত। এইখন গ্ৰন্থত সৃষ্টিৰ আৰম্ভণি আৰু প্ৰলয়ৰ বৰ্ণনা প্ৰকাশ পাইছে। 'নিমি নৱ–সিদ্ধ সংবাদ' নামৰ আনখন ভক্তিমূলক গ্ৰন্থত নিমি ৰজা আৰু ন জন সিদ্ধৰ কথোপকোথনৰ যোগেদি আধ্যাত্মিক তথা মক্তিমূলক আলোচনা হৈছে।

**(গ) অনুবাদমূলক গ্ৰন্থ ঃ** ভাগৱতৰ ১ম স্কন্ধ, ২য় স্কন্ধ (অজামিল উপাখ্যান), ৮ম স্কন্ধ (বলিচলন, অমৃত মন্থন),১০ স্কন্ধ, ১১শ স্কন্ধ, ১২শ স্কন্ধ, উত্তৰাকাণ্ড ৰামায়ণ আদিয়ে হ'ল শংকৰদেৱৰ অনুবাদমূলক ৰচনা মহাপুৰুষ শংকৰদেৱে ৰচনা কৰা অনুবাদ কৰা অনুবাদ গ্ৰন্থসমূহ সংস্কৃতিৰ পৰা অসমীয়া (ব্ৰজাৱলী) ভাষালৈ অনুদিত।

শংকৰদেৱে 'দশম' আৰু 'উত্তৰাকাণ্ড ৰামায়ণ'অনুবাদত মূল ৰচনাক সম্পূৰ্ণৰূপে অনুসৰণ কৰিছিল। 'দশম' মূলত ভাগৱতৰ ৯০টা অধ্যায়ৰ সমষ্টি কিন্তু শংকৰদেৱে ৪৯ টা অধ্যায়ৰহে অনুবাদ কৰে। গ্ৰন্থখনত শিশু কৃষ্ণলীলা, যশোদাৰ কৃষ্ণৰ প্ৰতি মাতৃতুল্য প্ৰেম আৰু গোপী সৱৰ কৃষ্ণৰ প্ৰতি গভীৰ অনুৰাগ, প্ৰাকৃতিক সৌন্দৰ্যৰ মনোৰম বৰ্ণনা, ভক্তিৰসৰ প্ৰাধান্য আৰু কাব্যিক সৌন্দৰ্যৰ প্ৰকাশ পাইছে। গ্ৰন্থখন শংকৰী যুগৰ অন্যতম শ্ৰেষ্ঠ গ্ৰন্থৰ আসনত বহুৱাবলৈ সক্ষম হৈছে।

ভাগৱতৰ একাদশ আৰু দ্বাদশ স্কন্ধ ভক্তি আৰু দাৰ্শনিক তথ্যৰে পৰিপূৰ্ণ। অৱশ্যে অনুবাদ কৰোঁতে মহাপুৰুষে অসমীয়া পাঠক বা বৈষ্ণৱ গোষ্ঠীৰ উপযোগীকৈহে বৰ্ণনা কৰিছে।

মহাপুৰুষে 'উত্তৰাকাণ্ড ৰামায়ণ'ৰ অনুবাদ প্ৰসংগত সংস্কৃত মূলীয় ৰামায়ণৰ বহু ক্ষেত্ৰত বঢ়া টুটা কৰি মূলৰ সাৰভাগ ৰাখিবলৈ যত্ন কৰিছে। অৱশ্যে এনে বঢ়া টুটা কাৰ্যত নিজা মৌলিক প্ৰতিভাৰে কিছুমান নতুন তথ্যৰো সংযোগ ঘটাইছে। ৰাম–সীতাৰ প্ৰসংগই ৰামায়ণৰ মূল উদ্দেশ্য হ'লেও তেওঁ উত্তৰাকাণ্ড ৰামায়ণত নিজ প্ৰতিভাৰে সীতাৰ নিৰ্যাতন, ৰামৰ অশ্বমেধ যজ্ঞ, লৱ কুশৰ ৰামায়ণৰ গান, সীতাৰ পাতাল প্ৰৱেশ আৰু ৰামৰ স্বৰ্গগমন আদিক নিজ প্ৰতিভাৰে সংযোগ কৰিছে। কিন্তু বিচ্ছেদৰ কাৰুণ্য সুন্দৰভাৱে ফুটাই তুলিছে।

**(ঘ) অংকীয়া নাট ঃ** শংকৰদেৱক অসমীয়া নাট্য সাহিত্যৰ শ্ৰষ্টা আৰু জনক আখ্যা দিয়া হয়। তেখেতে বৈষ্ণৱ ধৰ্মক জনসাধাৰণৰ ওচৰ চপাই অনাৰ উদ্দেশ্যেৰে নাট ৰচনা কৰে। শংকৰদেৱৰ দ্বাৰা ৰচিত নাট দীঘলীয়া বা পূৰ্ণ কাহিনীৰ বাবে ইয়াক যাত্ৰা, অংক, নাট বা অংকীয়া নাট আদি বিভিন্ন নামেৰে জনা যায়। অৱশ্যে শংকৰদেৱৰ নাটসমূহ অংকীয়া নাট নামেৰেই সৰ্বজনৰ মাজত বহুল প্ৰচলিত। মহাপুৰুষে তীৰ্থ ভ্ৰমণ কৰিবলৈ যাওতে মৈথিলী সাহিত্যিক বিদ্যাপতিৰ দ্বাৰা প্ৰভাৱান্বিত হৈ আশ্ৰমলৈ উভতি আহি থলুৱা লোক নাট্যানুষ্ঠান, সংস্কৃত নাটকৰ আদৰ্শ, তীৰ্থ ভ্ৰমণৰ অভিজ্ঞতা আৰু স্বকীয় প্ৰতিভাৰ সমন্বয়ত কৃষ্ণৰ বৈকুণ্ঠ লীলা চিত্ৰপটত আঁকি 'চিহ্নযাত্ৰা' নাটক ৰচনা কৰি কৃষ্ণ মাহাত্ম্য প্ৰকাশৰ প্ৰচেষ্টা চলাইছিল। অৱশ্যে সংলাপহীন হোৱা বাবে চিহ্নযাত্ৰাই প্ৰকৃত নাট্যৰূপ লাভ কৰা নাই।

শংকৰদেৱে 'কালিয় দমন' আৰু 'পত্নীপ্ৰসাদ'ৰ ঘটনা 'ভাগৱত'ৰ দশম স্কন্ধৰ পৰা সংগ্ৰহ কৰিছিল। 'কালিয় দমন'ত বীৰ আৰু অদ্ভুত ৰূপৰ প্ৰয়োগৰ বিপৰীতে পত্নী প্ৰসাদত শান্ত ৰূপৰ প্ৰয়োগ

ঘটিছে। তেখেতৰ 'কেলি গোপাল' নাট ভাগৱত পুৰাণৰ 'ৰাম পাঞ্চাধ্যায়'ৰ আধাৰত ৰচিত, নাটখনত শৃংগাৰ ৰসৰ প্ৰাধান্যতা দেখা যায়। 'ৰুক্মিণী হৰণ' নাটখন ভাগৱত পুৰাণ, হৰিবংশ আৰু বিষ্ণু পুৰাণৰ কাহিনীৰে সমৃদ্ধ। এই নাটত শৃংগাৰ ৰসৰ লগতে বীৰ আৰু হাস্য ৰসৰ উপস্থাপন লক্ষণীয়। 'পাৰিজাত হৰণ' নাট হৰিবংশ আৰু ভাগৱত পুৰাণৰ আধাৰত ৰচিত। এই নাটত নাৰদ, শ্ৰীকৃষ্ণ, সত্যভামা আৰু ৰুক্মিণীৰ চৰিত্ৰ আকৰ্ষণীয় কৰি তুলি ধৰিছে, য'ত হাস্য, করুণ আৰু বীৰ ৰসৰ সমাৱেশ উল্লেখনীয়। 'ৰামবিজয়' নাটৰ মূল হ'ল ৰামায়ণৰ আদিকাণ্ড। এই নাটত তাৰকা, মৰিচ, সুবাহু আদিৰ পৰাজয়, সীতাৰ সয়ম্বৰ আৰু পৰশুৰামৰ দৰ্পচূৰ্ণ চৰিত্ৰই ঘাই বৰ্ণিত বিষয়।

শংকৰদেৱৰ 'পাৰিজাত হৰণ' আৰু 'ৰামবিজয়' নাটৰ বাহিৰে বাকীবোৰত সংলাপৰ মাত্ৰা কম। তেওঁৰ নাট্য ৰচনালৈ লক্ষ্য কৰি 'পাৰিজাত হৰণ'ক উৎকৃষ্ট, 'কেলিগোপাল'ক কাব্য ধৰ্মত উৎকৃষ্ট বুলি অভিহিত কৰা হয়। 'ৰুক্মিণী হৰণ'ক কলেৱৰত বৃহৎ, 'পত্নী প্ৰসাদ'ক প্ৰথম আৰু 'ৰামবিজয়'ক শেষ নাটক বুলি গণ্য কৰা হয়। শংকৰদেৱৰ নাটবোৰত যদিও বাহ্যিক দৃষ্টিত বীৰ, শৃংগাৰ, হাস্য, করুণ আদি বিভিন্ন ৰসৰ সমাৱেশ ঘটিছে, কিন্তু ইয়াৰ প্ৰকৃত ৰস হ'ল ভক্তি ৰস।

**(ঙ) গীত ঃ** শংকৰদেৱৰ দ্বাৰা ৰচিত গীতসমূহৰ ভিতৰত বৰগীত আৰু ভটিমাৰ কথা উল্লেখ কৰিব পাৰি। এই গীতবোৰ সাহিত্যিক দিশৰ লগতে সাংগীতিক দিশতো অধিক মূল্যবান।

বৰগীতসমূহ মহাপুৰুষৰ অভিনৱ অৱদান। শংকৰদেৱেনিজৰ গীতক বৰগীত আখ্যা দিয়া নাছিল। পৰৱৰ্তী সময়ত তেওঁৰ শিষ্যসকলে তেওঁৰ ৰচনা আৰু প্ৰকাশভংগীৰ দিশলৈ লক্ষ্য ৰাখি ইবোৰক শ্ৰেষ্ঠ তথা বৰ (উচ্চ) গীত আখ্যা দিছে। এই গীতবোৰক ড° বাণীকান্ত কাকতিয়ে Noble Numbers আৰু কালিৰাম মেধিয়ে Songs Celestial আখ্যা দিছে। মহাপুৰুষ শংকৰদেৱে প্ৰথমবাৰ তীৰ্থ ভ্ৰমণত যাওঁতে 'মন মেৰি ৰাম চৰণেহি লাগু' নামৰ বৰগীত ৰচনা কৰিছিল। এয়াই আছিল শংকৰদেৱ বিৰচিত প্ৰথমটো বৰগীত। ইয়াৰ পিছত শংকৰদেৱে বিভিন্ন উপলক্ষে ৰচনা কৰা বৰগীতসমূহ এখন পুথিত সন্নিবিষ্ট কৰিছিল। কিন্তু দুৰ্ভাগ্যক্ৰমে গীতবোৰক কমলা গায়নে আওৱাবলৈ নিওতে জুইত পুৰি নষ্ট হয় বুলি কথিত আছে। অৱশ্যে এয়া যিয়েই নহওক বৰ্তমান শংকৰদেৱ বিৰচিত প্ৰায় ডেৰকুৰিমান বৰগীতৰ প্ৰচলন পোৱা যায়। এই বৰগীতসমূহত পাৰমাৰ্থিক তত্ত্ব আৰু সংসাৰৰ প্ৰতি বিৰক্তি, কৃষ্ণ ভক্তিৰ মাহাত্ম্যৰ প্ৰভাৱ, খেদোক্তি, অনুশোচনা আৰু ভগৱানৰ চৰণত আত্ম সমৰ্পণ আদি ভাৱ প্ৰকাশ পাইছে।

শংকৰদেৱৰ অসমীয়া গীতি সাহিত্যলৈ অন্যতম অৱদান হ'ল ভটিমাসমূহ। ভটিমাসমূহ মূলতঃ প্ৰশস্তি বা গুণ গৰিমা প্ৰকাশক গীত। প্ৰাচীন কালত প্ৰশস্তি বা গুণ গৰিমা গাই ফুৰা লোকক ভাট বোলা হৈছিল। এই ভাটৰ পৰাই 'ভটিমা' নাম পায়। শংকৰদেৱ বিৰচিত ভটিমা তিনি প্ৰকাৰৰ - নাট ভটিমা, দেৱ ভটিমা আৰু ৰাম ভটিমা। অৱশ্যে পৰৱৰ্তী কালত শংকৰদেৱৰ প্ৰিয় শিষ্য মাধৱদেৱে গুৰুৰ গুণানুকীৰ্তন প্ৰচলিত 'গুৰু ভটিমা' নামৰ অন্য এক প্ৰকাৰৰ ভটিমাও ৰচনা কৰে। ফলত অসমীয়া সাহিত্যত মুঠ ভটিমা হ'ল চাৰি প্ৰকাৰৰ। শংকৰদেৱ বিৰচিত ভটিমাত ছন্দ আৰু শব্দ সংযোজনাৰ চাতুৰ্য আৰু গাম্ভীৰ্য, অনুপ্ৰাসৰ ধ্বনি, প্ৰতিধ্বনি আদিয়েই উল্লেখনীয় বৈশিষ্ট্য।

**(চ) নাম প্ৰসংগমূলক গ্ৰন্থ ঃ** শংকৰদেৱ বিৰচিত নাম প্ৰসংগমূলক গ্ৰন্থবোৰ হ'ল 'কীৰ্তন' আৰু 'গুণমালা'। 'কীৰ্তন'খনক শংকৰদেৱৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ বুলি আখ্যা দিয়া হয়। ভাগৱত পুৰাণৰ পৰা সংগৃহীত একো একোটা কাহিনীক নৱ-বৈষ্ণৱ ধৰ্মৰ অনুকূলে সজাই পৰাই পৰিৱেশন কৰা হৈছে, ফলত গ্ৰন্থখনত কৃষ্ণৰ মাহাত্ম্যই প্ৰাধান্যতা পোৱা দেখা যায়। অনুপ্ৰাস, উপমা, ৰূপক আদি অলংকাৰৰ প্ৰয়োগ আৰু সাতিহ্যৰ প্ৰায়বোৰ ৰসৰ সমাহাৰেৰে পৰিপুষ্ট 'কীৰ্ত্তন' গ্ৰন্থ প্ৰায় ২৮ টা বস্তুৰ সমষ্টি।

'গুণমালা' ৬টা খণ্ডত বিভক্ত আৰু কুসুমালা ছন্দত ৰচিত ৩৩৭টা পদৰ এখনি ক্ষুদ্ৰ পুথি। কথিত প্ৰবাদ মতে কোচ ৰজা নৰনাৰায়ণে এদিন ৰাজ সভাত পণ্ডিত সকলক হাতী ভুৰুকাত ভৰাই আনিবলৈ কোৱাত সকলো পণ্ডিতেই নিজৰ অপাৰগতা প্ৰকাশ কৰিছিল। কিন্তু শংকৰদেৱে পাছদিনা ভাগৱতৰ সাৰ সংগ্ৰহ কৰি 'গুণমালা' গ্ৰন্থ ৰচিলে আৰু পাছদিনা ৰজাৰ হাতত দিলেহি। ই মূলত ব্যক্তিগতভাৱে বা অকলশৰীয়াকৈ ঈশ্বৰৰ লীলা বা গুণ স্মৰণ কৰাৰ সুবিধাৰ অৰ্থে ৰচিত।

**(২) অসমীয়া সংস্কৃতিলৈ মহাপুৰুষ শংকৰদেৱৰ অৱদান ঃ** মহাপুৰুষ শংকৰদেৱৰ জীৱনী আৰু কৃত্য অসমীয়া সমাজ আৰু সংস্কৃতিৰ লগতো অঙ্গাঙ্গীভাৱে জড়িত অসমীয়া সমাজ তথা সংস্কৃতিলৈ তেখেতৰ অৱদান অতুলনীয়। তেখেতৰ অৱদান এটা দিশতে সীমাৱদ্ধ নাট। অসমীয়া সাহিত্যৰ সকলো দিশ সম্পদশালী কৰি থৈ যোৱাৰ লগতে অসমীয়া সংস্কৃতিৰ বৰঘৰো শুৱনি কৰি থৈ গৈছে।

প্ৰথমতে, তেওঁ পুৰণি অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে পৰিভ্ৰমণ কৰি বৈষ্ণৱ বা নৱবৈষ্ণৱ বা নামধৰ্মৰ একেডাল ডোলেৰে জনতাক বন্ধাৰ প্ৰথম সফল অভিযান চলায়, যাৰ ফলস্বৰূপে কিৰাত, কছাৰী, খাচি, গাৰো, মিৰি, যৱন, কথক, গোৱাল, আমে, মলুক, ৰচক, তুৰক, ম্লেছ, চণ্ডাল,

ব্ৰাহ্মণ আদি সকলো লোকে তেওঁৰ ধৰ্মত শৰণ লয়।

দ্বিতীয়তে, জনসাধাৰণৰ নামত থকা জাতিগত ভেদাভেদ দূৰ কৰি সকলোৰে মনত একতাৰ ভাৱ সুদৃঢ় কৰাৰ প্ৰায়বোৰ নামঘৰ, সত্ৰ স্থাপন কৰি উচ্চ-নীচ সকলোকে একে নামঘৰ, সত্ৰ বহুৱাই, এক ধৰ্ম শিক্ষা প্ৰদানেৰে জাতিগত আৰু সাংস্কৃতিক এনাজৰীৰ বান্ধ বান্ধি দিলে। সেইবাবে সকলো জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সাংস্কৃতিক সন্বন্ধৰ ভেটিত গঢ় লৈ উঠিল বৃহত্তৰ অসমীয়া জাতীয় কৃষ্টি সাংস্কৃতিৰ।

তৃতীয়তে, সমাজত প্ৰচলিত বলি বিধান প্ৰথাৰ অৱসান ঘটাই আধ্যাত্মিক দৰ্শনেৰে বিশৃংখলিত সমাজ আৰু সংস্কৃতিক শৃংখলাবদ্ধ কৰাৰ সফল প্ৰয়াস চলালে। ফলস্বৰূপে গঢ় লৈ উঠিল বৈষ্ণৱ সংস্কৃতি নামৰ এলানি নতুন সাংস্কৃতিক চিন্তাধাৰাৰ।

চতুৰ্থতে, নাচ, গীত, অভিনয় কলাৰ সৃষ্টিৰ দ্বাৰা অসমীয়া সংস্কৃতিৰ ৰৱঘৰ টনকিয়াল কৰাৰ লগতে অসমীয়া সমাজক সংস্কৃতিৰ অনুগামী হ'বলৈ উৎসাহ যোগালে।

চমু আলোচনাৰ জৰিয়তে শংকৰদেৱে অসমীয়া সাহিত্য আৰু সংস্কৃতিলৈ আগবঢ়োৱা অৱদানক লিখি শেষ কৰিব নোৱাৰি। উপৰোক্ত আলোচনাৰ জৰিয়তে তেওঁৰ সাহিত্যিক আৰু সাংস্কৃতিক অৱদানৰ এক চমু আভাসহে দিয়াৰ যত্ন কৰা হ'ল। নিজৰ কৰ্ম আৰু আদৰ্শৰে অসম জননীক ধন্য কৰা গুৰু শংকৰ সচাঁকৈয়ে অসমীয়া সাহিত্য, সমাজ আৰু সংস্কৃতিৰ এটি উজ্জ্বল নক্ষত্ৰ স্বৰূপ।

সেয়েহে পৰিশেষত কবিৰ ভাষাৰেই ক'ব পাৰি –

'বোৱালা ধৰ্মৰ সোঁত দিলা ধৰ্ম জ্ঞান
দিলা ভাষা অসমক কৰিলা জীৱন দান।'
'তোমাৰ জীৱনী যেৱ লিখে এনে সাধ্য কাৰ
গোটেই অসম জুৰি বিস্তৃত জীৱনী যাৰ।' ■

প্ৰসংগ পুথি ঃ
১) অসমীয়া সাহিত্যৰ ইতিবৃত্ত – ড° সত্যেন্দ্ৰনাথ শৰ্মা
২) অসমীয়া সাহিত্যৰ ৰূপকথা –ড° মহেশ্বৰ নেওগ
৩) অসমীয়া সাহিত্য আৰু সংস্কৃতি –
ড° পল্লৱী ডেকা বুজৰবৰুৱা
ড° জ্যোতিৰেখা হাজৰিকা
৪) ৰচনা প্ৰবাহ – ডেকা আৰু ডেকা



Life is really simple, but we insist on making it complicated.
– Confucius



# টাই আহোম ভাষা আৰু লিপি - এটি চমু অৱলোকন

পূৰ্ণিমা গগৈ
পঞ্চম ষান্মাষিক, ৰসায়ন বিজ্ঞান বিভাগ

বৃহৎ টাই জাতি গোষ্ঠী বিশ্বৰ সুবৃহৎ মঙ্গোলীয় জনগোষ্ঠীৰ এটি অন্যতম ঠাল। 'টাই' আহোম ভাষাত 'টাই' বা 'থাই' শব্দৰ অৰ্থ মুক্ত বা স্বাধীন। বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰত ইয়াৰ ভিন্ন ভিন্ন নামেৰে জনা যায়। টাই জাতিৰ বিভিন্ন শাখা প্ৰশাখাবোৰ হ'ল – টাই, পাই .... মং খুবাও, খামতি, লাওলো, খুন লু, টাইনো ইত্যাদি। মাত্ৰ অসম আৰু অৰুণাচলত থকা টাইসকলক টাই আহোম, টাই খামটি, টাই ফাকে, টাই আইতন, টাই তুৰুং, টাই খাময়াং, টাই শ্যাম আৰু নৰা নামেৰে জনাজাত। অসমৰ টাই আহোম সকলক টাইলুং অৰ্থাৎ বৰটাই বা শ্ৰেষ্ঠ টাই বোলে।

টাই আহোমৰ উৎপত্তিৰ সম্পৰ্কত নানাজনৰ নানা মত। কিংবদন্তিত পোৱা যায় যে টাই আহোমৰ পূৰ্বপুৰুষসকল স্বৰ্গৰ পৰা সোণৰ জখলাৰে নামি লেং ডন নাম লৈ চোমদেউক সাৰথি কৰি মৰ্ত্তলৈ আহিছিল – পূৰ্বপুৰুষ দুগৰাকী খুনলুং আৰু খুনলাই। উদ্দেশ্য আছিল নতুন ৰাজ্য প্ৰতিষ্ঠা কৰি চৰকাৰ চলাই শাসন কাৰ্যৰ ভাৰ লোৱা। উপযুক্ত ঠাইত ৰাজ্য পাতিব, উদাৰ আৰু সহনশীল নীতি সমন্বয়ৰ মূলমন্ত্ৰৰ যোগেদি প্ৰজাক গুৰুত্ব দি ঐক্যতা বঢ়াই ল'ব। এয়ে আছিল টাই আহোম ৰাজ্য প্ৰতিষ্ঠাকৰা এক সমীকৰণ। সৰ্ব প্ৰথমজন নৃপতি আছিল মহামতি চাওলুং চু-কা-ফা। মুংৰিমুংৰামৰ পৰা পৰৱৰ্তী সৌমাৰ খণ্ডত তেওঁৰ অভিযানৰ ৰথখন ৰৈ গ'ল। আৰম্ভ হ'ল অসম ভূমিখণ্ডৰ বুকুত এক গৌৰৱোজ্জল যুগ বছৰ ১২২৮ খ্ৰীষ্টাব্দ। এই ত্ৰয়োদশ শতিকাৰ তৃতীয় দশকৰ পৰা ঊনবিংশ শতিকাৰ চতুৰ্থ দশকলৈকে নিৰৱচ্ছিন্ন ভাৱে আহোমে অসমক শাসন কৰা সুদীৰ্ঘ কালকে আহোম যুগ বুলি কোৱা হয়। 'ম্যুং ডুন্ চুন্ খাম'লৈ আহিয়েই আহোম চাওফাসকলে সেই সময়ত ইয়াত বাস কৰা মৰাণ, বৰাহী, কছাৰী, চুতীয়া আদি বিভিন্ন জনগোষ্ঠীসমূহৰ মাজত সমন্বয় সাধন কৰি এটা নতুন জাতি গঠনৰ পৰিকল্পনা কৰিছিল। এই পৰিকল্পনা অনুসৰিয়েই কালক্ৰমত আহোম ৰজাসকলে 'অসম' নামেৰে এখন দেশ গঠন কৰিছিল আৰু 'অসমীয়া' নামেৰে এটা জাতিৰ জন্ম দিছিল।

আহোম সকলে মূলতঃ শ্যাম-চীনীয় ভাষাগোষ্ঠীৰ টাই মানুহ। তেওঁলোকৰ সাংস্কৃতিক প্ৰমূল্যসমূহ হ'ল উদাৰতা, গুণগ্ৰাহিতা, ধৰ্মনিৰপেক্ষতা, প্ৰগতিশীলতা আৰু সাংস্কৃতিক সহিষ্ণুতা। টাই সংস্কৃতিৰ চাৰিত্ৰিক বৈশিষ্ট্যসমূহৰ বাবেই নিজা ভাষা-সংস্কৃতি, ধৰ্ম ইত্যাদি থকা স্বত্বেও ইয়ালৈ (অসমলৈ) আহি তাকেই খামোচ মাৰি ধৰি নাথাকি শাসক হৈয়ো তেওঁলোকে উদাৰ দৃষ্টি-ভঙ্গীৰে থলুৱা মানুহৰ ভাষা-সংস্কৃতি গ্ৰহণ কৰি নিজৰ অৱদানেৰে এক মহান অসমীয়া জাতি আৰু অসমীয়া সংস্কৃতি গঢ়ি তুলিছিল। এই সংস্কৃতিৰ পৰিসৰ অতি ব্যাপক। আহোম যুগৰ সংস্কৃতিৰ কেইটামান উল্লেখযোগ্য দিশ হ'ল – স্বৰ্গদেউসকলৰ উদাৰতাবাদৰ ফলস্বৰূপে গঢ়ি উঠা সমন্বয়ৰ সংস্কৃতি, ধৰ্ম,

ভাষা,সাহিত্য, স্থাপত্য, ভাস্কৰ্য, চিত্ৰকলা, নৃত্য-গীত, খাদ্য-সম্ভাৰ, জীৱন-ধাৰণৰ পদ্ধতি, সাজপাৰ, আ-অলংকাৰ আৰু সামাজিক শৃংখলা।

এই সমূহৰ ভিতৰত টাই আহোমৰ ভাষা সংস্কৃতি অন্যতম। টাই ভাষা এটা পুৰণি ভাষা। মূলতে ভাৰতীয় লিপিৰ পৰা ওলোৱা ছটামান লিপি টাইভাষাত ব্যৱহৃত হয়। আখৰবিলাকৰ মূল জকাটোত সম্পূর্ণ সামঞ্জস্য আছে, লিখাৰ ধৰণ বা ৰীতিহে সুকীয়া। চীন দেশৰ বৰ্তমানৰ য়ুনান প্ৰদেশৰ মাও-শ্বান (টাই) সকলৰ মাজত প্ৰচলিত টাই ভাষা আৰু টাই লিপি অসমলৈ আনিছিল অসমৰ প্ৰথম আহোম ৰজা চাওলুং ছ্যু-কা-ফাই। এই শ্বানকালৰ লিপি আৰু ভাষাত মান আৰু কাচিন ভাষাৰ সাদৃস্য আছে। পূৰ্বতে টাই লিপি আৰু লিখাৰ ধৰণ চীনা লিপি আৰু লিখাৰ ধৰণৰ লগত একে আছিল। সেয়েহে ছ্যু-কা-ফা আৰু তেওঁৰ অনুগামীসকলৰো ভাষা আছিল ত্ৰয়োদশ শতিকাৰ 'টাই' ভাষা আৰু ইয়াৰ লিপি আছিল মনসকলৰ 'মন' লিপিৰ আধাৰত বিকশিত টাই লিপি। মন লিপি আকৌ ভাৰতবৰ্ষৰ ব্ৰাহ্মী লিপিৰ আধাৰত গঢ় লৈ উঠিছিল। খৃঃ পূঃ ২১৪ চনত চীনা সম্ৰাট শ্বি ৱাং টিয়ে ছাও সাম্ৰাজ্যৰ পুৰণি পৰম্পৰা ধ্বংস কৰিবৰ বাবে সকলো পুৰণি পুথি পুৰি ছাৰখাৰ কৰিলে আৰু চাৰিশ ষাঠীজন সাহিত্যিকক জীয়াই জীয়াই পুৰি মাৰিলে। সেই সময়তে চীনৰ পিতৃভূমি এৰি ছেদেলি ভেদেলি হৈ যাওঁতে টাইসকলে পুৰণি লিপি পাহৰি পেলায়। সেয়েহে আহোমদকলৰ হাততো ষষ্ঠ শতিকাৰ আগৰ লিখিত বুৰঞ্জী নাই। জনা যায় তেওঁবিলাকে নুনি গছৰ বাকলিৰ মণ্ডেৰে তৈয়াৰ কৰা এবিধ তুলাপাতত লিখাৰ উপৰিও বাঁহৰ ছেপেটা পাতত থিয় থিয়কৈ লিখিছিল। টাই ভাষা প্ৰচলন নথকা অসমলৈ অহাৰ পিছত আহোমসকলৰ টাই ভাষাৰ বিশেষ পৰিৱৰ্তন হোৱা নাই। গতিকে অসমীয়া ভাষাক নিজৰ ভাষা বুলি গ্ৰহণ কৰা লিখকসকলে ব্যৱহাৰ কৰিবলৈ লোৱা কিছুমান অসমীয়া শব্দ সোমাই পৰাৰ বাহিৰে আহোম ভাষা আৰু লিপি প্ৰায় অপৰিৱৰ্তিত হৈয়েই থাকি গ'ল।

টাই-আহেমসকলৰ মাজত প্ৰচলিত আহোম ভাষাৰ আহোম লিপি অন্যান্য টাই ভাষাৰ লিপিৰ সৈতে একে নহয় - ই বৃত্তাকাৰ নহৈ কৌণিকহে। এই আহোম লিপিৰ বৈশিষ্ট্য বহুত, যথা (১) এই লিপি কেৱল আহোম ভাষাতহে প্ৰযোজ্য, টাই-য়াই লিপিসমূহৰ এটাৰ লগৰ ইয়াৰ সামঞ্জস্য আছে। (২) প্ৰাচীন মন লিপিৰ আধাৰত গঢ় লোৱা আহোম লিপিয়ে আহোম ভাষাৰ কিছুমান ধ্বনিগত বৈশিষ্ট্য ফলপ্ৰসূভাৱে প্ৰতিফলিত কৰিব নোৱাৰে। আহোম ভাষা এটা সুৰীয়া (Tonal) ভাষা, কিন্তু ইয়াৰ লিপিয়ে সেই সুৰীয়া ৰূপটো ফুটাই তুলিব নোৱাৰে। (৩) বৰ্তমান কালৰ টাই আহোম ভাষা ভাষী লোকসকলে টাই আহোম ভাষাৰ সুৰ তথা ধ্বনি সম্পৰ্কে জ্ঞাত নাছিল, অতি সাম্প্ৰতিক কালতহে অপ্ৰচলিত হৈ হেৰাই যাব ধৰা এই সুৰ পুনৰুদ্ধাৰ কৰাৰ বাবে এটা সজাগতা সৃষ্টি হৈছে।

দ্বিতীয় সহস্ৰাব্দৰ প্ৰথম শতিকা কেইটাৰ ভিতৰতে আজি যাক উজনি ম্যানমাৰ বোলা হয় তাৰে প্ৰাচীন মন লিপিৰ পৰা গ্ৰহণ কৰা আহোম বৰ্ণসমূহেই মূল টাই লিপি। খ্ৰীষ্টীয় ১২২৮ চনত চাওলুং ছ্যু-কা-ফাৰ আদেশত মন লিপি আহোমসকলে ব্ৰহ্মপুত্ৰ উপত্যকালৈ লৈ আহে। নিম্ন উল্লেখিত তথ্যৰ আধাৰত এই সূত্ৰটোৰেই যুক্তিসঙ্গতবুলি টেৰৱিলে অভিমত দিছে।

(১) আহোম লিপি আৰু প্ৰাচীন মন আৰু একাদশ দ্বাদশ শতিকাৰ বুলি চিহ্নিত পাগানত পোৱা প্ৰাচীন বাৰ্মিজ শিলালিপিৰ মাজৰ সম্পৰ্ক নিৰূপণ কৰা হৈছে বৰ্ণ বা অক্ষৰৰ ৰূপত পোৱা অসংখ্য সদৃশ ৰূপৰ বৈশিষ্ট্য অধ্যয়ন কৰি।

(২) ম্যানমাৰৰ লিপিৰ লগত আহোম লিপিৰ সুন্দৰ মিল থাকিলেও খ্ৰীষ্টীয় ৫ম শতিকাৰ পৰাই ব্ৰহ্মপুত্ৰ উপত্যকাৰ লিপিৰ লগত তাৰ কোনো ধৰণৰ সামঞ্জস্য নাই। সেয়েহে প্ৰতীয়মান হয় যে দক্ষিণ পূৱ এচিয়াতে আহোমসকলে তেওঁলোকৰ লিপি গ্ৰহণ কৰিছিল আৰু অসমলৈ সেই লিপি তেওঁলোকে বহন কৰি আনিছিল।

আকৌ মাইকেল ফাৰলাচে অলপতে আহোম লিপিৰ প্ৰাচীনত্ব সম্পৰ্কে সন্দেহ প্ৰকাশ কৰিছে। তেওঁ আহোম বুৰঞ্জীৰ ত্ৰয়োদশ, চতুৰ্দশ আৰু পঞ্চদশ শতিকাৰ অধ্যায়বোৰৰ সত্যতা আৰু বিশ্বাসযোগ্যতাৰ এপৰত সন্দেহৰ কুঁৱলী বিয়পাই দি টাই ভাষী লোকসকলে প্ৰচীন কালতে লিপি গ্ৰহণ বুলি সিদ্ধান্ত দিয়া টেৰৱিলৰ সূত্ৰসমূহ পুনৰ পৰীক্ষা কৰাৰ প্ৰয়োজন হ'ব বুলি মত পোষণ কৰিছে। এই বিষয়সমূহৰ এটা হ'ল সংক্ষিপ্তসাৰ বা পটন্তৰ সম্পৰ্কীয় আৰু আনটো হৈছে ব্যঞ্জন যুক্তাক্ষৰৰ তথাকথিত অভাৱ। ফাৰলাচৰ প্ৰথম যুক্তি হ'ল এই যে 'ব' আৰু 'দ(ড)' বৰ্ণ দুটা ব্ৰহ্মদেশীয় আৰু মন ভাষাৰ সমগোষ্ঠীয় বৰ্ণৰ লগত ওপৰা ওপৰিকৈ বহে। ফাৰলাচৰ মতে, আখৰৰ আকৃতিৰ তুলনাত্মক অধ্যয়নে আহোম লিপিৰ ব্ৰহ্মদেশীয় মূলহে নিশ্চিত কৰে আৰু সিয়েই আহোম লিপিৰ তুলনামূলক সাম্প্ৰতিকতাৰ প্ৰতীতিহে জন্মায়। আহোম বৰ্ণ দুটা বৰ্মীয় (ব্ৰহ্মদেশীয়) আৰু মন ভাষাৰ বৰ্ণতকৈ দেখ্ দেখ্‌কৈয়ে বেলেগ। আহোম বৰ্ণৰ লগত তুলনা কৰিবলৈ ফাৰলাচে গ্ৰহণ কৰা প্ৰাচীন মন বৰ্ণ কেইটা আচলতে প্ৰাচীন মন বৰ্ণই নহয়। গতিকে আহোম বৰ্ণমালা বৰ্মীয় মূলৰ পৰা ওলোৱা বুলি এই বৰ্ণকেইটাৰ তুলনাৰ পৰাই সিদ্ধান্ত ল'ব পাৰি বুলি ফাৰলাচে আগবঢ়োৱা যুক্তি গ্ৰহণ কৰাটো জটিল।

ফাৰলাচৰ দ্বিতীয় যুক্তিটো আছিল যে আহোম লিপিত ব্যঞ্জন বৰ্ণৰ যুক্তাক্ষৰৰ অভাৱ। তেওঁ সিদ্ধান্ত কৰিলে যে যিটো

লিপিক আমি প্ৰাক-শ্বান লিপি বুলি গ্ৰহণ কৰিছোঁ, সেই লিপিয়ে যুক্তাক্ষৰৰ স্বাক্ষৰ বহন কৰাৰ প্ৰয়োজন নাছিল, কিয়নো যি ভাষাক ই ৰূপ দিবলৈ লৈছে তাত যুক্তাক্ষৰ নায়েই। দেখা যায় যে আহোম পুৰোহিতসকলে লিখনিত ব্যঞ্জন যুক্তাক্ষৰৰ প্ৰয়োগ এৰাই চলে। উদাহৰণস্বৰূপে, 'পামেপ্লুং' নামটো লিখোতে তেওঁলোকে 'প্+ল্ =প্ল' এই যুক্তাক্ষৰ এৰাই 'পামেওপুং' লিখিব। কিন্তু উচ্চাৰণ কৰোঁতে 'পামেপুং' বুলিয়েই উচ্চাৰণ কৰিব। কোনো কোনো পুৰোহিতে আকৌ কিছুমান যুক্তাক্ষৰ লিপিত নাথাকিলেও উচ্চাৰণ কৰে। উদাহৰণস্বৰূপে শাস্ত্ৰৰ লিপিত 'ফ' আৰু 'ক' থাকিলেও তেওঁলোকে স্বতঃস্ফূৰ্তভাৱে 'ফ্ৰ' আৰু 'ক্ল' উচ্চাৰণ কৰে। সেয়েহে ব্যঞ্জন যুক্তাক্ষৰৰ উচ্চাৰণ আৰু কিছু হাতে লিখা সাঁচিপাতৰ পুথিত দেখা পোৱা যুক্তাক্ষৰ সমূহেও ফাৰলাচৰ দ্বিতীয় যুক্তি সম্পূৰ্ণ অশুদ্ধ আৰু গ্ৰহণযোগ্য নহয় বুলি প্ৰমাণ কৰে।

তাৰোপৰি আহোম লিপিৰ উৎস বিচাৰি টেৰবিলে প্ৰস্তৰ যুগীয় ঐতিহাসিক, প্ৰচলিত আখ্যান, সামাজিক ৰীতি-নীতি আদি সম্ভৱপৰ সকলো তথ্য-প্ৰামাণ্য পৰীক্ষা কৰিছিল। তেওঁ লক্ষ্য কৰিছিল যে একাদশ শতিকাৰ 'পাগান' লিখনিত ব্যৱহৃত প্ৰাচীন মন ভাষাৰ লিপিৰ বৰ্ণবোৰ থা ম্যাটৰ টেবুলত দেখুওৱা চাৰিটা পৃথক পৃথক মন লিপিৰ বৰ্ণতকৈ বেলেগ। 'Old-Burma-Early-Pagan' গ্ৰন্থত প্ৰকাশিত আৰু মুদ্ৰিত বুদ্ধ মূৰ্তিবোৰৰ লগত খোদিত ফলকবোৰত ব্যৱহৃত প্ৰাচীন মন লিপিৰ লগত আহোম লিপিৰ স্পষ্ট যোগসূত্ৰ দেখা যায়। কেৱল বৰ্ণৰ আকাৰ বা ৰূপৰ ক্ষেত্ৰতেই নহয় শব্দৰ ব্যৱধান, দূৰত্ব আৰু ধ্বনিৰ পাৰ্থক্য সূচক সাংকেতিক চিহ্নৰ ক্ষেত্ৰতো এই সাদৃশ্য লক্ষণীয়। গতিকে পাগান লিপি সমূহ সতৰ্কতাৰে পৰীক্ষা কৰাৰ পিছত টেৰবিল এই সিদ্ধান্তত উপনীত হৈছিল যে প্ৰাচীন মন লিপিয়েই আহোম লিপিৰ পূৰ্বসূৰী।

কিন্তু আকৌ আহোম লিপিৰ উৎসৰ সন্ধানত গৱেষণা কৰোঁতে উইলাইৱান খনিট্টানানে চাও-লুং-ছ্যু-কা-ফাই টাই লিপি লগত অনা বিষয়ত সন্দেহ প্ৰকাশ কৰিছে। তেওঁ মন্তব্য কৰিছে যে টাই লিপি ৫০০ বছৰ (ছ্যু-কা-ফা অসমলৈ অহাৰ) বা তাৰো পিছতেই উদ্ভাৱন কৰা হৈছিল। তেওঁ এই বুলিও কৈছে যে আহোমসকলে নিজকে কেতিয়াও 'আহোম' হিচাপে পৰিচয় দিয়া নাছিল, আহোম বুৰঞ্জীত তেওঁলোকে নিজকে 'টাই' বা 'টাহ-ৰাও' বুলিহে অভিহিত কৰিছে। বৰঞ্চ এই 'আহোম' নামটো দিছিল ইন্দো-মঙ্গোলীয় শাখাৰ বড়োভাষী বৰাহী, মৰাণ, কছাৰী আদি স্থানীয় বাসিন্দাসকলে। গতিকে আহোম শব্দবোৰ, আহোম লিপিৰ উৎস সঠিকভাৱে বিচাৰি উলিওৱাটো ইমান সহজ নহয়। তাৰোপৰি ক্লা, ফ্ৰান, ফ্ৰাক আদি যুক্তাক্ষৰৰ প্ৰয়োগ, বান-চোং (মঙ্গল চোৱা) পুথিত ধাৰ কৰা শব্দৰ অনুপস্থিতি, একে বা সদৃশ অৰ্থবাচক প্ৰাচীন শব্দৰ প্ৰয়োগে স্পষ্টভাৱে প্ৰমাণ কৰে যে এই গৱেষকসকলৰ বেছিভাগ ধাৰণাই শুদ্ধ নহয়। কিন্তু এই সকলো গৱেষকসকলৰ পৰীক্ষা নিৰীক্ষাৰ অন্তত এটা সিদ্ধান্তত উপনীত হ'ব পাৰি যে বৰ্তমানলৈ জ্ঞাত দ্বাদশ শতিকাৰ আন যি কোনো ভাষাৰ লিপিতকৈ মন লিপিয়েই আহোম লিপিৰ অধিক নিকটাত্মীয়।

টাই আহোম সমাজত বৰ্তমান আহোম ভাষাৰ প্ৰচলন খুব কম। কিছু কিছুৰ মতে ষোড়শ শতিকামানলৈকে আহোম সকলৰ মাজত এই ভাষাৰ ব্যাপক প্ৰচলন আছিল। আহোম লোকসকলে বৰ্তমানে অসমীয়া ভাষা গ্ৰহণ কৰিছে যদিও আহোম পুৰোহিত শ্ৰেণীৰ (দেওধাই, মোহন, বাইলুং) মাজত এতিয়াও এই ভাষাৰ প্ৰচলন আছে। পুৰোহিতসকলে অৰ্থাৎ বাইলুং সকলে দেওধাক আৰাধনা কৰোঁতে সলসলীয়াকৈ এই ভাষা এতিয়াও প্ৰয়োগ কৰে। অন্যান্য টাইভাষাৰ সৈতে ইয়াৰ সাদৃশ্যতা পূৰ্ণমাত্ৰাই বিদ্যমান। তাহানিতে আহোম ভাষাতে বুৰঞ্জী, জ্যোতিষ, মঙল চোৱা, নীতিজ্ঞান, ৰাজনীতি বা লাই-লিক, দণ্ডবিধি, পূজা-পাতলৰ বিধি আদি অনেক বিষয়ৰ গ্ৰন্থ লিখা হৈছিল। যিহেতু টাই-আহোম ভাষা টাই ভাষাৰে অন্তৰ্গত সেয়েহে অসমীয়া ভাষাৰ গদ্যত লিখা বুৰঞ্জীবোৰৰ গদ্যৰ আৰ্হি আৰু অনুপ্ৰেৰণা টাই ভাষাৰ গদ্যত লিখা বুৰঞ্জীৰ পৰাই লাভ কৰিছিল বুলি ভাবিবলৈ থল নোহোৱা নহয়। এই টাই আহোম ভাষাত ২৪ টা ব্যঞ্জন বৰ্ণ আছে বুলি পোৱা যায়। সেইকেইটা হ'ল -



সাধাৰণ কথোপকোথনত বিনিময় হোৱা ভালেমান আহোম ভাষাৰ শব্দ অসমীয়া ভাষাত সোমাই পৰে। ইয়াৰে কিছুমান শব্দ পোনপটীয়াকৈ আৰু কিছুমান অপভ্ৰংশ হৈ নতুবা যুক্ত হৈ অসমীয়া ভাষাত সোমাইছে। যেনে ঃ

| আহোম শব্দ | অসমীয়া শব্দ |
|---|---|
| জাপ্ | ভাঁজ কৰা |
| বেঙ | বেঙা, অকৰা |
| জী | জীয়েক |
| ৰি-খাপ | ৰিহা |
| ছক | সোৱাদ |

এই শব্দবোৰ গুৰিতে আহোম শব্দ, কিন্তু উচ্চৰণত অপভ্ৰংশ হৈ অসমীয়া ভাষাত সোমাইছে। তদুপৰি ৰাজকাৰ্য্যত ব্যৱহাৰ হোৱা কিছুমান আহোম শব্দ। একেবাৰেই অসমীয়া হৈ গ'ল। যেনে -

ফুকন (ফু = বগা, ধুনীয়া; কন = মানুহ)

চাওদাং (চাও = ডাঙৰীয়া; ডাং = দণ্ড)

ম'হং =মোহন

কাৰেং (কা = নাচনী; ৰেণ =

ঘৰ) ৰজাৰ আমোদৰ ঘৰ

কিছুমান আহোম শব্দ বুৰঞ্জীসমূহৰ যোগেদি অসমীয়া ভাষাত সোমায়। এই শব্দবোৰ উপযুক্ত ভাৱ প্ৰকাশৰ বাবে পোনপটীয়াকৈ ব্যৱহাৰ কৰা হৈছে। বুৰঞ্জীবোৰত পোৱা আহোম শব্দৰ ভিতৰত পুলিন, পুথাও থেমকৰা, চৌখাম, চকলং, ৰিকখন-মুংখন, মিচাং, ত্যেখান, চৌতাং ইত্যাদি উল্লেখযোগ্য। আহোমসকলৰ এটা বিশেষত্বপূৰ্ণ পৰম্পৰা আছে যে তেওঁবিলাক বংশৰ ডাঙৰ সৰু পুৰুষানুক্ৰমে চলি থাকে। ডাঙৰ ঘৰ সদায় ডাঙৰ, সৰুঘৰ সদায় সৰু, বয়সৰ ওপৰত নিৰ্ভৰ নকৰে। অসমলৈ আহি আহোমসকলে ভাষা, সংস্কৃতি আংশিকভাৱে পাহৰিলেও সম্বন্ধবাচক শব্দবোৰ কিন্তু নাপাহৰিলে, সেয়েহে তেওঁবিলাকৰ নিচাদেউ, এপাদেউ, এনাইদেউ, পুথাও, কাই আদি সম্বোধন আজিও চলি আছে।

নিচাদেউ — মাক বাপেকৰ ককায়েক

এপাদেউ — মাক বাপেকৰ বায়েক, নিচাদেউৰ ঘৈনীয়েক

এনাইদেউ — মাকৰ মাক

পুথাও — মাকৰ দেউতাক

কাই — ককাই

পা-নঙ-বাই — ভনীয়েক

পা-মেউ — মাহীয়েক

স্বৰ্গদেউ চুকাফাই অসমত ৰাজ্য পাতোতে বা-বিষয়াৰ সংখ্যা তেনেই তাকৰীয়া আছিল। স্বৰ্গদেউ প্ৰতাপসিংহৰ দিনত বিষয় আৰু বিষয়া উভয়ৰে সংখ্যা বৃদ্ধি পায়। ডা-ডাঙৰীয়া সকলক আহোম পৰম্পৰা অনুযায়ী শপত গ্ৰহণ কৰোৱা হৈছিল। অসমীয়া ভাষাৰ বুৰঞ্জীত এই বিষয়াসকলক অসমীয়া উপাধিৰেই উল্লেখ কৰা হৈছে, কিন্তু আহোম ভাষাত বুৰঞ্জীত আহোম ভাষাৰেহে দিয়া হৈছে। ৰজাঘৰৰ ভিতৰুৱা কাৰ্যত গাম্ভীৰ্য্য ৰক্ষাৰ বাবেই আহোম শব্দটোতে ব্যৱহাৰ কৰা হৈছিল। যেনে ঃ

ৰজা = চাও ফ্ৰা

বুঢ়াগোঁহাই = চাও ফ্ৰুঙ মুং

বৰগোঁহাই = চাও থাও লুং

বেজবৰুৱা = ফু-কে-চাঙ্-ছা-ৰি

দিহিঙীয়া = লান্-টাই-মু

নেওগ = নিউ-মেঙ্

বৰুৱা = ফু-কে

বৰা = ৰু-ছাও

ঢেকীয়াল ফুকন = ফু-কন্ ফা-কুট

আহোম ভাষাত পোৱা অসমৰ ভূগোলৰ শব্দবোৰ কেইবাটাও ভাগত ভগাব পাৰি। এনে শব্দৰ কিছুমান একেবাৰে নতুন, কিছুমান অসমীয়া নতুবা বড়োমূলীয় শব্দৰ মুকলি অনুবাদ বা সমাৰ্থক শব্দ। কিছুমান আকৌ অসমীয়া শব্দৰ অপভ্ৰংশ। উজনি অসমৰ আহোম অধ্যুষিত অঞ্চলত 'টি' যুক্ত ভালেমান ঠাই আছে আৰু সেই ঠাইবোৰৰ আহোম ভাষাৰ বুৎপত্তিগত অৰ্থমতে ওলোৱা ভৌগোলিক বিশেষত্ব আজিও বিদ্যমান। যেনেঃ

টিপাম (টি = ঠাই, পাম্ = ঠিলা) = বাম ঠাই

খুমটাই (খুনটাই বংশৰ আহোম মানুহ বাস কৰা ঠাই)

That morning was a bit different for me than usual days, as I had my new college to attend. I woke up early, which was quite unusual especially after a long vacation that had just got over. I was excited and nervous too. I was excited because it was my first day but on the other hand I was nervous because I was worried about the new surroundings of the college and of course about new teachers. I got ready for the college at 8.30 am as I had to attend my class at 9 o'clock. My mother gave me a spoon of curd and sugar as it was my first day at Digboi College. I reached the college and entered into the class as if I was entering a new world where I felt I knew nobody. I had a glance at the entire class and quickly grabbed a seat on the sixth bench. Most of the students feel awkward in the class simply doing nothing. I think most of the girls feel this way for the first time, unlike boys who manage to make new friends sooner than girls. But I need not had to suffer from this awkward situation because I already had a classmate from my earlier school. We were sitting together in the same bench. Two girls were sitting behind us. Few minutes later, my friend insisted me to talk to them but I ignored her as I was feeling awkward to talk to them. After a while, she managed to talk to them and told them to sit with us. Four of us sat together. I was still unknown to them. Few moments later, I too started chatting to them. The first teacher entered in our classroom. My seniors told me that he is a good teacher. He introduced himself and also asked each one of us to introduce ourselves to the rest of the class. After a while, he started with our syllabus. I was happy with my first day. Although first day is meant to be something special. ■

# Mathematical Letter

**Priyanka Hazarika**
H.S. 2nd yr. Science

Date – x/xx/xxxx

From,
Algebra,
Progression Villa
Education Street
Maths Nagar.

To

Mrs. Trigonometry,
Calculus Cottage
Logarithm Street
Indices Nagar.

Dear Mrs. Trigonometry,

With due calculation, I am asking your Opinion about the marriage of my daughter 'infinity' with your son 'zero'. As you know, my daughter 'infinity' has no limits. The relation between them is a universally known fact that any digit divided by zero is infinity and digit divided by infinity is 'zero'.

Mr. Vector says they would result in a good scalar. So, please consult your formula and log tables to find a suitable day for wedding. Also please consult all the members of your family including your grand father Mr. Complex No. and grand mother integer.

Thanking you for the coordination and looking forward for happy co-relation.

Yours' correctly,

**Algebra**

# মহাবিদ্যালয়ৰ সপ্তাহৰ
# কিছু মুহূৰ্ত



মহাবিদ্যালয় সপ্তাহৰ সামৰণি অনুষ্ঠানৰ এক দৃশ্যাংশ


মহাবিদ্যালয় সপ্তাহৰ খেল-ধেমালিৰ এক দৃশ্যাংশ


ৰুমী বৰগোহাঁইৰ দ্বাৰা অলিম্পিক শিখা প্ৰজ্বলনৰ সময়ত


ডিগবৈ মহাবিদ্যালয়ৰ ৩৫ তম্ বাৰ্ষিক আলোচনী উন্মোচনৰ ক্ষণত

## নৱাগত আদৰণি সভা



নৱাগত আদৰণি সভাত অধ্যক্ষৰ বক্তৃতা


ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অলক কুমাৰ বুঢ়াগোহাঁইৰ দ্বাৰা কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জ্ঞাপনৰ এক মুহূৰ্ত

## ২০১৫ চনত উত্তৰ লক্ষীমপুৰ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত আমাৰ সাফল্য



তৃতীয় পুৰস্কাৰপ্ৰাপ্ত মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী


তাবলা বাদন প্ৰতিযোগিতাত দ্বিতীয় পুৰস্কাৰ লৈ থকা সময়ত মাধুৰ্য্য শৰ্মা

# Major Research Project (Ongoing & Submitted)



**Dr. Dip Saikia**
The Principal of the college is persuing a Major Research Project titled "Investigation of fibres of Calamus Tenuis and their composites based on thermosetting and thermo plastic matrices" funded by UGC, New Delhi



**Dr. Mamoni Sharma**
The HOD of Economics Department of the college completed and submitted a Major Research Project titled "Resource Mobilization in Micro and Small Scale enterprises (a study from Assam)" funded by UGC New Delhi



**Dr. Kanchan Konwar** is pursuing a Major Research Project titled "Solution Processed Pentacene and TIPS Pentacene thin films and their FET performance" funded by UGC, New Delhi

## M. Phil. Degree Awardees



**Mr. Jitu Borah** - "Dynamics of Nepalese Society and Culture in Assam, a case study of Tinsukia Dist" under the guidance of Dr. Rudraman Thapa, Dibrugarh University



**Mr. Mukunda Madhav Gogoi** - "An Economic Analysis of Food Processing Industries of Tinsukia District, Assam" under the guidance of Dr. Deb Kr. Chakraborty, HOD, Dept. of Economics, Dibrugarh University.

## Students' Achievement in curricular Activities



Pradip Debnath
B.Sc. 1st Class 4th (Physics) PK Memorial "Best Graduate Award" UNK "Memorial Award" Dr. APJ A. Kalam memorial academic promotion Award



Raktim Phukan
B.Sc. 1st Class 9th (Physics) UNK "Memorial Award" Dr. APJ A. Kalam memorial academic promotion Award



Farhin S. Ahmed
B.A. 1st Class 5th (Poltical Science) Best Arts Graduate Award



Ramjanul Haque
B.Com. 1st Class 36th Best Commerce Graduate



Ambika Chetry
B.Sc. 1st Class 15th (Chemistry) UNK "Memorial Award"



Farhanaz Sereen
B.Sc. 1st Class 15th (Botany)

### UGC Ishan Udai Scholarship Achievers in 2015:

Arju Gogoi (Chemistry), Dipankar Phukan (Political Science), Durga Chetry (Economics), Gitashree Borgohain (Political Science), Mamu Sonowal (Economics), Lohit Saikia (Economics), Poonam Chanda (Economics), Rina Rao (Economics), Saradi Jyotshna Pathak (Political Science), Ranjeet Paul (Chemistry)

### Achievement

* The Assam State Bio-diversity Board has awarded fellowship under the bio-diversity research associate programme to our student Manoj Kumar.

## International Conference / Seminar etc.



**Dr. Arun Ch. Sarmah** attended and presented a paper on 'Depletion Layer Parameters of Al-MoO$_3$-P-cdTe- Al Mos Structures'. at the International conference on Advanced Materials Science and Technology, organised by WASET, Venice, Italy on 13th and 14th April, 2015.



**Dr. Jiban Changmai** attended and presented a paper on "Finite Element Approximation on certain multi parameter eigen value problems" at the International Conference on Frontiers of Mathematics and Applications organised by Gauhati University, Guwahati from 26-28 March, 2015.



**Dr. (Miss) Anamika Neog** attended and presented a paper on "The impact of Sanskritisation on the Architecture and Sculpture of Early Assam" in the International Symposium on Business and Social Sciences organised by the Higher Education Forum (Asia-Pacific Research Association) held in Tokyo, Japan from 2nd to 4th December, 2015.



**Dr. Chandan Siam** attended and presented a paper on 'Investigation of Pollutants by a Spectroscopic Technique' at the International Conference on 'Light Quanta : Modern Perspectives and Applications', organised by the Department of Physics, Allahabad University from 14th to 16th December, 2015.

* Dr. Chandana Chetia, Deptt. of English was awarded Minor Research Project on the topic "Allegory of loss: Reclaiming Identity in the novels of Ernest Gaines" funded by UGC, New Delhi

# বিভিন্ন অনুষ্ঠানৰ ফটোৰ ৰেঙণি



মহাবিদ্যালয়ৰ নৱ-নিৰ্মিত ৰসায়ন বিজ্ঞান বিভাগৰ পৰীক্ষাগাৰ উন্মোচনৰ সময়ত



ভাৰতীয় স্থল সেনাৰ দ্বাৰা সামৰিক প্ৰদৰ্শনীৰ উন্মোচনী অনুষ্ঠানত অধ্যক্ষৰ দুৱাৰাৰ



মহাবিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ অধ্যাপিকা সন্মানীয় অণু বুঢ়াগোহাঁই বাইদেউৰ বিদায়ী অনুষ্ঠানত তেখেতক সম্বৰ্ধনা জ্ঞাপনৰ সময়ত



শিক্ষক আৰু অভিভাৱকৰ মাজত অনুষ্ঠিত হোৱা মুখামুখি অনুষ্ঠান




মহাবিদ্যালয়ত আন্তৰাষ্ট্ৰীয় যোগা দিৱস উদ্‌যাপনৰ এটি দৃশ্যাংশ




মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় মূল্যায়ণ পৰিষদৰ দল



স্বচ্ছ ভাৰত অভিযানত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ




ইটা ভাটাৰ অগ্নি বিধ্বস্ত পৰিয়ালবৰ্গক শিক্ষক গোটৰ দ্বাৰা আৰ্থিক সাহাৰ্য প্ৰদান

# বিভিন্ন অনুষ্ঠানৰ ফটোৰ ৰেঙণি







মহাবিদ্যালয়ৰ বিজ্ঞান বিভাগ সমূহৰ মাজত অনুষ্ঠিত হোৱা
আন্তঃ বিভাগীয় আলোচনা চক্ৰৰ দৃশ্যাংশ





'যোগাযোগ শৈলী'ৰ ওপৰত মহাবিদ্যালয়ত অনুষ্ঠিত মাণ্ডলিক কৰ্মশালাৰ এটি মুহূৰ্ত



২০১৫–১৬ শৈক্ষিক বৰ্ষৰ বাবে নৱ–নিৰ্বাচিত ছাত্ৰ একতা সভাৰ
বিষয়ববীয়া সকলৰ দ্বাৰা শপত গ্ৰহণৰ এটি মুহূৰ্ত




ড° ভূপেন হাজৰিকাৰ মৃত্যু বাৰ্ষিকীৰ উদ্‌যাপনৰ এটি মুহূৰ্ত




মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা স্বাস্থ্য পৰীক্ষাৰ এটি মুহূৰ্ত



মহাবিদ্যালয়ত ফুটবল প্ৰশিক্ষণ



# আপোন গাঁওখনি

দুৰ্লভ চেতিয়া
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (বিজ্ঞান শাখা)

আঢ়ে বাজিছে, ট্ৰেইনখন আহিবলৈ এতিয়াও এঘণ্টা বাকী। মই বৰ্তমান গুৱাহাটী ষ্টেচনৰ দীঘল চকী এখনত বহি আছোঁ। এই এঘণ্টাটো লগাই মুঠ আৰু ১৩ ঘণ্টা সময় বাকী আছে মোৰ ঘৰ পাবলৈ। হয়তো এই ১৩ ঘণ্টা সময়য়ে মোৰ জীৱনৰ আটাইতকৈ আমনিলগা সময় হ'ব। অৱশ্যে যোৱা তিনিবছৰৰ কথা ভাবিলে এই আহিব লগা অৰ্থাৎ ঘৰ পোৱালৈকে এই সময়কণ বহুত ছুটিয়ে হ'ব। যোৱা তিনিটা বছৰত মই কিমান কি হেৰুৱালোঁ তাৰ কোনো হিচাপ নাই।




কিমান যে হেপাঁহ আশা বুকুত বান্ধি লৈ গুৱাহাটীলৈ আহিছিলোঁ, ভাবিছিলোঁ চাকৰি কৰিম, সুখত থাকিম কিন্তু আজি সকলো এৰি থৈ গাঁৱলৈ গুচি গৈছো। সচা কথা ক'বলৈ গ'লে মই যান্ত্ৰিক সভ্যতাত অতিষ্ঠ হৈ তিনিবছৰৰ আগতে এলাগি বুলি ভাবি এৰি থৈ অহা গাঁওখনলৈ পুনৰ ওভতিছোঁ। গুৱাহাটীলৈ প্ৰথম অহা দিনটো মোৰ ভাল দৰে মনত নাই যদিও মাহটো মোৰ ভালকৈয়ে মনত আছে। ফাগুণ মাহ আছিল। মাঘত খেতি চপাই শেষ কৰি ফাগুণত গুচি আহিছিলোঁ। সেই বছৰ গাঁৱত খেতি ভাল হৈছিল। সেয়ে মাঘৰ বিহু বৰ ধূম-ধামেৰে পাতিছিলোঁ। ডাঙৰ হুলোং এজোপা কাতি মেজি সাজিছিলোঁ আৰু তিনিদিন মান আগৰ পৰা আমি মানে মোৰ লগৰ বিতু,ৰমেন, পিতৌ, মণ্ডিপ আদি কৰি মুঠ বাৰতা মানে ভেলা ঘৰত থাকি মেজি ৰখিছিলোঁ। উৰুকাৰ দিনা ৰাতি কমখন উৎপাত কৰিলোনে ? ৰেখাহঁতৰ ভগা জপনাৰপৰা আৰম্ভ কৰি জোনালীহঁতৰ হাঁহ চুৰ কৰালৈকে কিমান কি যে নকৰিলোঁ হিচাপ নাই। জোনালীৰ দেউতাকে (মোৰ ভাবি শহুৰ দেউতা) আমাক তেওঁৰ কাউৰী খেদোৱা ধনুখন লৈ ভেলা ঘৰলৈকে শিহুপাল খেদা দিলে আজিও মনত পৰিলে হাঁহি উঠে। ক'ত যে হেৰাই গ'ল সেই দিনবোৰ। যোৱা বছৰ মাঘৰ বিহুটো বাদ দিয়া বহাগ বিহুটো ঘৰলৈ যাবলৈ ছুটি নাপালো। অফিচতেই মণিতৰৰ স্ক্ৰীণ চাই থাকোতে বিহু কেতিয়া পাৰ হ'ল গমকে নাপালোঁ। জোনালীয়ে স্পিদ পষ্টত পাৰ্চেল কৰি পঠোৱা তিল পিঠা খাই গামোচাখন লৈ বিহু পাতিলোঁ। ৰাতি আমাৰ অফিচৰ স্তাফবোৰ লগ হৈ একেলগে এসাজ খাই বিহু বিহু বুলি ক'ব নোৱাৰি পাৰ্তিবুলিব পাৰি। প্ৰকৃতাৰ্থত মহানগৰীৰ কৃত্ৰিম বিহু পালন কৰিলোঁ।

মই B.sc পাচ কৰাৰ পাছতে চাকৰিৰ বাবে অ'ত ত'ত আবেদন কৰি ঘূৰি ফুৰিছিলোঁ। উপায় নাছিল নিজে কিবা এটা কৰোঁ বুলিবলৈ পুজিৰ অভাব। আৰু এদিন এনেকৈয়ে ভাগ্যৰ বলত গুৱাহাটীত চাকৰি এটা পালোঁ। ঘৰৰ পৰা দূৰত থাকি চাকৰি কৰা মন নাছিল যদিও সেই সময়ত মোৰ

হাতত একো উপায় নাছিল। প্ৰথমে মই গুৱাহাটীলৈ আহি বৰ্ত্তমান মানে যোৱাকালিলৈকে চাকৰি কৰি থকা প্ৰতিষ্ঠানটোৰ এজন সাধাৰণ হিচাপ পৰিদৰ্শক হিচাপে কৰ্মজীৱনৰ পাতনি মেলিছিলোঁ। আৰু এবছৰৰ পিছত সহকাৰী পৰিচালক পদলৈ প্ৰমোচন হৈছিল। মই পোন প্ৰথমে গণেশগুৰিৰ সৰু ভাড়া ঘৰ এটাত আছিলোঁ পাছলৈ লজ এটাত থাকিবলৈ লৈছিলো। তাতেই আৰম্ভ হৈছিল মোৰ বিলাসী জীৱন। আনৰ বাবে বিলাসী নহ'ব পাৰে কিন্তু কোনো দিন ঘৰত ফেনৰ তলত শুই নোপোৱা মোৰ বাবে সেয়াই আছিল বিলাসীতা। মোৰ মূৰৰ ওপৰৰ ফেনখন যিমানেই বেগেৰে ঘূৰিছিল মোৰ সিমানেই খং উঠিছিল। মনত পৰিছিল ঘৰত বিচনাত শুই থাকোতে বেৰৰ জলঙাইদি পাৰ হৈ অহা ৰিব ৰিব কৈ গাত লগা সেই চিনাকিজাকলৈ। আজি বহুদিন হ'ল সেই আপোন যেন লগা চিনাকি বতাহ জাকৰ সুবাস নোপোৱা। কেতিয়াবা মনত পৰে গৰম দিনত দুপৰীয়া আয়ে কাষত শুৱাই লৈ ধকুৱাৰ বিচনিখনে বিচি বিচি পিঠিৰ ঘামচি ফুটাই দিয়া সেই দিনবোৰলৈ। মনত পৰে আইতাই জোনাক নিশা চোতালত বহাই লৈ সাধুৰ মাজেৰে মানুহ হ'বলৈ দিয়া সেই উপদেশবোৰলৈ। মই এতিয়া এই সকলোবোৰ হেৰুৱাইছোঁ। আইতাৰ এতিয়া বয়স হ'ল আগৰ দৰে তামোল চোবাই খাব নোৱাৰে, খুন্দি খায়। ভালদৰে খোজো কাঢ়িব নোৱাৰে। তথাপি কিন্তু মই ঘৰলৈ গ'লে নঙলা মূৰত ৰৈ থাকে।

কেতিয়াবা মাজে মাজে মোৰ প্ৰশ্ন হয়, মই বাৰু গুৱাহাটীত থাকি আইতাই মই সৰু হৈ থাকোতে আশা কৰা সেই ভাল মানুহজন হ'ব পাৰিলোনে? পিতায়ে মোক লৈ দেখা সেই সোনালী সপোন বোৰ পূৰাব পাৰিলোনে? আচলতে মই নাই পৰা। ধন ঘটিছো সঁচা কিন্তু মোৰ পৰা সমাজৰ একো লাভ হোৱা নাই। পিতায়ে বহুত কষ্ট কৰিছিল মোক মানুহ কৰিবলৈ, আয়ে সকলো কষ্ট হাঁহি হাঁহি আকোৱালি লৈছিল মোৰ ভৱিষ্যতৰ বাবে। মই ইয়াত থাকি তেওঁলোকৰ সেই ঋণবোৰ ঘূৰাব পাৰিছো জানো?

যিজনী আয়ে মোৰ পানী লগা জ্বৰ হ'লে ওৰে ৰাতি উজাগৰে থাকিছিল সেই জনী আই যেতিয়া নৰিয়াত পৰি বিচনাতে এমাহ পৰি থাকিছিল মই খবৰ ল'বলৈ আহিবলৈ ছুটি নাপাইছিলো। বেংকত পইচা ভৰাই দি পিতাইক ফোন কৰি আইৰ চিকিৎসা কৰিব বুলি ক'ব লগা হৈছিল। এয়াই বাৰু মোৰ দায়িত্ব আছিল নে?

মই পুৱা ৮ মান বজাত অফিচলৈ যাও কোম্পানীৰ গাড়ীয়ে মোক লৈ যায় আৰু অফিচ ছুটি হোৱাৰ পিছত সন্ধিয়া ৪ বজাত আকৌ থৈ যায়। মোৰ নিজৰ কাম তেনেকে নাই বুলিএ ক'ব পাৰি। ৰাতিপুৱা আৰু গধূলি ভাত কেইটা বনাব লাগে আৰু নিজৰ কাপোৰ কেইটা ধুই ল'ব লাগে। তাৰ বাদে মোৰ তেনেকে কাম নাই বুলিবই পাৰি। গাঁৱত থাকোতে পুৱা ৪টা বজাতে উঠি পিতাইৰ লগত পথাৰলৈ গৈছিলো। পথাৰৰ পৰা আহি গা ধুই ভাতকেইটা নাকে কাণে গুজি কলেজলৈ গৈছিলো। এতিয়া পিছে পথাৰলৈ যাব নেলাগে তথাপি মই ৪টা বজাতে সাৰ পাওঁ পুৰণা অভ্যাস এৰিব পৰা নাই। কিন্তু গাঁৱত সাৰ পোৱা আৰু ইয়াত সাৰ পোৱাৰ মাজত পাৰ্থক্য আছে গাঁৱত চৰাই চিৰিকটিৰ মাত শুনি সাৰ পাইছিলোঁ আৰু ইয়াত গাড়ী-মটৰৰ মাত শুনি সাৰ পাওঁ। সন্ধিয়া যেতিয়া মই ঘূৰি আহো প্ৰায়ে মই গাড়ীৰ পৰা আধা ৰাস্তাতে নামি বজাৰ সমাৰ কৰি খোজ কাঢ়ি ৰুমলৈ ওভতো। মই অহা পথটোৰ প্ৰায়বোৰ মানুহেই ব্যস্ত কাৰো খবৰ ল'বলৈ কাৰো সময় নাই। চাৰিওফালে কেৱল চিঞৰ বাখৰ কোলাহল। গাঁৱতটো তেনেকুৱা নাছিল সন্ধিয়া হোৱাৰ লগে লগে মানুহবোৰ ঘৰলৈ উভতি আহিছিল। ঘৰে ঘৰে চাকি বন্তি জ্বলিছিল। গোটেই গাঁওখনেই নিমাও মাও হৈ থাকিছিল। জীতেন ককাই নামঘৰত দবা কোবোৱাৰ লগে লগে গাঁৱৰ ডেকা-জীয়ৰী, বুঢ়া-বুঢ়ী ল'ৰা-ছোৱালী সকলোৰে মুখৰ পৰা এটাই শব্দ ভাহি আহিছিল 'কৃষ্ণ-কৃষ্ণ'। তাৰ পিছত সৰু সৰু ল'ৰা-ছোৱালীবোৰে চোতালতে পাতি পাৰি লৈ চাকি জলাই নেওতা মুখস্ত কৰিছিল আৰু কোনোৱে পাথ্যপুঠিৰ পদ্যবোৰ চিঞৰি চিঞৰি গাইছিল – ''হলৌ উঠিল টকৌ গছত লগাই খদৌ মদৌ.......'' এতিয়া এইবোৰ মোৰ বাবে মাথো স্মৃতি হৈ হৃদয়ৰ কোনোবা কোণত সোমাই আছে। ৰাতি বিচনাত চকু মুদাৰ পাছত টোপনি অহাৰ আগে আগে কেতিয়াবা ভাহি আহে।

আগতে গাঁৱত বিচনাত পৰাৰ পাছত দূৰৈৰ পৰা এটি কৰুণ বাঁহিৰ সুৰ আহি কাণত বাজিছিল আৰু সেই সুৰ শুনি মই টোপনি গৈছিলোঁ। জন্মাস্তমীৰ দিনা গাঁৱলৈ বৰকৈ মনত পৰিছিল। নামঘৰত সেইদিনা কিমান যে ভাল লাগে। ভকতসকলে নাম লৈ শেষ কৰাৰ পাছত আমি ডেকা ল'ৰা-ছোৱালীবোৰে দিহা নাম গাই ৰাতি পুৱাইছিলোঁ। সেইদিনা নামঘৰত বনোৱা পকা মিঠৈৰ সোৱাদ যি এবাৰ পাইছে সি সেই সোৱাদ কাহানিও পাহৰিব নোৱাৰে। মোৰ বাবে এতিয়া এইবোৰ অতীত।

মোৰ লগৰ বেছিভাগ ল'ৰা গাঁৱতেই আছে। মই হে চহৰীয়া হ'লো। বিতুৱে ফিচাৰি খান্দি মীন পালন কৰিছে। ৰমেনে চাহ বাগান পাতিছে। সকলোৱে উপাৰ্জন কৰিছে। মণ্টিপে গাঁৱৰ স্কুলত শিক্ষকতা কৰে। তাৰ ওচৰত এতিয়া বহুত ছাত্ৰ-ছাত্ৰী টিউচন কৰে। আতায়ে গাঁৱতে সুখত আছে মই যে চহৰলৈ আহি অকলশৰীয়া হ'লো।

পৰহি আয়ে ফোন কৰি খবৰ দিলে পিতাইৰ হাত এখন ভাঙিছে। বাৰিত গছৰ ডাল টোকালিবলৈ গছত উঠোতে পৰিলে।

যোৱাকালি অফিচত ঘৰলৈ যাবলৈ ছুটি বিচাৰিছিলোঁ। পিতাইৰ চিকিৎসা কৰোঁগৈ বুলি। কিন্তু ওপৰৰ পৰা অৰ্দাৰ আছে বোলে এই মাহত কাকো ছুটি দিব নোৱাৰে। মোৰ খঙে চুলিৰ আগ পাইছিলগৈ। মই তেতিয়াই সিদ্ধান্ত লৈছিলো। যি চাকৰি কৰাৰ বাবে মই আইৰ বেমাৰত ঘৰলৈ যাব নোৱাৰো, পিতাইৰ বিপদৰ সময়ত সহায় কৰিব নোৱাৰো। আইতাৰ কাষত বহি সুখ দুখৰ খবৰ ল'ব নোৱাৰো তেনে চাকৰি মই নকৰো। সেয়ে আজি ৰাতি পুৱাই বস্তু বাহানি বান্ধি একেবাৰে গুচি আহিছো। আৰু কেতিয়াও ইয়ালৈ ঘূৰি নাহোঁ। কাইলৈৰ পৰা গাঁৱত খেতি কৰিম। বিহুত লগৰ বোৰৰ লগত হুচৰি মাৰিম। ৰাইজে বনাই লোৱা স্কুল খনত মণ্ডিপৰ লগত ল'ৰা-ছোৱালী পঢ়াম। গাঁৱত ইয়াৰ দৰে টকা উপাৰ্জন কৰিব নোৱাৰিম সঁচা কিন্তু আই-পিতাইৰ বিপদৰ সময়ত কাষতটো থাকিব পাৰিম। আইতাক কেতিয়াবা তামোল এখন খুন্দি খোৱাবতো পাৰিম। মন গ'লেই চাইকেলখন লৈ জোনালীহঁতৰ পদূলীত টিলিঙা বজাবগৈ পাৰিম।

ষ্টেচনৰ প্লেটফৰ্মত ট্ৰেইনখন আহি ৰ'লহি। ঘড়ীটোলৈ চালো ৩.৩০ হ'ল। এঘণ্টা কেতিয়া পাৰ হ'ল গমেই নাপালো। মই বেগ কেইটা হাতত লৈ মোৰ চিতত আহি বহিছোহি। আৰু ১২ ঘণ্টা আছে। তাৰ পাছত আৰম্ভ হ'ব মোৰ নতুন জীৱন। এতিয়ালৈকে কাকো কোৱা নাই মই ঘৰলৈ অহাৰ কথা। কাইলৈ আয়ে গালি দিব চাকৰি এৰি অহাৰ বাবে আৰু জোনালী অভিমানেৰে ভৰি থাকিব তাইক খবৰ নিদিয়াকৈ মনে মনে অহাৰ বাবে।

হঠাৎ মোৰ দেহত কোনোবাই থেলা যেন অনুভৱ হ'ল। কোনোৱে থেলা নাই। ট্ৰেইনখন চলিবলৈ আৰম্ভ কৰিছে। গুৱাহাটীৰ ডাঙৰ ডাঙৰ ঘৰবোৰ মোৰ পাছফালে দৌৰিবলৈ আৰম্ভ কৰিছে। ■



Keep smiling, because life is a beautiful thing
and there's so much to smile about.
– Marilyn Monroe

আজি উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰিব। বিদ্যালয়ৰ সন্মুখত ছাত্ৰ-ছাত্ৰীসকলে ফলাফল ল'বলৈ আহি হাই উৰুমি কৰি আছে। কিছুমানে ম'বাইলৰ দ্বাৰা ইণ্টৰনেটত ফলাফল চাবলৈ যত্ন কৰিছে কিন্তু ইণ্টাৰনেট সংযোগ বিফল হোৱাত খঙত জ্বলি পকি উঠিছে। কিছুমানে আকৌ পাছ কৰিলে কি পঢ়িব? আই টি আই পঢ়িব নে নাই? স্নাতক ডিগ্ৰী পঢ়িব নে নাই? যদি স্নাতক ডিগ্ৰী পঢ়ে কি বিষয় প্ৰধান বিষয় ল'ব? কোন কলেজত নাম ভৰ্ত্তি কৰিব? আদি কথা আলোচনা কৰি আছে। মুঠতে বিদ্যালয়ৰ চাৰিওফালে কেৱল উখল মাখল পৰিৱেশ বিৰাজ কৰিছে। অৱশেষত বিদ্যালয়ৰ হাই-উৰুমিৰ মাজতে অধ্যক্ষ মহোদয় ফলাফল লৈ এম্বেচাদৰ কাৰ এখনত আহি বিদ্যালয়ত উপস্থিত হ'ল। যিহেতু ফলাফল ঘোষণা কৰাৰ কথা সকলোৰে কলিজা ধপ ধপনি হয়েই দিয়কচোন। এসময়ত অধ্যক্ষ দেৱে ফলাফল ঘোষণা পত্ৰখন ব'ৰ্ডত লগাই দিলে। ফলাফল মতে সকলো ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হ'ল। সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে। গতিকে অধ্যক্ষ দেৱে প্ৰথম স্থান পোৱা সকলো কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা অনুস্থানলৈ নিমন্ত্ৰণ দিলে আৰু এই বছৰৰ পৰা সকলোতকৈ সৰহ সংখ্যক নম্বৰ পোৱা কৃতী ছাত্ৰ বা ছাত্ৰী গৰাকীক এক বিশেষ পুৰস্কাৰ প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰিলে।

পিছদিনা কৃতী ছাত্ৰ-ছাত্ৰী সম্বৰ্ধনা অনুষ্ঠানত সকলো ছাত্ৰ-ছাত্ৰী আহিল। কৃতী ছাত্ৰ-ছাত্ৰীৰ বিশেষ বটাটিৰ দাতা পাৰ্থ প্ৰতীম বৰুৱাৰ হৃদয় আজি বিষাদেৰে ভৰি পৰিছে। বিষবোৰ পাতলাবলৈ লুকুৱাই লুকুৱাই চকুপানী টুকিছে। কিয়নো বিদ্যালয় খনৰ এই বিশেষ বটা তেওঁৰ ভনীয়েক প্ৰিয়ংকাৰ সোঁৱৰণীত প্ৰদান কৰা হয়। ভনীয়েকৰ স্মৃতি বোৰে তেওঁৰ হিয়া চূৰ্ণ বিচূৰ্ণ কৰিছে।

পাৰ্থ প্ৰতিম বৰুৱা কাকপথাৰৰ এখন ভিতৰুৱা গাঁৱৰ ল'ৰা। ডিৰাক উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰে। অষ্টম শ্ৰেণীত পঢ়ি থাকোতেই মাক-দেউতাক পথ দুৰ্ঘটনাত ঢুকাল। দেউতাক নিৰঞ্জন বৰুৱা এজন সুদক্ষ, সাহসী আৰু দেশপ্ৰেমী পুলিচ ইনচপেক্টৰ আছিল। মৃত্যুৰ কিছুদিন পূৰ্বে দেউতাকে উগ্ৰপন্থী দল এটাই বিদেশী অস্ত্ৰ সংগ্ৰহ কৰাৰ কথা গম পাই অস্ত্ৰবোৰ ক'ৰ পৰা কেনেকৈ আনে এই ৰহস্য উন্মোচন কৰিবৰ বাবে অপাৰেচন এটাত নামিছিল। এই কথা উগ্ৰপন্থীৰ দলটোৱে গম পাই তেখেতক মাৰিবৰ বাবে প্ৰগ্ৰেম তৈয়াৰ কৰিলে।

সিদিনা পাৰ্থৰ ভনীয়েক অৰ্থাৎ প্ৰিয়াংকীৰ জন্মদিন। পাঁচ বছৰীয়া প্ৰিয়াংকী আৰু পাৰ্থক তেওঁলোকৰ কোৱাৰ্টাৰত ককাকৰ সৈতে থৈ মাক আৰু দেউতাক আবেলি বজাৰ কৰিবলৈ বুলি তিনিচুকীয়ালৈ গ'ল। বজাৰ কৰোতে প্ৰায় ছয় বাজিল। আন্ধাৰ হ'বলৈ আৰু বেছি পৰ নাই। সেয়েহে পলম নকৰি ততাতৈয়াকৈ গাড়ীত উঠি ঘৰলৈ বুলি ৰাওনা হ'ল। এনেতে কিছু দূৰ যোৱাৰ পিছত প্ৰায় আন্ধাৰ হ'ল আৰু সন্মুখৰ পৰা এখন ট্ৰাক গাড়ীৰ লাইটৰ তীব্ৰ পোহৰে চকু চাৎ মাৰি ধৰিলে পাৰ্থৰ দেউতাকৰ। গাড়ীৰ লাইটৰ তীব্ৰ পোহৰত একো নেদেখা হ'ল আৰু সজোৰেৰে আহি থকা গাড়ী খনত সংঘৰ্ষ কৰিলে। কিছু সময়ৰ পিছত পুলিচ আহিল। ট্ৰাক খনৰ ড্ৰাইভাৰ তেতিয়া পলাই ক'ৰবাত পাইছিল। পুলিচে গাড়ী খন জেৰা কৰিও ক'ৰ পৰা আহিছিল, কাৰ হয় একো গমকে নাপালে। কাৰ খনত থকা পাৰ্থৰ মাক আৰু দেউতাক নিৰঞ্জন বৰুৱাক চিনি পাই পুলিচে ততাতৈয়াকৈ ঘৰত ফোন কৰি জনালে। ইতিমধ্যে মাক দেউতাকৰ মৃত্যু হৈছিল। কণমানি ল'ৰা-ছোৱালী কেইটাৰ জীৱনত শোকৰ ছাঁ পৰিল। মাক-দেউতাকৰ মৃত্যুৰ পিছত ল'ৰা-ছোৱালীকেইটাৰ সম্পূৰ্ণ দায়িত্ব ককাকৰ ওপৰত পৰিল। মাক-দেউতাকৰ মৃত্যুৰ বাবে



# নিষ্ঠুৰ নিয়তি

শ্যামল হাজৰিকা
স্নাতক তৃতীয় ষাণ্মাসিক

চৰকাৰে কেইবা লাখ টকা অনুদান দিলে আৰু সেই টকাৰে ককাকে ল'ৰা-ছোৱালী কেইটাক পঢ়োৱাৰ সিদ্ধান্ত ল'লে। কিছুদিনৰ পিছত ককাকে ল'ৰা-ছোৱালী কেইটাক লৈ গাঁৱৰ ঘৰলৈ লৈ আহিল আৰু পাৰ্থক গাঁৱৰে হাইস্কুল খনত আৰু ভনীয়েক প্ৰিয়াংকীক ওচৰৰে প্ৰাথমিক বিদ্যালয়ত নাম লগাই দিলে। ককায়েক ভনীয়েক দুয়ো লগতে স্কুল ওলাই যায়। প্ৰথমে ভনীয়েকক স্কুলত থৈ পাৰ্থ নিজৰ স্কুললৈ যায়। দিনবোৰ এনেকৈয়ে পাৰ হ'ল। এনেতে প্ৰায় চাৰি বছৰ মানৰ পিছত বৃদ্ধ ককাক ৰোগত আক্ৰান্ত হৈ মৃত্যু হ'ল। ল'ৰা-ছোৱালী কেইটাৰ জীৱনলৈ পুনৰবাৰ ক'লা ডাৱৰ নামি আহিল। ভনীয়েকৰ বাহিৰে পাৰ্থৰ এতিয়া আপোন বুলিবলৈ কোনো নোহোৱা হ'ল। সৰুতে মাক-দেউতাকৰ মৰম চেনেহৰ পৰা বঞ্চিত হোৱা ভনীয়েকজনীক এতিয়া কেনেকৈ ডাঙৰ দীঘল কৰিব ভাবি নোপোৱা হ'ল।

হাইয়াৰ ছেকেণ্ডাৰী পাছ কৰাৰ পাছত পাৰ্থ ওচৰৰে কলেজ খনত নাম লগালে। কলেজলৈ ঘৰৰ পৰা প্ৰায় দহ কিলোমিটাৰ মান দূৰ। পুৱা সোনকালে উঠি ভাত পানী খাই ভনীয়েকক স্কুলত থৈ পাৰ্থ চাইকেলেৰে সদায় কলেজলৈ যায়। মাক-দেউতাকৰ মৃত্যুৰ পিছত পোৱা টকা কেইটাৰে পঢ়ি পাৰ্থ এদিন স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰী পাছ কৰিলে। তাৰ পাছত তেওঁৰ ভনীয়েকক পঢ়াবৰ বাবে সি পঢ়ি যোৱা সেই উচ্চতৰ মাধ্যমিক বিদ্যালয়খনতে শিক্ষকতা কৰিবলৈ ল'লে। মাক-দেউতাকৰ অভাৱ অনুভৱ কৰিবলৈ নিদি ভনীয়েকক খুব মৰমেৰে ডাঙৰ দীঘল কৰিলে। এতিয়া তাৰ ভনীয়েক ডাঙৰ হ'ল। ককায়েকক এতিয়া তায়েই ৰান্ধি খুৱায়। এদিন ভনীয়েক হাইস্কুলীয়া শিক্ষান্ত পৰীক্ষাত প্ৰথম স্থান ডিচটিংচন সহ উত্তীৰ্ণ হ'ল। ককায়েক পাৰ্থই বহু জোৰ কৰিলে কিন্তু তাই দূৰলৈ পঢ়িবলৈ নগ'ল। ককায়েকক অকলশৰীয়া কৈ এৰি থাকিব নোৱাৰাৰ বাবে ককায়েকে শিক্ষকতা কৰা বিদ্যালয়খনতে তাই নামভৰ্তি কৰাৰ সিদ্ধান্ত ল'লে। তেতিয়াৰ পৰা দুয়ো একে লগে ৰান্ধি বাঢ়ি খাই মটৰ চাইকেলেৰে স্কুললৈ ওলাই যায়।

সিদিনা উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ ফলাফল ঘোষণা কৰাৰ কথা। ককায়েক পাৰ্থই ভনীয়েকক কথা দিছে-এইবাৰ তাই সকলোতকৈ বেছি নম্বৰ পালে স্কুটি এখন দিয়াৰ কথা। ইতিমধ্যে ফলাফল ঘোষণা কৰিলে। ভনীয়েক প্ৰিয়ংকী সকলোতকৈ সৰহ নম্বৰ পাই উত্তীৰ্ণ হৈছে। আনন্দত মতলীয়া আজি প্ৰিয়াংকী। কাৰণ ককায়েকে তাইক এখন স্কুটি কিনি দিব। স্কুটিৰে তাই স্কুল যাব ককায়েকৰ লগত। তাইৰ এই আনন্দ দেখি পাৰ্থৰ মনটো যে কিমান ভাল লাগিছে। কিমান কষ্টেৰে যে ডাঙৰ দীঘল কৰি এই অৱস্থা পোৱাইছে। আজি মাক-দেউতাক থকা হ'লে কিমান যে ভাল লাগিলহেঁতেন। কথাবোৰ ভাবিলে পাৰ্থৰ চকুৰ পৰা অশ্ৰু বৈ আহে।

প্ৰিয়াংকী আজিকালি স্কুটিৰে স্কুললৈ যায়। ককায়েকো মটৰ চাইকেলেৰে যায়। ভাত পানী ৰান্ধি বাঢ়ি খাই দুয়ো একেলগে ওলাই যায়। মাক-দেউতাক নথকাৰ স্বত্তেও দুয়োৰে এতিয়া সুখৰ জীৱন। সুখ বুলিবলৈ মাথোঁ পাতনি মেলিছেহে। ককায়েকৰ মাথোঁ এটাই চিন্তা তাইক পঢ়াই শুনাই এঘৰলৈ উলিয়াই দিবলৈ পাৰিলেই সিও বিয়া পতাৰ কথা চিন্তা কৰিব। তাইক এঘৰলৈ উলিয়াই দিলে কিমান যে দুখ লাগিব।

প্ৰিয়াংকী এতিয়া উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ পৰীক্ষা দি ঘৰতে আছে। ৰাতিপুৱা ককায়েকক খুৱাই বোৱাই পঠাই ল'লে দিনটো এনেয়ে থাকে। ককায়েক আকৌ ঘূৰি আহি নোপোৱালৈকে তাই বাহিৰতে বহি ককায়েকলৈ বাট চাই দিনবোৰ কটাইছে। সিদিনা ১৮ জুন। প্ৰিয়াংকীৰ পৰীক্ষাৰ ফলাফল ঘোষণা কৰিব। ককায়েকৰ বিশ্বাস তাই এইবাৰো আগৰ দৰে সকলোতকৈ সৰহ নম্বৰ পাই উত্তীৰ্ণ হ'ব। খুৱাই বোৱাই ককায়েকক স্কুললৈ পঠাই তাই অলপ পলমকৈ ঘৰৰ কাম কিছুমান কৰি যোৱাৰ কথা। এনেতে কাম বন কৰি থাকোতেই বহু সময় পাৰ হ'ল কিছু সময়ৰ পাছত ককায়েকে ফোন কৰি জনালে যে তাই সকলোতকৈ বেছি নম্বৰ পাই উত্তীৰ্ণ হৈছে। আৰু তাইক বিদ্যালয়ৰ সকলো শিক্ষক-শিক্ষয়িত্ৰীয়ে মাতিছে। সেয়ে তাই খৰ ধৰকৈ স্কুটি ষ্টাৰ্ট দি স্কুললৈ বুলি ওলাল। গৈ থাকোতে আধা বাটতে তাইৰ স্কুটি খনৰ ব্ৰেক হঠাৎ নধৰা হ'ল। তাইৰ ভয়ত হাত ভৰি কঁপিবলৈ ধৰিলে। এসময়ত স্কুটিখন গৈ সজোৰে আহি থকা এখন গাড়ীত খুণ্ডা মাৰিলে। প্ৰিয়াংকী পথটোৰ ওপৰতে পৰি ৰ'ল। পাৰ্থ খবৰ পাই ততাতৈয়াকৈ আহিল। ৰাস্তাটোৰ ওপৰত পৰি থকা ভনীয়েক প্ৰিয়াংকীক দেখি সি আৰ্তনাদ কৰি জোৰেৰে সাবটি ধৰিলে। সি গম পালে যে তাই আৰু এই সংসাৰত নাই। বিশ্বাস কৰিবলৈ প্ৰথমে টান পাইছিল। তাইৰ নো কি দোষ আছিল যে তাৰ একমাত্ৰ আপোন ভনীয়েকজনীকো নিষ্ঠুৰ নিয়তিয়ে কাঢ়ি লৈ গ'ল। পাৰ্থ শোকত ভাগি পৰিল। নিষ্ঠুৰ নিয়তিয়ে তাৰ সকলো কাঢ়ি লৈ গ'ল। প্ৰথমে মাক-দেউতাক, তাৰ পাছত ককাক আৰু এতিয়া তাৰ একমাত্ৰ মৰমৰ ভনীজনীকো কাঢ়ি লৈ গ'ল। সচাই নিয়তি বৰ নিষ্ঠুৰ।

অধ্যক্ষৰ বক্তব্য সামৰণি পৰিল। সকলোৰে হাত চাপৰিৰে বক্তব্যৰ সহাৰি জনাইছে। হাত চাপৰিৰ শব্দ শুনি পাৰ্থ উচপ খাই উঠিল। চকুৰ পৰা কেই টোপাল মান চকুৰ পানী বৈ আহিল পাৰ্থৰ। এনেতে অধ্যক্ষদেৱে পাৰ্থক বঁটাটি প্ৰদান কৰিবলৈ আমন্ত্ৰণ জনালে। বঁটাটি প্ৰদান কৰি পাৰ্থই ক'লে এই বঁটা তেওঁৰ ভনীয়েক প্ৰিয়াংকীৰ সোঁৱৰণীত দিয়া হয়। তেওঁৰ ভনীয়েক সদায় সৰহ নম্বৰ পাবলৈ যত্ন কৰিছিল। কিন্তু নিয়তি যে নিষ্ঠুৰ..! কি যে পৰিহাস নিয়তিৰ! নিয়তিৰ পাকচক্ৰৰ পৰা আজি কোনেও সাৰি যাব পৰা নাই।■



# জীৱন জীৱন বৰ অনুপম

পাৰ্থ প্ৰতিম গগৈ
স্নাতক পঞ্চম যাণ্মাষিক (পদাৰ্থ বিজ্ঞান বিভাগ)

বিচিত্ৰ মানুহৰ জীৱন, বিচিত্ৰ মানুহৰ ৰেহ-ৰূপ। কাৰোবাৰ বাবে যদি জীৱন নীলাভ আকাশৰ দৰে শান্ত, কাৰেবাৰ বাবে বিজুলী ঢেৰেকণি বৃষ্টিৰে অশান্ত। কাৰোবাৰ বাবে যদি জীৱন ঢৌ বিহীন সাগৰৰ জলৰাশিৰ দৰে নিস্তেজ কাৰোবাৰ বাবে আকৌ ই চল্লিশ খন মুখৰ গৰ্জনৰ দৰে শিহৰণকাৰী আতংকময়। এয়াই জীৱনৰ ৰূপ, এয়াই জীৱনৰ ৰহস্য। সেয়েহে হয়তো জীৱনৰ প্ৰতি মানুহৰ দুৰ্বাৰ আকৰ্ষণ দুৰ্বাৰ হেপাঁহ। জীৱনৰ প্ৰতি এই অনিৰ্বচনীয় আকৰ্ষণ আৰু কৌতুহলে জীৱনক দিছে অন্য এক ৰূপ, অন্য এক মাত্ৰা।

এয়াই জীৱন কোনোৱে যদি কয়
oh! my life what a long disease!
কাৰোবাৰ বাবে আকৌ
জীৱন-জীৱন বৰ অনুপম!

মাক দেউতাকৰ অপাৰ মৰম আদৰৰ সান্নিধ্যত পাৰ কৰা ল'ৰালি কৈশোৰৰ দিনবোৰৰ পাছত আন বহুতৰ দৰে তাৰ জীৱনলৈও প্ৰবাহিত হৈছিল যৌৱন সুঁতিৰ এটি ধাৰা। যি সুঁতিৰ সুবাসে প্লাৱিত কৰি তুলিছিল তাৰ মন, তাৰ হৃদয়।

ঘৰৰ একমাত্ৰ ল'ৰা হিচাপে কেতিয়াও কোনো বস্তুৰে অভাৱ অনুভৱ নকৰা, সদায় মাক দেউতাকৰ মৰমেৰে পূৰ্ণ হোৱা তাৰ হৃদয়ো জীৱনত প্ৰথম বাৰৰ বাবে অনুভৱ কৰিছিল। কিছুমান সংজ্ঞাবিহীন অভাৱৰ।

ল'ৰালি কৈশোৰৰ সময়ত তাৰ মন প্ৰাণ ভৰাই তোলা পুতলাগাড়ীবোৰে অথবা ক্ৰিকেট বেটখনে আজি তাক সান্তনা দিব নোৱাৰে।

ইয়াৰ পৰিৱৰ্তে সি বিচাৰে নিৰ্জনতা। যি নিৰ্জনতাৰ বুকুত সি হেৰাই যাব পাৰে। প্ৰৱেশ কৰিব পাৰে এখন কল্পনাময় জগতত। যি কল্পনাৰ জগতত সি প্ৰতিষ্ঠা কৰিব পাৰেএনে এক প্ৰতিমূৰ্তি যি পূৰণ কৰিব পাৰে, তাৰ হৃদয়ৰ সমস্ত প্ৰয়োজন, শান্ত কৰিব পাৰে তাৰ আৱেগৰ জোৱাৰক।

চহৰৰ আঢ্যৱন্ত ব্যৱসায়ী সুৰুয শইকীয়াৰ একমাত্ৰ পুত্ৰ স্বপ্ননীল। একমাত্ৰ ল'ৰাৰ এনে পৰিৱৰ্তন দেখি আচৰিত হৈছিল আৰু দেউতাকে ভয় খাইছিল। ডাক্তৰে কৈছিল এয়া পিউবাৰটিৰ লক্ষণ মাত্ৰ।

"আপুনি স্বপ্ননীল নেকি বাৰু? ছাজিদ দাৰ গা বেয়া বাবে তেওঁ আহিব নোৱাৰিলে। সেয়েহে এই স্ক্ৰীপ্টখন আপোনাক দিবলৈ কৈ পঠাইছিল মোক।"

কলেজৰ এটা বিশেষ কাৰ্যসূচী উপলক্ষে নাটক মঞ্চস্থ কৰিছিল সিহঁতে। কিন্তু সেইদিনা নাটক মঞ্চস্থ কৰা হোৱা নাছিল সিহঁতৰ। কিয়নো নাটকৰ স্ক্ৰীপ্টখন লৈ যোৱা ছাজিদ আহি পোৱা নাছিল তেতিয়ালৈকে খং উঠিছিল তাৰ। সকলোৱে অপেক্ষা কৰি ৰৈছিল। তেনেতে হঠাৎ এটি নাৰী কণ্ঠই মাত লগাইছিল তেনেদৰে।

দুহাত আগুৱাই স্ক্ৰীপ্টখন লৈছিল তাইৰ পৰা। ছাজিদৰ প্ৰতি থকা খং ভস্মীভূত হৈছিল মুহূৰ্ততে।

একেৰাহে চাই ৰৈছিল সি। কলিজাৰ ধপ-ধপনিবোৰ যেন শুনা পাইছিল সি স্পষ্টকৈ। কেতিয়াও অনুভৱ নকৰা কিছুমান ভাল-ভাল লগা অনুভূতিয়ে দোলাদি গৈছিল তাৰ মনত।

কি আচৰিত ধৰণে তাৰ সেই কাল্পনিক প্ৰতিমূৰ্তিৰ লগত মিল আছিল, সেই মুখখনিৰ সেই চকুযুৰিৰ। হতভম্বিত হৈছিল সি।

এয়াও সম্ভৱনে....? এয়াই ছাগে জীৱনৰ মহত্ব। কেতিয়াবা আশা

নকৰাকৈয়ে জীৱনত আমি হঠাৎ বহুত কিবা কিবি পাই যাওঁ। সি ভাবিছিল।

ক্ষন্তেকৰ বাবে হ'লেও যেন সেই দুচকুত বিচাৰি পাইছিল সি পৃথিৱীৰ সমস্ত বিশ্বাস আৰু প্ৰত্যয়।

জেচমিন আখতাৰ। সহজ-সৰল, নম্ৰ স্বভাৱৰ। ভাল লাগিছিল তাৰ। এতিয়া আৰু সি তাৰ সেই পূৰ্বৰ কাল্পনিক প্ৰতিমূৰ্তিক নিবিছাৰে, কাৰণ তাৰ সেই প্ৰতিমূৰ্তিৰ বাস্তৱ ৰূপ আজি জেচমিনৰ মাজত বিচাৰি পাইছে সি।

"তোমাৰ মৰমৰ বৰষুণেৰে জীপাল কৰি তুলিব খোজো মোৰ হৃদয়। দিবানে মোক অনুমতি, তোমাৰ হৃদয়ৰ সেই গোপন কোঠাত প্ৰৱেশৰ, বিনিময়ত তোমাক দিম এবুকু ভালপোৱা, মৰম,বিশ্বাস আৰু প্ৰতিশ্ৰুতি চিৰদিন এক হৈ থকাৰ।

নীলা খামৰ চিঠিত এনেদৰেই প্ৰকাশ কৰিছিল তাৰ মনৰ তীব্ৰ অনুভূতিবোৰ। তাৰ এই আৱেগ সনা প্ৰস্তাৱত গড়া খহি উঠিছিল জেচমিনৰ হৃদয়ৰ। বৈ গৈছিল ভালপোৱাৰ সুঁতি এখন হৃদয়ৰ পৰা অন্য এখন হৃদয়লৈ। যেন দুটি চিৰ পৰিচিত সুঁতি। একাকাৰ হৈ বৈ গৈছিল একোটা পথেৰে। বুজা-বুজি ভালপোৱাৰ আৰু বিশ্বাসৰ ভেটিত সেই নদীৰ বান্ধ হৈ পৰিছিল দৃঢ় দুৰ্ভেদ্য।

কোনেও যেন পৃথক কৰিব নোৱাৰে, চিৰদিন যেন বৈ আছে, চিৰদিন যেন বৈ থাকিব। একে গতিৰে একে পথেৰে।

তাৰ বাবে জেচমিন আছিল এটি ভাল লগা গীতৰ কলিৰ দৰে। যি গীতৰ সুৰ ঝংকাৰিত হৈ আছিল, তাৰ হৃদয়ত প্ৰতিটো পল প্ৰতিটো মূহুৰ্তত।

সন্তুষ্ট আছিল দুয়ো। এজনে আনজনক লৈ দেখিছিল অজস্ৰ ৰঙীন সপোন। সি অনুভৱ কৰিছিল জীৱন সচাঁই অনুপম।

লাহে লাহে সিহঁতৰ এই প্ৰণয়ৰ কথা জানিব পাৰিছিল দুয়োঘৰে। সেয়েহে দুয়োফালৰ পৰা আহিছিল প্ৰচণ্ড বাধা।

কাৰণ এয়াই যে সমাজৰ নীতি। এয়াই যে সমাজৰ নিয়ম। যুগ যুগ ধৰি চলি আছে আৰু যুগ যুগ ধৰি চলি থাকিব। যাৰ বাহিৰত যাব নোৱাৰে কোনেও।

ৰুদ্ধ হৈ পৰিচিল তাৰ সন্মুখৰ সকলো পথ। খিৰিকিৰ ফাঁকেৰে বাহিৰলৈ চাইছিল। চৌপাশে কংক্ৰীটৰ অট্টালিকা। যাৰ মাজেৰে দেখা পাইছিল ক্ষত-বিক্ষত আকাশ। যি খণ্ডিত আকাশে দিব নোৱাৰে মানুহক উদাৰতা প্ৰেম ভালপোৱাৰ অনুভূতি।

এফালে যদি তাৰ মৰমৰ পিতৃ-মাতৃ, যিয়েই নেকি তাক এই জীৱন দিলে, আনফালে জেচমিন যাৰ সৈতে একাকাৰ হৈ এই জীৱনটো আৰু বেছি সুন্দৰ কৰাৰ সপোন দেখিলে।

এফালে যদি জড়িত আছে মৰম, শ্ৰদ্ধা, সন্মান আৰু কৰ্তব্যবোধ আনফালে জড়িত আছে আবেগ-ভালপোৱা, প্ৰতিশ্ৰুতি ওৰে জীৱন এক হৈ থকাৰ।

সি নিৰুপায়। তাৰ মন গ'ল জেচমিনৰ ওচৰলৈ গৈ তাইৰ দুহাতত মুখ গুজি চিঞৰি চিঞৰি কান্দিবলৈ। চিঞৰি চিঞৰি সুধিবলৈ মন গ'ল সেই সমাজ সৃষ্টি জনক - "সেই সৃষ্টিকৰ্তা জাতি-ধৰ্মৰ পৰিচয়েই মানুহৰ শেষ পৰিচয় নেকি?

আধ্যাত্মিকতাৰ শিক্ষা-দীক্ষা, মানৱতাৰ কথা কোৱা ধৰ্মই যদি দুখন হৃদয়ৰ কৰুণ সচাঁ ভালপোৱাক বুজি নাপায়, দুখন হৃদয়ৰ কৰুণ বিননি শুনা নাপায়, তেন্তে সেই ধৰ্মৰ যুক্তি-যুক্ততা ক'ত....??

নামঘৰ অথবা মছজিদেই যদি মানুহৰ ভক্তি প্ৰদৰ্শনৰ চূড়ান্ত প্ৰকাশ, তেন্তে আছে জানো তেনে ভক্তিৰ মূল্য.....?

কিয় কাৰোবাৰ হৃদয়ৰ শ্ৰদ্ধা-ভক্তি, প্ৰেম-ভালপোৱা নিৰূপণ কৰা হয় ধৰ্ম জাত-পাতৰ মাপ-কাঠিৰে। সেয়াই যদি হয় হেঃ ভগৱান, হেঃ আল্লা নিদিবা তেনে হৃদয়, তেনে হৃদয় থকাতকৈ হৃদয়হীন যান্ত্ৰিক মানৱ হোৱাই হয়তো শ্ৰেয়.... তেতিয়া অন্ততঃ হৃদয় ভঙাৰ যন্ত্ৰণাত দগ্ধ হোৱাৰ পৰা ৰক্ষা পাব পাৰি।

সেই সৃষ্টিকৰ্তা পৃথিৱীৰ আটাইতকৈ সৰল, জ্ঞানী প্ৰাণী হিচাপে সকলোকে একেইৰূপে সৃষ্টি কৰিও তুমি কিয় জাত-পাত, ধৰ্মৰ ভিত্তিত সকলোৰে মাজত বিভাজন সৃষ্টি কৰিলা।

কিন্তু কোনে শুনিব তাৰ এই কৰুণ বিননি, কাক ক'ব সি? জেচমিনো যে আৱদ্ধ এতিয়া ঘৰত।

চকুলো নিগৰি আহিছিল কেৱল। গধূলি হৈছিল। সিহঁতৰ ঘৰৰ ওচৰতে থকা নামঘৰৰ ডবা বাজি উঠিছিল। হৰিনামৰ সুৰ মুখৰিত হৈ আহিছিল আৰু আনফালৰ পৰা ভাহি আহিছিল আজানৰ সুৰ। একাকাৰ হৈ পৰিছিল সকলোবোৰ। কিন্তু সেই সুৰ এককভাৱে অনুভৱ কৰাৰ মানসিকতা নাছিল কাৰো।

তাৰ মনত বাৰে বাৰে ভাহি আহিছিল একেটি মাত্ৰ কথা - জীৱন নহয় অনুপম। ■



# Regret

**Rajdeep Ghosh**
B.A. 5th Semester, English Major

Mukundo's mom was very ugly. She only had one eye. Mukundo always hated his mother, Chandra. For Mukundo, his mother was a real embarrassment. Mukundo's mother, Chandra ran a small tea-stall at the daily market to earn their livelihood.

When Mukundo was reading in Class VII, one day his mother came to his school to give him the tiffin. Mukundo was so embarrassed. Mukundo was furiously staring at her and thinking 'how could she do this to me?' He threw her a hateful look and ran out of the school. The next day at school everyone taunted Mukundo by saying 'your mom only has one eye.'

That day Mukundo was so angry and disappointed that he wished his mom would just disappear from this world and so he said to his mom, "Mom, why don't you have the other eye? You are only going to make me an object of laughing stock with your this look. Why don't you just die?" Chandra, Mukundo's mother didn't respond. Mukundo felt a little bad about his statement but at the same time, he felt good to think that he had said what he had wanted to all this time. May be it was because Chandra hadn't punished Mukundo, he thought he had not hurt her feelings very badly.

That night when Mukundo woke up, and went to the kitchen to get a glass of water, he saw his Mom crying there so quietly as if she was afraid that she might wake him. Mukundo threw a glance at her, and then turned away. Because of the words Mukundo had said to her earlier, there was something pinching at him in the deep corner of his heart. Even after this, Mukundo continued to nurture his feelings of hatred to her mother. Mukundo, then, told himself that he would grow up and become successful in life, because he hated his one-eyed mother and their desperate poverty.

As per promise, Mukundo studied really hard. He left his mother and came to Guwahati and studied and got admission in the Gauhati University. Soon he had graduated and completed his MBA. Then he got married, bought a house of his own, and then he had kids too. Now, he was living happily as a successful businessman. He



liked at being in Guwahati because it's a place that didn't remind him of his Mom.

But, one day someone unexpectedly came to see Mukundo. Mukundo was shocked "What? Who is this?" it was his mother, still with her one eye. Mukundo felt as if the whole sky was falling apart on him. His little girl Pinky ran away, scared of his mother's eye. Mukundo asked her, "Who are you?" I don't know you." He screamed at her "how dare you came to my house and scared my daughter! Get out of here now." And to this, his mother quietly answered, "oh, I am so sorry. I may have got the wrong address." And then she left. There was a wave of relief upon Mukundo's face.

One day a letter regarding alumni meet from his old school came to Mukundo's office. Mukundo lied to his wife saying that he was going on a business trip. After the alumni meet, Mukundo went down the old shack that he used to call a house once. There he found his mother fallen on the cold ground unconscious. But he didn't shed a single tear. She had a piece of paper in her hand. It was a letter to Mukundo. She wrote –

Mukundo,

My son, I think my life has been long enough now. And I won't visit Guwahati anymore. But would it be too much to ask if I want you to come and visit me once in a while? I miss you so much. And I was glad when I heard you were coming for the alumni meet. But I decided not to go to the school for you. I am sorry that I only have one eye and I was an embarrassment for you. You see when you were very little; you got into an accident and lost your eye. So I gave you mine. I was so proud of my son that was seeing a whole new world for me, in my place with that eye. I was never upset at you for anything you did. The couple of times you were angry with me, I thought, "it's because Mukundo loves me". I miss the times when you were still young around me. I miss you so much. I love you. You mean the world to me.

With love& blessing,
Your mother

Mukundo's world shattered. Tear rolled down from his eyes for the first time. He cried for his mother. He hated the person who only lived for him. Mukundo realized from that day he is only going to regret in his life.■



The Dream crossed twilight between birth and dying.
–T.S. Eliot



# শিৱসাগৰ – এক শিক্ষামূলক ভ্ৰমণ

ৰঞ্জন তেলী
স্নাতক পঞ্চম ষাণ্মাষিক

শিৱসাগৰ এক পুৰণি ঐতিহাসিক ঠাই। য'ত আহোমসকলৰ অসমত প্ৰথম বসতি স্থল আছিল। প্ৰথম আহোম স্বৰ্গদেউ চুকাফাই চীন দেশৰ মাওলুঙৰ পৰা ১২২৮ খৃষ্টাব্দত পাটকাই পৰ্বত পাৰ হৈ ৮০০ সৈন্য লগত লৈ অসমৰ শিৱসাগৰ জিলাত বসতি কৰিছিল। ইয়াৰ ৰাজধানী আছিল চৰাইদেউ। এয়ে প্ৰথম আহোম ৰাজৰ আৰম্ভণি। তাৰ পিছত অসমত শাসন কৰি থকা সৰু সৰু ৰজা বিলাকক পৰাজিত কৰি নিজৰ তলতীয়া কৰি ৰাখে। এনেদৰে এটা সময়ত গোটেই অসম অধিগ্ৰহণ কৰি শাসন কৰিবলৈ ধৰে। সেই সময়ত শিৱসাগৰ জিলাৰ বিভিন্ন ঠাইত বহুতো বস্তু নিৰ্মাণ কৰিছিল। বহুতো লোকৰ মুখে মুখে শিৱসাগৰৰ বস্তুসমূহৰ বিষয়ে শুনিছিলোঁ। বিভিন্ন লোকৰ মুখেৰে শিৱসাগৰৰ শিৱদ'ল,জয়সাগৰ পুখুৰী, জয়দৌল, ৰংঘৰ, কাৰেংঘৰ, তলাতল ঘৰ আদিসমূহ শুনি শুনি চাবলৈ মনত বৰ আগ্ৰহ জন্মিছিল। মনত বৰ ডাঙৰ আশা পুহি ৰাখিছিলোঁ যে সুবিধা পালেই সেই ঠাইসমূহ দৰ্শন কৰিম বুলি। এনেতে এদিন লগৰীয়াৰ পৰা শুনিবলৈ পালোঁ যে দৰ্শন বিভাগৰ পৰা শিক্ষামূলক ভ্ৰমণ হিচাপে শিৱসাগৰ যাবলৈ ঠিক কৰিছে। পিছত বাইদেউৰ মুখৰ পৰা এই কথা শুনি বৰ ভাল লাগিল। এয়া ২০১৪ চনৰ অক্টোবৰ মাহৰ কথা। সেইমতে নৱেম্বৰ মাহৰ ২ তাৰিখে দেওবাৰে যাবৰ বাবে ঠিক হ'ল। দৰ্শন বিভাগৰ মুৰব্বী অধ্যাপিকা বাইদেউৱে সকলোৰে আগত ঘোষণা কৰিলে যে ২ তাৰিখে সকলোৱে কলেজ গেটৰ সন্মুখত পুৱা ৬ বজাৰ আগত আহি ৰ'বলৈ। সেই মতে আমি সকলোৱে ৬ বজাৰ আগত আহি তাত উপস্থিত হ'লো। ইয়াৰ পৰা আমাৰ যাত্ৰা আৰম্ভ হয় ৮ বজাত। আমাৰ লগত আছিল দৰ্শন বিভাগৰ মুৰব্বী অধ্যাপিকা ইতু দাস, ৰিপা শৰ্মা, বিষ্টিৰাম নাৰ্জাৰী ছাৰ আৰু লগতে আছিল বেঙ্গলী বিভাগৰ ছাৰ এজন আৰু দাস বাইদেউৰ লগৰ এজনী। এই দীঘলীয়া যাত্ৰা পথত আমি সকলোৱে স্ফুৰ্তি কৰি কৰি গ'লো। কিছুমানে গান গাইছে, আন কিছুমানে অন্তাকচৰী আৰম্ভ কৰিছে। এনেদৰে গৈ থাকোঁতে ডিব্ৰুগড় জিলাৰ মৰাণত আমাৰ লঘু আহাৰৰ ব্যৱস্থা হ'ল এখন হোটেলত। তাৰ পিছত বাছখন পুনৰ নিজৰ গন্তব্য স্থানলৈ আগবাঢ়ি গৈ থাকিল। তাৰ কিছু পৰৰ পাছত আমি শিৱসাগৰত উপস্থিত হওঁ ১০.৪৫ মানত। শিৱসাগৰ জিলাৰ বিশাল শিৱসাগৰ পুখুৰী দেখি সকলোৱে স্ফুৰ্তিত উকিয়াবলৈ ধৰিলে। মোৰ মনৰ স্বপ্ন শিৱসাগৰ জিলাৰ বিশাল পুখুৰী, শিৱদ'ল দেখি মোৰ আনন্দৰ সীমা চেৰাই মধ্যে লগৰৰ লগত সুৰ মিলাই উকিয়াবলৈ ধৰিলোঁ। তাৰ পিছত বাছখন আগবাঢ়িল গৌৰীসাগৰৰ জয়সাগৰ পুখুৰীৰ দিশে। তাৰ কিছু সময়ৰ পাছত আমি

উপস্থিত হ'লো জয়সাগৰ পুখুৰীৰ পাৰত। যিখন পুখুৰী স্বৰ্গদেউ ৰুদ্ৰসিংহই মাতৃ (জয়মতী)ৰ স্মৃতিত এই পুখুৰীখন খন্দাইছিল। এই পুখুৰীখন এছিয়া মহাদেশৰ ভিতৰতে এখন বৃহত্তম পুখুৰী। তাৰ পাৰত অৱস্থিত জয়দৌল দৰ্শন কৰিলোঁ। তাৰ পিছত আমাৰ যাত্ৰা আৰম্ভ হয় গড়গাঁৱৰ কাৰেংঘৰৰ অভিমুখে। এক নিৰ্দিষ্ট সময়ত আমি গড়গাঁৱত উপস্থিত হওঁ। তাৰ পিছত আমি সকলোৰে ছাৰ-বাইদেউ একেলগ হৈ কাৰেংঘৰ দৰ্শন কৰিলোঁ। কাৰেংঘৰ দৰ্শন কৰি মনত বৰ আনন্দ লাগিল। তাৰ পিছত আমি যাত্ৰা আৰম্ভ কৰিলোঁ। ৰংপুৰৰ ৰংঘৰ চাবলৈ কিছু পৰৰ পাছত আমি কাৰেংঘৰৰ চৌহদত উপস্থিত হ'লো। ৰংঘৰ দুমহলীয়া। দেখিবলৈ অতি সুন্দৰ। ৰজাই উপৰ মহলাৰ পৰা নাচ, ম'হ যুজ, জীৱ-জন্তুৰ ৰং-ধেমালী উপভোগ কৰিছিল। সেয়ে এই ঘৰটোৰ নাম ৰংঘৰ হয়। এতিয়াও ইয়াৰ চৌহদত কিছুমান জীৱ-জন্তুৰ ধুনীয়া ধুনীয়া মূৰ্তি দেখিবলৈ পোৱা যায়। ইয়াৰ পিছত আমাৰ গন্তব্য স্থানটো হ'ল তলাতল ঘৰ। কিছু সময়ৰ পাছত আমি তলাতল ঘৰত উপস্থিত হ'লোঁ। এই তলাতল ঘৰটো প্ৰথমতে সাত মহল আছিল। বৰ্তমান ঘৰটোৰ তলৰ তিনি মহললৈ সোমাব নোৱাৰি। বন্ধ কৰি থোৱা হৈছে। ওপৰৰ চাৰি মহললৈকে ধুনীয়াকৈ ঘূৰি ফুৰিব পাৰি। এই তলাতল ঘৰৰ পৰা মাটিৰ তলেদি দুটা সুৰংগ আছিল। ইয়াৰে এটাৰে দিখৌ নদীলৈ আৰু আনটো গড়গাঁৱৰ কাৰেংঘৰলৈ যাব পাৰিছিল। ৰজাই বিপদৰ সময়ত এই সুৰংগৰে পলাব পাৰিছিল। বৰ্তমান এই সুৰংগসমূহ বন্ধ অৱস্থাত আছে। ইয়াতে আছে ৰজাই যুদ্ধৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰা বৰটোপ। এইসমূহ তাত সংৰক্ষণ কৰি ৰখা হৈছে।

ইয়াৰ পিছত আমি শিৱদ'ল চাবলৈ আগবাঢ়িলোঁ। শিৱদ'লত গৈ সেৱা এটা কৰিলোঁ। সেই শিৱদ'লৰ মন্দিৰৰ একেবাৰে ওপৰত থকা সোণৰ কলহটো চাবলৈ বৰ সুন্দৰ। এই সোণৰ কলহটো বৃটিছে দ্বিতীয় বিশ্বযুদ্ধৰ পাছত বন্দুকেৰে মাৰি নিবলৈ চেষ্টা কৰিছিল বুলি কয়। হয়তো সেই কাৰণে কলহটো কিছু পৰিমাণে বেকা হৈ আছে আৰু দীঘলকৈ ক'লা আঁচ এটা পৰিছে। ইয়াৰ পিছত আমাৰ আহাৰৰ ব্যৱস্থা হ'ল। আহাৰ গ্ৰহণৰ বাবে তলাতল ঘৰৰ চৌহদৰ বাহিৰৰ মুকলি ঠাই এডোখৰ ঠিক কৰিলে। কিছু সময়ৰ পাছত আহাৰ গ্ৰহণ কৰিলোঁ। বিয়লি প্ৰায় ৪.৩০ মানত আমি তাৰ পৰা ঘৰলৈ যাত্ৰা আৰম্ভ কৰিলোঁ।

**মন্তব্য ঃ** অসমৰ এসময়ৰ প্ৰাণকেন্দ্ৰ আছিল শিৱসাগৰ। এই শিৱসাগৰৰ পৰাই আহোম স্বৰ্গদেউ সকলে গোটেই অসম শাসন কৰিছিল। সেই সময়ছোৱাত শিৱসাগৰ জিলাৰ বিভিন্ন ঠাইত মঠ-মন্দিৰ, ঘৰ-দুৱাৰ সমূহ নিৰ্মাণ কৰিছিল। বিজ্ঞান-প্ৰযুক্তিৰ পোহৰ নোপোৱা সেই সময়তে কাৰিকৰী দিশত ইমান আগবঢ়া আছিল, ভাবিলে আচৰিত লাগে। বৰ্তমান এই বস্তুসমূহেই অসমক এখন ঐতিহাসিক ঠাই ৰূপে প্ৰমাণিত কৰিছে। বৰ্তমান কালৰ সোঁতত এই বস্তুসমূহৰ ক্ষয় হ'ব ধৰিছে আৰু এটা সময়ত এই সমূহ লুপ্ত পাই এটা সাথৰ হৈ ৰ'ব। আমি যদি অসমৰ সেই পুৰণি গৌৰৱ ৰাখিব বিচাৰিছো তেতিয়া হ'লে আমি শিক্ষিতচামে এতিয়াই সজাগ হ'ব লাগিব। লগতে চৰকাৰেও এই সমূহৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। তেতিয়াহে আমি অসমৰ মান ৰাখিব পাৰিম। ■



Life isn't about finding yourself. Life is about creating yourself.

– George Bernard Shaw

# অশ্ৰুহীন বেদনা নাই আৰু মোৰ

দূৰ্লভ গগৈ
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (বিজ্ঞান শাখা)

নৈ পাৰত মই,
পাখি কোবাই উৰি যোৱা
এহালি শৰালি হাঁহ
পাখিৰ শব্দৰে মই
অনুভৱ কৰোঁ নদীৰ
কুলু কুলু শব্দ।
ক'তা দেখোন
কেউফালে নিৰৱ নিস্তব্ধ।
নুবুজিও বুজি উঠো মই
এদিন.....
নদীখন কৰাল হ'ব,
সলাব গতি
হৈ পৰিব কৰকৰীয়া।
ক'ত হেৰাব নদীখন?
ক'ত হেৰাব!
ক'ত হেৰাব নদীৰ বুকুৰ
পাকচক্ৰত ঘূৰ্ণীয়মান সৰু খাদবোৰ
আৰু মোৰ সোৱৰণিৰ
বিষাদপূৰ্ণ পৃষ্ঠাবোৰ।
এতিয়াটো বৰষুণ নাই
নাই বাৰিষা।
যেনেকৈ নাই মোৰ অশ্ৰুহীন বেদনাৰ
জোনাকসিদ্ধ প্ৰতিটো নিশা
বাৰিষাৰ বেলিকাত বৰণমুখী হৈ
তুমি অহা মোৰ বুকুলৈ।■



# কবিতা

ভায়লিনা লাহন
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা শাখা)

কবিতা, কবিতা, মৰমৰ কবিতা
চেনেহৰ হাতেৰে লিখা,
কেতিয়াবা সঁচা সময়ৰ
সচা ভাল পোৱা
কেতিয়াবা সময়েই দিয়া
সজল বেদনা।
কোৱাচোন সখী
কবিতাৰ পাত্ৰতে নহয় জানো সকলো ধূনীয়া?
যেনে নীলা আকাশৰ
জোন আৰু তৰা,
যেনে নদী আৰু পানী।
যেনে গছ আৰু পাত
ঠিক তেনেকৈ মই আৰু মোৰ কবিতা।
উজ্জ্বল নহ'লেও সৰু এটি তৰা।
তোমাৰ বাবে নহ'লেও মোৰ বাবে মৰম লগা।
হয়.... এইয়া মোৰ কবিতা।
কেতিয়াবা যদি দুখৰ বৰষা।
কেতিয়াবা সুখৰ উজ্জ্বলতা।
কোৱাচোন সখী
নহয় জানো....কবিতাৰ পাত্ৰতে সকলো ধূনীয়া?■



# ‘প্ৰেম’ আৰু ‘মানৱতা’

গিতুমণি চেতীয়া
চতুৰ্থ ষান্মাসিক

ডাৱৰে আৱৰা নিলীম আকাশখনত
এটি দুটিকৈ ভৰিল অগণন তৰা
তাৰে মাজত জোনেও আহি
পাতিলে পোহৰৰ মেলা
হঠাৎ আহিল কোনোবা দিশৰ পৰা
এটি শুকুলা পাৰ
তাইৰ ঠোঁটত এটি নীলবৰণীয়া খাম
হয়তো এয়া তোৰেই বতৰা
যাও বুলিয়েই গৈছিলি আঁতৰি
কোনোবা দূৰ দিগন্তলৈ বুলি
আজি ইমান দিনত তোৰ বতৰা
আসঃ এয়াই আছিল ছাগে তোৰ নিৰৱ ‘প্ৰেম’।
কি ক’ম, কেনেকৈ থাকিম
আজিৰ এই উদাৰ পৃথিৱীত
কোনেও কাকো নকৰে মানুহৰ জ্ঞান
সকলোৰে মনত মাথো উচ্চ-নিচ্চ মনোভাৱ
নাই কাৰোৰে আজৰি সুখ দুখৰ খবৰ ল’বলে
শান্তিৰ বাণীৰে চৌদিশ আজি নকপে
কপে মাথো হত্যা-হিংসাৰ বাণীত
হেজাৰ জনতাই দ’ল বান্ধি
আন্দোলন কৰিলে মানৱতা বিচাৰি
তথাপিও নাহিল সুখ-শান্তিৰ বতৰা লৈ
‘‘মানৱতা’’ ঘূৰি। ■

# ‘আই’ তোমাৰ চৰণত

ময়ূৰী গোঁহাই
বিজ্ঞান শাখাৰ তৃতীয় ষান্মাষিক

জন্মদাতা আই তুমি মোৰ
তোমাৰ চৰণত জনম লভি
হিয়াৰ সপোন পূৰ্ণ কৰাৰ পথত
মই সদায় অগ্ৰসৰ হওঁ।
আই তুমি মোক সদায় প্ৰেৰণা দিয়া
সপোনবোৰক দিঠকৰ চানেকী দিবলৈ।
তোমাৰ প্ৰেৰণাতে অনুপ্ৰাণিত হৈ
তোমাৰ সকলো আশাক
পূৰ্ণ পথ দিব খুজোঁ।
আই ... তুমি মোক সদায় দিয়া যেন
উৎসাহ, প্ৰেৰণা, সহানুভূতিবোৰ,
সদায় যেন জাগি থাকা মোৰ হৃদয়ৰ
প্ৰতি কোণৰ স্তৰে স্তৰে
অকলশৰীয়া মনটোক যেন
সদায় তুমিয়ে জাগ্ৰত কৰা।
মাথোঁ তোমাৰ বাবে আই
সপোনবোৰক দিঠকৰ ৰূপ দিব খুজোঁ,
আপোনজনক সুখ দিয়াৰ
এক মিঠা সোৱাদ আছে
সেই অনুভূতি তোমাকো দিব খুজোঁ
আই.....
তোমাৰ শিৰ উচ্চ কৰি
নাম উজ্বলাব খুজোঁ।■



# মোৰ মৰমৰ মা

নিপু দিহিংগীয়া
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (বিজ্ঞান শাখা)



এক স্বৰ্গীয় আভাৰে
পৰিপুষ্ট এটি শব্দ ‘মা’।
স্বৰ্গীয় দীপ্তিৰে দীপ্তিমান এখন হৃদয়,
য’ত আছে সন্তানৰ আশা-ভৰষা,
সুখ-দুখ আৰু প্ৰেমৰ অনুভূতি।
ভাগৰুৱা হৃদয়েৰে যেতিয়া মই
তেওঁৰ কাষলৈ যাওঁ
তেওঁৰ মৰমৰ উমত হেৰুৱাই পেলাও নিজকে।
পাহৰি যাওঁ জীৱনৰ সকলো দুখ-যন্ত্ৰনা।
সেয়া মোৰ মৰমৰ মা।
যাৰ কোলাত শুই মই
দেখো এক ৰ’দালি ৰাতিপুৱাৰ সপোন,
যাৰ কাষত বহি প্ৰতিজ্ঞা কৰোঁ মই
এক নৱাগত সুন্দৰ জীৱন গঢ়াৰ,
সেয়া মোৰ মৰমৰ মা।
যেতিয়া এক অজান হতাশাত ভুগি
হেৰুৱাই পেলাওঁ জীৱনৰ সোণালী পথ
তেতিয়া তেওঁৰেই মোক সন্ধান দিয়ে প্ৰকৃত জীৱনৰ।
সাজু কৰি তোলে মোক জীৱন যুঁজত আগবাঢ়িবলৈ
সেয়া মোৰ মৰমৰ মা।
মই জানো মা!
তোমাৰ সন্তানৰ সুন্দৰ ভৱিষ্যতেই
তোমাৰ সুখ।
মই প্ৰতিজ্ঞাবদ্ধ।
মোৰ ভৱিষ্যতেৰেই সুখী কৰিম তোমাক
মোৰ মৰমৰ মা। ■

# অপেক্ষা

সৰিতা ছেত্ৰী
স্নাতক মহলাৰ প্ৰথম ষাণ্মাসিক

আছোঁ মই তোমাৰ অপেক্ষাৰে
আশা আছে তুমি এদিন হ’লেও
আহিবা মোৰ জীৱনলৈ
আৰু লৈ আহিবা তুমি মোৰ জীৱনত
সুখৰ মধুৰতা,
যেতিয়া মোৰ মন একান্ত হৈ পৰে
তেতিয়া মই চিন্তা কৰোঁ
কেতিয়া?
আহিবা তুমি মোৰ জীৱনলৈ
লৈ আহিবা তুমি মোৰ জীৱনত
সুখময় তথা আনন্দময় বতৰা
তেতিয়া মোৰ জীৱন হৈ পৰিব
ৰং-ৰহস্য তথা আনন্দৰে ভৰ-পূৰ
সেয়েহে,
আছোঁ মই তোমাৰ অপেক্ষাৰে। ■





# জননী

খেমৰাজ বাছকটা
বি.এ. পঞ্চম ষাণ্মাষিক (ৰাজনীতি বিজ্ঞান বিভাগ)

মই তোমাক চিনিব নোৱাৰিলোঁ,
মোৰ নিৰ্ধোকপন হয় বা বিভেশতা
হীন ভাৱনা হয় বা স্বাৰ্থপৰতা,
কিন্তু যি নহওঁক তুমি তুমিয়েই আছা
কেনেকৈ তুমি তেনেকুৱা শূন্যতা,বিভেশতা,স্বাৰ্থপৰতা
সহ্য কৰিব পাৰিলা...?
ধন্য তোমাক তুমি কাৰো লগত কোনো আপত্তি নকৰিলা
জীৱন সুধাৰ দৰে কিন্তু তাৰ সোৱাদ নললা
হায়! তোমাক কোনেও চিনি নাপালে
আমি সকলো তোমাৰ ঋণী
তোমাৰ হৃদয়ত থকা সকলো মৰম
আমাক উচৰ্গা কৰিলা
তোমাৰ মহত্ব আৰু প্ৰয়োজনীয়তাৰ প্ৰতি
কোনেও গুৰুত্ব নিদিলে
শাস্ত্ৰ বিধি পঢ়া বিলাকেও তোমাৰ
মূল বুজি নাপালে,
অন্তৰাত্মা সকলো সমাপ্ত ঘটিল
তথাপি তোমাক বুজি নাপায়
কিন্তু! যিদিনা জানিব মানুহে তোমাৰ মূল
সেইদিনা মানুহ জগতত হ'বগৈ অনমৌল,
মাতৃ ক্ষমা বিচাৰিবলৈও লাগে মোক লাজ
সেয়ে সবিচাৰে কৰি যাওঁ এই জগতত ভালকাম
এয়ে মই স্বীকাৰ কৰোঁ যে মাতৃ
সেৱাই হৈছে মানুহৰ বাবে
এক মাত্ৰ মুক্তিৰ ধাম।।■

# সপোন

শিখামণি গগৈ
একাদশ শ্ৰেণী

এই পৃথিৱীত জীয়াই আছোঁ
এবুকু সপোন লৈ
নাজানো সেই সপোন
কেতিয়া বাস্তৱত পৰিণত হ'ব
পূৰণ হ'ব মোৰ আশা।

এই সপোনবোৰ বাস্তৱ কৰিবলৈ
মই কেৱল দৌৰি ফুৰিছো
দৌৰি দৌৰি কিছুমান সপোন
জয় কৰিছোঁ
আৰু ......
কিছুমান পৰাজয়।

এই জয় পৰাজয়ৰ মাজত দৌৰি থাকোতে
কেতিয়াবা আকৌ ভাগৰি পৰো
হতাশ হওঁ মই
হেৰাই যোৱাৰ ভয়ত
কিজানিবা হঠাতে ভাঙি যায়
সপোনবোৰ .....।■





## হেৰুৱা সুহুঁৰি

জয়ন্ত শইকীয়া
স্নাতক দ্বিতীয় বৰ্ষ

নিঃসংগ হৈ
নিশা আন্ধাৰৰ বেহু ফালি
থৰ লাগি চাওঁ,
লাহে লাহে গলিব ধৰা জোনাকবোৰ।
জোনাক গলে, গলে বুকুও
গলি গলি নিগৰে চকুৰ পটাত
আৰু গলে অবিৰত অসফল প্ৰচেষ্টাত
খান্দি খান্দি পেলাব খোজা
পতিয়নহীন মৰমৰ আবেগবোৰ।
শৈল ভাস্কৰ্যৰ দৰে বুকুত বৈ যোৱা
অস্তগামী সূৰুযৰ দৰে সেন্দুৰীয়া সপোনবোৰ,
ক'ত ক্ষণ গৰকিব!
লাহে লাহে অতীত হ'ব
ইতিহাস জানো হ'ব?
হৃদয়ৰ মণিকূটত আবদ্ধ বিষাদৰ ক্ষুদ্ৰ ক্ষুদ্ৰ কণিকা,
ধূলিকণা জানো হ'ব?
অথবা পদলেহিত ৰব কোনোবা চিনাকিজনৰ ।
আজি মোৰ ওঁঠৰ শব্দ
মৌনতাত সমাধি দি
হৃদয়ৰ হেঁপাহৰ গান ধ্বংস স্তূপত পৰিণত কৰি
সৃষ্টি সভ্যতালৈ ঘূৰি যাবৰ মন।
সন্মুখৰ বতাহ জাকলৈ বুলি
মেলি দিছো এটি আশাৰ সুহুঁৰি
হয় যদি প্ৰতিধ্বনি। ■

## আঘোণ

ৰক্তিম বৰগোহাঞি
তৃতীয় ষাণ্মাসিক, কলা

আঘোণ মানেই যেন
এখন ধ্ৰুসৰ আৱৰণ,
আৰু ই ঢাকিব খোজা কিছুমান
সোণালী নষ্টালজিয়া।
আঘোণ মানেই যেন
ধ্ৰুসৰতাৰ মাজত সেউজীয়াৰ
লুকা ভাকু আৰু ন দিগন্তলৈ
এটি মাত্ৰ পথৰুৱা ঠেক আলি।
আৱৰণৰ ইটো পাৰে
হয়তো আছে,
সোণগুটিৰ মাজত ৰবাব টেঙাৰ
জুটি আৰু হয়তো,
আছে ৰূপৱতী গাভৰুৰ
খিলখিল হাঁহি।
হয়তো তাতেই আছে,
হাতত বিৰিয়া লৈ,
সৌৱা কিছুমান ভৰিৰ শব্দ
আৰু হয়তো আছে
কাচিৰ কেচ কেচ প্ৰাণচঞ্চলতা।
কিজানিবা তাতেই লেচেৰি
বুটলিবলৈ দৌৰি ফুৰিছে
কৃত্ৰিমতাক নেউচন দিয়া
কিছুমান শৈশৱৰ ধেমালি।
আৱৰণৰ এই পাৰে মাথোঁ
আছে কফি মাগত
দিয়া একোটা নিস্তেজ
হোহা আৰু আছে,
কৃত্ৰিম কিছুমান মুহূৰ্ত।
তাৰ মাজে মাজে বৈ গৈছে
দ্বীপ একোটাৰ
হাঁহিমুখীয়া যন্ত্ৰণা। ■



# Humanity

**Rajdeep Ghosh**
B.A. 5th Semester, English Major

I was in New Delhi last Sunday
The capital of the nation as they say;
On my way to Tajmahal, the great,
I witnessed how civilized ethics were in threat.

A semi-naked boy was selling flower duster
On the other hand, I saw many school goers;
I couldn't comprehend the root of this disparity,
Why some are millionaire and some are in acute paucity?

The boy went near a car to vend flower,
The traveler inside was loath to bother;
The boy fanatically knocked the window, like mad
Suddenly the window lowered and a harsh
Voice yelled, 'Get lost you poor bastard?'
Seeing this I was poignant and I asked
Myself, aren't we really humanity lacked?

I, then, went to a roadside inn for lunch
Outside the inn was sitting a boy at his haunch;
He seemed like starving for many days
His eyes were on my hot plate, but
He had neither cash nor courage to enter the gate.

I felt bad and thought to offer him bread
Then I noticed on wall, the writing in red
'NO BEGGERS ALLOWED'.
I was so sad; I was very angry and irate
But I knew, if I opposed, if I would shout
The Manager will certainly kick me out
So I kept silence, though I felt guilty.
I realized, I also lost my morals and humanity
While I was in a tour to New Delhi
As they say, the Nation's capital city.■



# Widow

**Deepannita Dey**
B.A.3rd Semester English Major

Mourning in the scorching sun,
nobody to condole.

I came alone; have to live alone and
someday die alone.

A widow am I,
for some a taboo in a society.
They ignore me, hate me,
treat me like a dog.

Even dogs are better served than me.
I keep crawling on the roads,
Nobody to care.

I came alone, have to live alone and
someday die alone. ■




**Ankita Debnath**
H.S. 1st yr. Science

World is your canvas,
Where life is a race.
Dreams are your will,
A very big deal.
That are to fulfill!
Success in a path,
Not a destination.
Your smile is the happiness,
True happiness involves,
The full use of one's power and talent…
Your tears are your sadness,
When you feel loneliness.
Facing all those problems and troubles,
You are at the finishing line of the race.
Success is waiting for you …
Success is in your path!
Let the years pass,
Don't feel as if you are growing old.
Feel each and every day you are a kid…
When end comes near,
Don't think you are not there.
You are there…
In all the dearest heart,
Till life is there!
Feel you are the luckiest person,
In the magical world.
Where Dreams are your starter of the journey,
The finishing line is the end.
In the beautiful world of canvas,
We are the players,
Life is a race…
Success is a path…■

# Fate of Feathers

**Divyashree Sedai**
B.Sc. 5th Semester

She soared higher in sky,
And her mind flew back to the nest;
Her intense eyes searched,
Searched for grains and worms.
"A li'l farther" she thought,
And her mind flew back to the nest,
Where her weak babies lay,
Waiting for their mother dear.

She passed o'er the lakes,
The river and the falls,
Tired, still she flew farther;
"food for my new babies",
That's all was in her mind.
And her mind flew back to the nest,
Where her babies lay wondering,
"Where is mother dear?

She found food, but was scared;
She was in an unknown place,
And so she hurried away.
A bang And she came down wounded,
And bleeding, fast losing height;
And her mind flew back to the nest,
Where the babies stared at the moon,
Scared and hungry, without mother dear.■





# Women –One Question Arises

**Rajnandini Gogoi**
B.A.3rd Semester English Major

Sometimes I feel myself, that a nation's
Greatness comes from women
Not from the gold, diamond or silver.

Their hearts are as pure as freshwater
As bold as sun, who never pause

But the question arise
Why it happens only to them.
What did they do?
What is their fault?

Blames, fault, loss only faced by them.
A person who does live happily
After spending few years in jail.

Why we the people not understand
Many our parents, elders.
Not think about the girl's feeling.

They also have a forward journey to life
Their life gets shattered
Like the broken glasses.

But only one solution for them.
Give them courage to fight.
Don't live them in one corner.

They are the one who makes the nation proud.
As without wealth, a woman makes a nation great. ■

# Land of Lost

**Bisawjit Prasad**
H.S. 2nd year, Science

As I walk along this unknown land,
As, the waves lap at my feet,
Serenity takes me deep below.
The surface of my skin to the depth of my own
Subconscious,
Where thoughts meet dreams
And dreams become reality. ■





# टाढ़ाको माया

**सुश्री कविता शर्मा**
५म षाण्मासिक, कला

हावा आउँदा सुगन्ध आउँछ, निम्रै जस्तो लाग्छ
येसै बेला दो मन मेरी खुशी मै हाँस्छ,
भवँराले पनि छेउमा आइ गुन-गुन गर्दछ
खबर केही ल्पादो भनेर दो मन मोहित पर्दछ,
तिम्रो तस्वीर सम्सेर मातै वे गर्न्त, वास्तब अकै हुछ।।
मनमा खोजदा अधुरो रहेछ टाढ़ाको माया
वास्तवमा भागी हिदी रहेछ आपनो
छाँया।
माया भन्दा मादाकी बन्धन दरिलो
हुदँछ,
जन्मेको कोख अलग हुँदा यो मन
रुदँछ।
सपना झै छ जीवन, धन अगाडी
पछाडी।
सम्झना मात्रै रहछ यहाँ अरुको
अगाडी।■

# माँ

**कुलदीप यादब**
उच्चतर माधमिक प्रथम बर्ष

ममता से भरी आँखे
मन में हमेशा प्यार
लगने न देती नजर कोई
रखती हमेशा खयाल।
यही हैं हमारी माँ।।
महसुस न होने देती कोई दुख
रखती हैं हमेशा खुश
आँचल में छिपाकर, धुप से बचाकर
रखती हमेशा खयाल।
यही है हमारी माँ।
कभी डाँटती, कभी मनाती
बेटा केहकर सीने से लगाती
लगने न देती छोट कोई
रखती हमेशा खयाल
यही हैं हमारी माँ।■



# উচ্ছৃংখল জীৱন বনাম স্বাৱলম্বন : যুৱ প্ৰজন্মৰ প্ৰতি সময়ৰ আহ্বান

ৰবীন মৰাণ



একোটা জাতিৰ ভৱিষ্যত সেই জাতিটোৰ যুৱ সমাজৰ ওপৰতেই প্ৰধানকৈ নিৰ্ভৰ কৰে। যুৱ সমাজৰ সুস্থ পৰিচয়ে সংশ্লিষ্ট প্ৰতিটো জাতিৰ জীৱনলৈ কঢ়িয়াই আনে নতুন প্ৰাণ প্ৰৱাহ আৰু সঞ্জীৱনী শক্তি। কৰ্মবিমুখতা, উদাসীনতা, আত্ম-সংযমহীনতা, পৰমুখাপেক্ষী আদি কাৰকবোৰে যুৱ সমাজক অস্থিৰ আৰু উচ্ছৃংখল কৰি তোলাই নহয়, ই সমগ্ৰ সমাজখনকে অশান্ত কৰি তুলিছে। হতাশগ্ৰস্ত যুৱ সমাজে অন্ধকাৰ ভৱিষ্যতৰ কথা ভাবিয়েই বিপথগামী হৈ সমাজত নানান কু-কৰ্ম কৰি সামাজিক প্ৰদুষণৰ সৃষ্টি কৰে। এনে এক পৰিস্থিতিত সৃষ্টি হোৱা চৰম অৰাজকতাই জাতীয় জীৱনৰ শৃংখলাত চৰম আঘাত হানিছে। এই ক্ষেত্ৰত অগ্ৰণী জাতীয় সংগঠন তথা সমাজৰ সচেতন মহলটোৱে কৰ্মবিমুখ তথা বিপথগামী যুৱক-যুৱতীসকলৰ মাজত কৰ্ম সংস্কৃতি জগাই তোলাৰ বাবে বিভিন্ন অভিলাষী আঁচনি গ্ৰহণ কৰিব লাগিব। অপ্ৰিয় সত্য যে অসমীয়া সমাজৰ গৰিষ্ঠ সংখ্যক লোকৰে কঠোৰ পৰিশ্ৰম, স্বাৱলম্বন, সঞ্চয়, ব্যৱহাৰিক শিক্ষা, সমন্বয় সম্প্ৰীতি, সহযোগিতা, ৰাজনৈতিক চিন্তা, পৰম্পৰা আদি অতি গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ওপৰত বিশেষ গুৰুত্ব নথকাৰ হেতু জাতি গঠন প্ৰক্ৰিয়াতে আউল লাগি গৈছে। জনসমাজত প্ৰচলিত কু-সংস্কাৰ, অপ-সংস্কৃতি আদি দূৰ কৰা অথবা আত্ম-সচেতনতা জগাই তোলাটো সহজ নহয় যদিও যৎপৰোনাস্তি সৎ প্ৰচেষ্টা অব্যাহত থাকিলে এদিন নহয় এদিন সফলতা আহিবই। স্বাভাৱিকতেই ভঙাতকৈ গঢ়াত সময়ৰ অধিক প্ৰয়োজন হয়। তেনে এক উদ্দেশ্যৰেই নৱ-প্ৰজন্মৰ বাবে এই লেখাটি যুগুতাবলৈ প্ৰয়াস কৰা হৈছে। এই লেখাত কেতবোৰ বিষয়ৰ ওপৰত সংক্ষেপে আলোকপাত কৰা হৈছে। ইয়াত যুৱ প্ৰজন্মৰ পাঠক সমাজে চিন্তাৰ কিছু খোৰাক পাব বুলি আশা কৰা হয়।

**স্বাৱলম্বন ঃ** উন্নতিৰ প্ৰকৃত ৰহস্য যি লোকে নিজকে সহায় কৰে ভগৱানেও তেওঁক সহায় কৰে। এই বিখ্যাত বাক্যশাৰীৰ অন্তৰ্নিহিত অৰ্থৰ ব্যপকতা অপৰিসীম। কৰ্মবিমুখসকলৰ বাবে তেনেই অৰ্থহীন যেন লগা উক্ত বাক্য ফাঁকিৰ গূঢ়াৰ্থ স্বাৱলম্বীসকলেহে মৰ্মে মৰ্মে উপলব্ধি কৰিব পাৰে। যিহেতু স্বাৱলম্বীয়েই হৈছে উন্নতিৰ প্ৰকৃত ৰহস্য। ই ব্যক্তি বিশেষৰেই নহয়, কোনো এটা জাতিৰ প্ৰাণ শক্তি তথা শক্তিমত্তাৰ প্ৰকৃত উৎস। আনৰ পৰা লাভ কৰা সহায় ক্ষতিকাৰকো হ'ব পাৰে। সেই কাৰ্যই দুৰ্বল কৰি তুলিব পাৰে লওঁতাজনক। ছেমুৱেল স্মাইলছৰ মতে কোনো অনুষ্ঠানেই ব্যক্তিগত কোনো লোকক সহায় আগবঢ়াব নোৱাৰে। তাৰ বিপৰীতে অনুষ্ঠানে নিজকে বিকশিত কৰি তোলাৰ স্বাধীনতা, ব্যক্তিৰ ব্যক্তিত্বৰ উৎকৰ্ষ সাধন কৰাৰ সুবিধাহে দিব পাৰে। অনুষ্ঠানসমূহৰ জৰিয়তে পূৰ্ণ সুখ, স্বাচ্ছন্দ্য লাভ কৰিব নোৱাৰে, সেয়া নিজৰ যত্নৰ দ্বাৰাহে সম্ভৱ। এই প্ৰসঙ্গত নবৱেৰ এজন বৃদ্ধই কৈ যোৱা এষাৰ কথা প্ৰণিধানযোগ্য। তেওঁ কৈছিল – "মই মূৰ্তিকো বিশ্বাস নকৰোঁ। মোৰ শৰীৰ আৰু মনৰ শক্তিতহে কেৱল মই বিশ্বাস কৰোঁ।" ইফালে দেশৰ প্ৰচলিত আইনী ব্যৱস্থাৰ ওপৰতো মানুহৰ উন্নতি নিৰ্ভৰ কৰিব পাৰে। কাৰণ জনগণৰ জীৱন, সম্পত্তি আৰু স্বাধীনতাৰ সুৰক্ষা দিয়াৰ বাবে চৰকাৰ দায়বদ্ধ। আইন কাৰ্যকৰী হ'লে ৰাইজে কম আয়াসতে শ্ৰমক সাৰ্থক ৰূপ দিব পাৰে। পিছে অপ্ৰিয় সত্যটো হ'ল আইন যিমানেই কঠোৰ নহওক কিয় ব্যক্তিগত প্ৰচেষ্টাৰ অবিহনে সংস্কাৰ সাধন সম্ভৱ নহয়। আত্ম উপলব্ধি, আত্মানুশাসন আদিৰ অবিহনে কোনো ব্যক্তি বা সমাজত উন্নত নহয়। সেয়েহে জনসাধাৰণৰ চৰিত্ৰৰ ওপৰতেই নিৰ্ভৰ কৰে এখন ৰাজ্য বা ৰাষ্ট্ৰৰ উৎকৰ্ষতা আৰু শক্তি। ব্যক্তিসকলৰ যোগ্যতা-অযোগ্যতা, দোষ-গুণ আদিৰ সমাহাৰেই এটা জাতিৰ চৰিত্ৰ নিৰ্ণয় কৰে। সমাজৰ প্ৰতিজন লোকৰ ব্যক্তিগত উৎকৰ্ষই হৈছে সভ্যতা। গতিকে সভ্যতাৰ বিকাশ নিৰ্ভৰ কৰিব সংশ্লিষ্ট মানুহখিনিৰ চিন্তাধাৰা, কৰ্মপদ্ধতি আদিৰ ওপৰত। ব্যক্তিৰ পৰিশ্ৰম, কৰ্মশক্তি, ন্যায়পৰায়ণতা আদিৰ সমষ্টিয়েই হ'ল জাতীয় উন্নতি। তাৰ বিপৰীতে কৰ্মবিমুখ, স্বাৰ্থপৰতা, অৰ্থনৈতিক চিন্তা আৰু কৰ্মৰ সমষ্টিয়েই জাতিৰ লাওলোৱা অৱস্থাৰ কাৰক। সামাজিক ব্যাধিৰ আৰোগ্যইহে জাতিৰ সমৃদ্ধি আনে। ব্যক্তিয়ে নিজকে অন্তৰ্নিহিত গুণবোৰৰ জৰিয়তে নিজকে কেনেদৰে পৰিচালিত কৰে সেয়াহে অতি গুৰুত্বপূৰ্ণ কথা। ছেমুৱেলৰ মতে স্বৈৰাচাৰী ব্যক্তিৰ দাস হ'বলগা হোৱাটো দুৰ্ভাগ্যজনক কথা হ'লেও ই চৰম দাসত্ব। জন ষ্টুৱাৰ্ট মিলৰ মতে যেতিয়ালৈকে স্বৈৰাচাৰৰ অধীনত ব্যক্তিঃ স্বাধীনতা বৰ্তি থাকিব তেতিয়ালৈকে স্বৈৰাচাৰৰ জঘন্যতম পৰিণামবোৰ সৃষ্টি নহয়।

**জাতিগঠন প্ৰক্ৰিয়া ঃ** অনেক পুৰুষ-মহিলাৰ উমৈহতীয়া চিন্তা আৰু কৰ্মৰ ফলশ্ৰুতিত একোটা জাতি গঢ় লয়। সমাজৰ বিভিন্ন স্তৰৰ ব্যক্তিৰ অধ্যৱসায়, ধৈৰ্য, পৰিশ্ৰম আদিয়ে জাতি গঠন প্ৰক্ৰিয়াত অৰিহণা যোগায়। এটা পুৰুষে পূৰ্বগামী পুৰুষৰ সৎ আদৰ্শৰ ওপৰত ভিত্তি কৰি উত্তৰোত্তৰ বিকাশৰ পথত অগ্ৰসৰ হয়। চামে চামে সৃষ্টি হোৱা সভ্যতাৰ নিৰ্মাতা বুলি ক'ব পৰা কৰ্মীসকলেই শিল্পী, বিজ্ঞান আৰু কলাৰ ক্ষেত্ৰত বিশৃংখলৰ ঠাইত শৃংখলা স্থাপন কৰিছে। এনেদৰেই এটা সতেজ জাতিয়ে উপৰি পুৰুষৰ পৰিশ্ৰম আৰু উদ্ভাৱনী দক্ষতাৰে সৃষ্টি কৰা সম্পদসমূহ স্বাভাৱিকভাৱেই লাভ কৰে আৰু তাক অধিক ৰূপত শ্ৰীবৃদ্ধি ঘটাই পিছৰ পুৰুষলৈ এৰি যায়। ব্যক্তিৰ তেজোময় কৰ্মতে স্বাৱলম্বনৰ মৰ্ম প্ৰকাশ পায়। ই জাতিৰ চৰিত্ৰৰ এক প্ৰধান বৈশিষ্ট্য। নিজৰ যোগ্যতাৰে জনসাধাৰণৰ শ্ৰদ্ধা লাভ কৰা অসাধাৰণ ব্যক্তি বিশেষৰ আৱিৰ্ভাৱ প্ৰতিটো যুগতে পৰিলক্ষিত হয়। পিছে প্ৰগতি বুলিলে সামগ্ৰিকভাৱে সাধাৰণ অসাধাৰণ সকলো লোকৰ পৰোক্ষ-প্ৰত্যক্ষ বৰঙণিৰ সমষ্টিক বুজায়। কাৰণ সাধাৰণ সৈনিকৰ অবিহনে কেৱল ৰথী-মহাৰথীৰ বাবে এখন যুদ্ধত জয়ী হোৱা সম্ভৱ নহয়। একেদৰে জনগণৰ সহযোগ নাথাকিলে এজন ব্যক্তিৰ দ্বাৰা এখন পৰাধীন দেশ স্বাধীন কৰিব নোৱাৰি। এনেবোৰ মহান কামত সৰ্বসাধাৰণৰো শৌৰ্য-বীৰ্য নিহিত হৈ থাকে।

**ব্যৱহাৰিক শিক্ষা গুৰুত্ব ঃ** প্ৰাণোচ্ছল ব্যক্তিত্বৰ অধিকাৰী জনেহে আনৰ জীৱন আৰু কৰ্মৰ ওপৰত গভীৰভাৱে ৰেখাপাত কৰিব পাৰে। ইয়াৰ পৰা পোৱা ব্যৱহাৰিক শিক্ষাই হ'ল সৰ্বোত্তম শিক্ষা যাৰ তুলনাত আনুষ্ঠানিক শিক্ষা তেনেই প্ৰাথমিক স্তৰৰ বুলিহে পৰিগণিত হয়। জীৱনৰ শিক্ষা অভিজ্ঞতাইহে দিয়ে, যি অভিজ্ঞতা হাটে-বাটে-ঘাটে, কৰ্মস্থলে কিম্বা ঘৰখনে দিব পাৰে। কৰ্ম, আচৰণ, আত্মসংযম, আত্ম শিক্ষা আদিয়েই হৈছে মানৱ জাতিৰ শিক্ষাৰ উপাদান। ছেমুৱেলৰ মতে সাহিত্যই নহয়, জীৱনহে, অধ্যয়নে নহয় কৰ্মইহে, জীৱনীয়ে নহয়, চৰিত্ৰইহে মানৱ জাতিক চিৰকালে নতুন তেজেৰে তেজোময় কৰি আহিছে। অৱশ্যে সজ লোকৰ জীৱনী আনৰ বাবে অতি সহায় কাৰক আৰু শিক্ষাদায়ক, পথপ্ৰদৰ্শক আৰু প্ৰেৰণাদায়ক হ'ব পাৰে, সেয়া অনস্বীকাৰ্য। ছক্ৰেটিছৰ মতে এখন সৰ্বাঙ্গ সুন্দৰ হ'বলৈ হ'লে প্ৰতিজন লোকেই নিজৰ মনটোক শিক্ষিত কৰি তুলিব পাৰে। ইফালে বিশ্ববিদ্যালয়ৰ শিক্ষা সকলোৰে বাবে সম্ভৱো নহয় আৰু সু-চৰিত্ৰৰ অবিহনে তেনে শিক্ষাই সমাজ গঠন প্ৰক্ৰিয়াত বিশেষ অৰিহণা নোযোগাব পাৰে। এই কথাও ঠিক যে উত্তৰাধিকাৰ সূত্ৰে ধন-সম্পদ পাব পাৰি, কিন্তু অভিজ্ঞতা আৰু জ্ঞান লাভ কৰিব নোৱাৰি। ধনী লোকে ধন দি নিজৰ কামখিনি আনৰ

হতুৱাই কৰাই ল'ব পাৰে। কিন্তু তেওঁৰ হৈ আনৰ দ্বাৰা চিন্তা কৰাই লোৱাটো অসম্ভৱ। আত্ম শিক্ষাক কোনো প্ৰকাৰে কিনা নাযায়। কাৰণ কেৱল পৰিশ্ৰমী হাত দুখন আৰু মূৰটোৱেহে আত্মশিক্ষা, ক্ৰমোন্নতি, জ্ঞান আৰু কৰ্মৰ পথ প্ৰশস্ত কৰে। জীৱন উদ্যোগী আৰু ফলপ্ৰসূ কাৰ্য কৰিবলৈ এগৰাকী লোকক একান্তই নিজৰ শক্তি সম্বন্ধে চেতনা থাকিব লাগিব। আৰামী জীৱনে সেই চেতনা জগাই নোতোলে।

**দৰিদ্ৰতাৰ অভিশাপনে? ঃ** দৰিদ্ৰতাৰ অৰ্থ কেতিয়াও অভিশাপ নহয়। ইয়াক আত্মনিৰ্ভৰশীলতাৰ দ্বাৰা আশীৰ্বাদলৈ ৰূপান্তৰ ঘটাব পাৰি। বেকনৰ মতে আত্মনিৰ্ভৰশীলতা আৰু আত্মত্যাগে মানুহক নিজৰ উপাৰ্জনেৰে খাব পিবলৈ শিকায়। সৎ কৰিশ্ৰমেৰে নিজৰ ভাত মোকলাবলৈ আৰু নিজৰ তত্ত্বাৱধানত পৰা মূল্যৱান বস্তুবোৰ বিশ্বস্তভাৱে ব্যস্ত কৰিবলৈ শিকায়। ব্যক্তিগত শ্ৰম আৰু কৰ্মশক্তিয়ে অনেক কাৰ্য সাধন কৰে। তথাপি জীৱন যাত্ৰাত আমি আনৰ পৰা পোৱা সহায় সাৰথিৰ গুৰুত্বকো স্বীকাৰ কৰিব লাগিব। উপদেশ আৰু আৰ্হি, জীৱন আৰু সাহিত্য, বন্ধু আৰু ওচৰ-চুবুৰীয়াৰ দ্বাৰা গঠিত মানুহৰ চৰিত্ৰ হাজাৰটা সুক্ষ্ম প্ৰভাৱৰ ফল। সৎ আৰু জ্ঞানীজন আনৰ ওচৰত যিমানেই ঋণী নহওক লাগে, তেওঁলোক নিজিহে নিজৰ উত্তম সহায়ক।

**পৰিশ্ৰম অমূল্য ধন ঃ** সৌভাগ্য সদায় শ্ৰমশীল লোকৰ পক্ষত। মহৎ লোকৰ জীৱনলৈ লক্ষ্য কৰিলে দেখা যায় যে বিশিষ্ট আৱিষ্কাৰক, কলাকাৰ, চিন্তাবিদ আৰু সৰ্বপ্ৰকাৰৰ কৰ্মীলোকৰ জীৱনত কৃতকাৰ্যতাৰ মূলতে প্ৰধানকৈ অক্লান্ত পৰিশ্ৰম আৰু আত্মনিয়োগ। প্ৰণিধানযোগ্য যে বিশ্ববিখ্যাত মনিষীসকলে যথাৰ্থতে প্ৰতিভাৰ দ্বাৰা তেওঁলোকৰ কৰ্তৃত্ব অৰ্জনৰ পৰিৱৰ্তে অক্লান্ত অধ্যৱসায় আৰু পৰিশ্ৰমৰ দ্বাৰাহে বিশিষ্টতা আৰ্জিছে। অধ্যৱসায় গুণটো নাথাকিলে উদ্যোগী মানুহো স্থুলবুদ্ধি অথচ পৰিশ্ৰমী লোকৰ লগত জীৱন দৌৰলৈকে যাব পাৰে। এই ক্ষেত্ৰত ইংৰাজসকলৰ এটা অতি সহজে চকুত পৰা বৈশিষ্ট তেওঁলোকৰ সহনশীলতা। শৃংখলা আৰু কৰ্তব্যনিষ্ঠাৰো অধিকাৰী ইংলেণ্ডৰ জনসাধাৰণৰ শ্ৰমশীলতা গুণৰ বাবেই বটিছ সাম্ৰাজ্যৰ উদ্যোগীক উত্তৰণ আৰু প্ৰসাৰ সম্ভৱ হৈছিল। স্বাধীন কৰ্মপ্ৰচেষ্টা আৰু কষ্ট সহিষ্ণুতাই জাতিটোক উন্নতিৰ শিখৰত আৰোহণ কৰালে। নিয়মীয়া পৰিশ্ৰমে মানুহক সু-স্বাস্থ্য প্ৰদান কৰে। শ্ৰম আৰু কৰ্তব্যত সুখ বিদ্যমান। শ্ৰমৰ অবিহনে সভ্যতাৰ উত্তৰণ ঘটিব নোৱাৰে। কষ্টোপাৰ্জিত ভাতমুঠিৰ সোৱাদেই বেলেগ। শ্ৰম কৰাটো কৰ্তব্যই নহয়, ই আশীৰ্বাদহে। আমি অতীতলৈ উভতি চালে দেখিম যে নিজৰ উদ্ভাৱনী শক্তি প্ৰয়োগৰ জৰিয়তে অমৰত্ব লাভ কৰাসকল আছিল অত্যন্ত পৰিশ্ৰমী তথা সৰহ সংখ্যকেই সাধাৰণ শ্ৰেণীৰ পৰা অহা লোক। উদাহৰণস্বৰূপে জেমছ ৱাটে দহ বছৰীয়া কঠোৰ পৰিশ্ৰমৰ ফলত উদ্ভাৱন কৰিছিল বাষ্পীভৱনশীল ভাপ ইঞ্জিন, স্কুলীয়া শিক্ষা নথকা, ল'ৰাকালত নাপিতৰ কাম কৰা, ফেৰিৱালাৰ দৰে সাধাৰণ বৃত্তিত নিমজ্জিত ৰিচাৰ্ড আকৰাইট নামৰ ল'ৰাজনে পিছলৈ সূতা কল আৱিষ্কাৰ কৰিছিল। অদম্য সাহস, প্ৰসৰ বুদ্ধি, অসাধাৰণ কৰ্মবোধ থকা ৰিচাৰ্ডক তৃতীয় জৰ্জে 'নাইট' উপাধিৰে বিভূষিত পৰ্যন্ত কৰিছিল। ইংলেণ্ডত তেওঁক আধুনিক কল-কাৰখানাৰ প্ৰৱৰ্তক বুলিলে স্বীকৃতি দিয়া হৈছিল। দৰিদ্ৰৰ সৈতে যুঁজ দি অহা উইলিয়াম লীয়ে অসাধাৰণ যান্ত্ৰিক দক্ষতাৰে তিনি বছৰ পৰিশ্ৰমৰ অন্তত মোজা গোঠা ফ্ৰেম আৱিষ্কাৰ কৰি নিজৰ নাম অমৰ কৰি গ'ল। যিকোনো শ্ৰমতে খ্যাতি আৰু সন্মান জড়িত থাকে। শ্ৰম কৰাত লাজ নাই। বৰঞ্চ ন্যায্য বৃত্তি এটা নথকাটোহে লাজৰ কথা। অৰ্জনতকৈ কম ভগন কৰি সঞ্চয়ত গুৰুত্ব দিয়াতেই আছে জীৱনৰ আনন্দ। সঞ্চিত ধন ব্যক্তিগত সুখ, বৃদ্ধকালত আত্মনিৰ্ভৰতা, পৰিয়ালৰ সুৰক্ষা আদিত ব্যৱহৃত হ'ব। তাকে নকৰি কেৱল ধনৰ পৰিমাণ বঢ়াবলৈকে সঞ্চয় কৰিলে তাক মিতব্যয়িতাৰ পৰিৱৰ্তে কৃপণালি বুলিহে কোৱা হয়। যৌৱনত সঞ্চয়ৰ জৰিয়তে কৰা মিতব্যয়িতা বৃদ্ধকালত হৈ পৰিব অৰ্থলিপ্সাহে। এনে লিপ্সাই কিন্তু মন আৰু আত্মা সংকুচিত কৰি জীৱন আৰু কৰ্মৰ বিকাশত বাধাগ্ৰস্ত কৰি তুলিব। অৱশ্যে কেৱল ধনৰ গৰাকী হৈ সৌভাগ্যৰ অধিকাৰী হোৱা বা তথাকথিত ভদ্ৰ সমাজত প্ৰৱেশৰ পথ প্ৰশস্ত কৰিলেই যথেষ্ট নহয়। সেই সমাজত সন্মান পাবলৈ হ'লে নৈতিকতা, শিষ্ট অভিজ্ঞতাকে ধৰি সদাচাৰ আৰু সহানুভূতিশীল এখন অন্তৰৰ প্ৰয়োজন হ'ব। এই আটাইবিলাক গুণৰ অধিকাৰীকহে আঢ্যৱন্ত বা সম্ভ্ৰান্ত লোক বুলিব পাৰি।

**কেনেকৈ সুযোগ সৃষ্টি কৰিব? ঃ** সুযোগ পালেই তাক গ্ৰহণ কৰি নিজৰ কামত লগাব পৰাৰ ক্ষমতা সফলতাৰ অন্যতম কাৰণ। ড° জনচনৰ মতে প্ৰতিভাৱান ব্যক্তি এগৰাকী হ'ল সাধাৰণ মানসিক শক্তিৰ অধিকাৰী, কিন্তু দৈবক্ৰমে তেওঁৰ এই শক্তি কিবা এক বিশেষ দিশত গুচি যায় আৰু তেওঁ বিশিষ্টতা অৰ্জন কৰি খ্যাতিমান হৈ পৰে। দৃঢ় প্ৰতিজ্ঞ লোক মাত্ৰেই সফলতাৰ সুযোগ পাবই। সুযোগ নাথাকিলে তেওঁলোকে নিজেই সুযোগ সৃষ্টি কৰি ল'ব পাৰে।

মানুহে জীৱনত দুখ-কষ্টৰ পৰাহে সৰ্বোত্তম শিক্ষা লাভ কৰে। সামান্য হাতিয়াৰৰ জৰিয়তেই অনেক সুদক্ষ কৰ্মীয়ে সফলতা লাভ কৰিছে। হাঠিয়াৰ যিয়েই নহওক, কৰ্মী জীৱনৰ অনুশীলনৰ পৰা লাভ কৰা শিক্ষা অধ্যৱসায়হে মূল কথা। নাচিব নজনাসকলৰ বাবেহে চোতালখন বেঁকা। কাৰণ ফাৰ্গুচনে কেৱল এখন কটাৰীৰে কাঠৰ ঘড়ী এটা সাজি

উলিয়াইছিল। এচবীয়া পানী আৰু দুটা থাৰ্মোমিটাৰৰ ওপৰত নিৰ্ভৰ কৰি ড° ব্লেকে অন্তৰ্নিহিত তাপ (লেটেণ্টহীট) আৱিষ্কাৰ কৰিছিল। পোহৰৰ গঠন আৰু বৰ্ণসমূহৰ উৎপত্তিৰ ৰহস্য আৱিষ্কাৰ কৰা নিউটনেও সহায় লৈছিল মাত্ৰ এখন প্ৰিজম, এখন লেন্স আৰু পিচ বৰ্ড। শিল্পী উইঙ্কিয়ে পেন্সিল, পৃষ্ঠপটৰ দৰে সাধাৰণ আহিলাৰ অভাৱত এঙাৰ আৰু ভঁৰালঘৰৰ দুৱাৰ এখনকে তেওঁৰ সৃষ্টিৰ আহিলা, হিচাপে ব্যৱহাৰ কৰিছিল। একেদৰে বিউইকে ঘৰৰ বেৰতে প্ৰথমে ছবি আঁকিবলৈ লৈছিল। ৱাটেও তেওঁৰ সংকোচনশীল ভাপ ইঞ্জিনৰ প্ৰথমটো আৰ্হি এটা পুৰণি চিৰিঞ্জৰ পৰা কৰিছিল। জ্যোতিবিজ্ঞানী ৰিট্টেনহচে গ্ৰহণৰ গণনা প্ৰথমতে তেওঁৰ নাঙলৰ ফাঁলখনত কৰিছিল। চুলাই মদৰ ভাটি এটাৰ ওপৰত বসবাস কৰা ড০ প্ৰিষ্টলিয়ে ৰসায়ন বিষয়টোৰ প্ৰতি আকৰ্ষিত হৈছিল। এয়া মাথোঁ কেইটামান উদাহৰণহে। গতিকে অভীষ্ট লক্ষ্য আৰু নেৰানেপেৰা প্ৰচেষ্টাই এদল লোকক যিমান সহায় কৰে, সৌভাগ্যই সিমান নকৰে। এলেহুৱা, অকৰ্মন্য লোকৰ বাবে মৰম বাঞ্ছিত দৈৱ যোগবোৰো অৰ্থহীন হৈ পৰে। চকুৰ আগলৈ অহা দৈৱযোগো গ্ৰহণ কৰিব নোৱাৰি নিৰ্বিকাৰ হৈ চাই থাকিবলগীয়া হয়। সুযোগ-সুবিধা অনবৰতে আছে, তাক তৎপৰতাৰে সদ্ব্যৱহাৰ কৰিব পৰাটোহে আচল কথা। শিক্ষা-দীক্ষা, সজ আচৰণ, সজ অভ্যাস গঢ়ি তুলিব পাৰিলে প্ৰতিকূল পৰিস্থিতিকো নিয়ন্ত্ৰণ কৰি আশাতীত ফল লাভ কৰিব পাৰি।

স্থিৰ সংকল্প হৃদয়ৰ দৰে সৌভাগ্য আন একো নাই। ধৈৰ্যৰে সমস্ত বিঘিনি অতিক্ৰমি নিজৰ উদ্দেশ্যত অবিচলিত থাকি সফলতা অৰ্জন কৰা উদাহৰণ সাধাৰণ লোকৰ বাবে নিতান্তই উৎসাহজনক। হিউমিলাৰে কৈছিল, ''যথাৰ্থ শিক্ষা পোৱা স্কুলখন হ'ল সেই জগদ্ব্যাপী স্কুলখন য'ত দুগৰাকী বৰ কঠোৰ কিন্তু উচ্চ মনা শিক্ষক হ'ল 'কষ্ট আৰু চেষ্টা।'

ব্যৱসায়ত কৃতকাৰ্যতা নিৰ্ভৰ কৰে ঘাইকৈ সজ বুদ্ধিৰ ওপৰত। ধৈৰ্য, শ্ৰম আৰু একান্ত মনে আত্মনিয়োগ, জ্ঞান অৰ্জন অথবা বিজ্ঞান চৰ্চাতএই তিনিটা গুণৰ যিমান প্ৰয়োজন, ব্যৱসায় বাণিজ্যৰ ক্ষেত্ৰতো সিমানেই প্ৰয়োজন। প্ৰাচীন গ্ৰীকসকলে কৈছিল – ''যিকোনো ক্ষেত্ৰতে সমৰ্থৱান হ'বলৈ তিনিটা কথা লাগে, সেয়া জন্মগত স্বভাৱ, অধ্যয়ন আৰু অভ্যাস। ব্যৱসায়ত শ্ৰমশীল অভ্যাসেই হ'ল কৃতকাৰ্যতাৰ গোপন ৰহস্য। যিকোনো কাৰ্যকে, সুকলমে সম্পাদন কৰিবলৈ মনোযোগ, অধ্যৱসায়, নিৰ্ভুতলতা, শুদ্ধ পদ্ধতি, সময়ানুৱৰ্তিতা আৰু দক্ষতা আদি প্ৰয়োজনীয় প্ৰধান গুণ। দেখাত এইবোৰ সামান্য কথা যেন লাগিলেও মানুহৰ সুখ, কল্যাণ আৰু সফলতাৰ বাবে একান্তই গুৰুত্বপূৰ্ণ। এই সৰু সৰু কথাৰ সমাহাৰেই হ'ল মানৱ জীৱন। ইয়াৰ পুনৰাবৃত্তিয়ে ব্যক্তিৰ চৰিত্ৰ কিয়, জাতিৰ চৰিত্ৰকো গঢ় দিব পাৰে।

**সঞ্চয় আৰু মিতব্যয়িতা ঃ** 'অভাৱেই আৱিষ্কাৰৰ মূল' বোলাৰ সমান্তৰালকৈ 'অভাৱেই স্বভাৱ নষ্ট কৰে' বোলা কথাষাৰো অতি গুৰুত্বপূৰ্ণ। অৰ্থাৎ সুস্থ জীৱন-যাপনৰ বাবে ধনৰ প্ৰয়োজনীয়তাকো নুই কৰিব নোৱাৰি। ধন হ'লে বহু দৰকাৰী বস্তুতে পাব পাৰি। ই আত্মসন্মান আৰু স্বনিৰ্ভৰতাৰো প্ৰতীক। সেয়েহে সঞ্চয়ৰ প্ৰয়োজন। সঞ্চয়ে বিপদত অথবা অভাৱৰ সময়ত ৰক্ষা কৰে আৰু নিজৰ ভৰিত থিয় দিবলৈ সহায় কৰে। নিজৰ ভৰিত থিয় দি থাকিব পৰাটো সম্ভ্ৰমৰ কথা। সঞ্চয়ৰ ফলত মানুহৰ মানসিক শক্তি, আত্ম প্ৰত্যয় বৃদ্ধিৰ পোৱাৰ লগে লগে বিচৰা ধৰণে কাম কৰাৰ স্বাধীনতা আহে আৰু বঞ্চিত কামৰ বাবে শক্তি সঞ্চয় কৰাৰ ক্ষমতা ওপজে। উপাৰ্জিত ধন সদ্ব্যৱহাৰৰ বাবে আকৌ স্বাৱলম্বিতাৰ দৰকাৰ। মিতব্যয়িতাৰ অভ্যাসেই স্বাৱলম্বিতাৰ পথ প্ৰশস্ত কৰে। সাধাৰণ কৰ্মশক্তি আৰু সামৰ্থ হ'লেই মিতব্যয়ী হোৱাৰ যোগ্যতা অৰ্জন কৰিব পাৰি। গৃহস্থালি পৰিচালনাৰ শৃংখলাই হৈছে মিতব্যয়িতা। মিতব্যয়িতাৰ উপযোগিতা সম্পৰ্কে বাৰ্ণাচে লিখিছিল – ''মিতব্যয়িতাৰ যোগেদি স্বাৱলম্বী হোৱাৰ চমৎকাৰ সুযোগ আহৰণ কৰিব পাৰি।''

**আত্মশিক্ষাই জগাই তোলে আত্মবিশ্বাস ঃ** ''নিজে নিজৰ বাবে আয়ত্ব কৰা শিক্ষাই হ'ল উত্তম শিক্ষা।'' এই মন্তব্য ছাৰ ৱাল্টাৰ স্কটৰ। যত্ন কৰি আয়ত্ব কৰা জ্ঞান একান্তই নিজস্ব। আনৰ সহায়ত লাভ কৰা শিক্ষাতকৈ আত্ম প্ৰচেষ্টাৰে লাভ কৰা শিক্ষাই মনত গভীৰভাৱে সাঁচ বহুৱায়। গতিকে ই কালজয়ী। এনে শিক্ষাই কৰ্মশক্তি বৃদ্ধি কৰে। এটা সমস্যা সমাধানৰ কৃতিত্বই আন এটা সমস্যা সমাধানৰ বাবে আত্মবিশ্বাস জন্মায়। জ্ঞানক সামৰ্থলৈ ৰূপান্তৰিত কৰিব পৰাতেই সাৰ্থকতা নিৰ্ভৰ কৰে। ব্যৱসায়-বাণিজ্যৰ দৰে আত্মশিক্ষাতো সংকল্প আৰু দৃঢ়তা একান্ত বাঞ্ছনীয়। ছাত্ৰ-ছাত্ৰীক স্বনিৰ্ভৰতাৰ শিক্ষা দি এই গুণ দুটাৰ বিকাশত উৎসাহিত কৰিব পাৰি। স্বাৱলম্বনৰ অভ্যাস অবিহনে আত্মবিশ্বাসৰ অভাৱ ঘটে। আত্মবিশ্বাসৰ অভাৱে আকৌ উন্নতিৰ পথত অগ্ৰসৰ হোৱাত বাধাৰ সৃষ্টি কৰে। অধ্যয়ন আৰু শ্ৰমৰ অবিহনে অৰ্জা শিক্ষা নহয়। ইয়াৰ উৰ্বৰা শক্তি নাথাকে। ইয়াত মাথোঁ সাময়িক উদ্দীপনা আৰু তৰল বুদ্ধিমত্তাৰ ভাৱধাৰা। আত্মশিক্ষাৰে জ্ঞানীজনে সমাজত আন একো নাপালেও অন্ততঃ নিজৰ ভিতৰতে সুধীজনৰ সঙ্গ লাভ কৰে।

জীৱন যুদ্ধত কষ্ট সাধ্য। বিনা কষ্টে জয় কৰা কঠিন। অৱশ্যে বাধা-বিপত্তি নথকাহেঁতেন কৃতকাৰ্যতাও নাথাকিলহেঁতেন। একেদৰে সংগ্ৰাম কৰিবলৈ একো নথকাহেঁতেন অভীষ্ট সাধন কৰিবলৈকো একো নাথাকিলহেঁতেন। কৃতকাৰ্যতাৰ শিখৰত আৰোহণৰ বাবে

আত্মশিক্ষাৰে বাধা-বিঘিনবোৰ চম্ভালিবই লাগিব।

সৎ আদৰ্শই গঠন কৰে সৎ চৰিত্ৰ ঃ 'উপঙ্দেশতকৈ আৰ্হি ভাল'। কিন্তু বিভিন্ন পৰ্যায়ৰ সফলত ব্যক্তিৰ কৃতীকলাপ, অনুপম অভিজ্ঞতা, উন্নতিৰ শিখৰত আৰোহণৰ গোপন ৰহস্য সম্বলিত উদাহৰণসমূহ হ'ল অন্যতম শ্ৰেষ্ঠ শিক্ষক। মানুহৰ বাবে ই ব্যৱহাৰিক পাঠশালা। কথাতকৈ কাৰ্যৰে দেখুওৱা ফলাফল অধিক ফলপ্ৰসূ। বাট প্ৰদৰ্শনৰ বাবে নিয়ম-নীতি, আইন-কানুন আছে। কিন্তু উদাহৰণবোৰ আমাক হাতত ধৰি আগবঢ়াই নিয়ে অভিভাৱকৰ দৰে। সজ উপদেশৰ গুৰুত্ব থাকিলেও সজ নিৰ্দেশনৰ অবিহনে ই হৈ পৰে মূল্যহীন। কাৰণ শুনি শিকাতকৈ দেখি শিকাত অধিক স্থায়িত্ব দেখা যায়। মনৰ গভীৰত সাঁচ বহুৱাব পৰা কৰ্মইহে বাস্তৱতা প্ৰদান কৰে। শিশুসকলে চাৰিওফালৰ জগতখনৰ যিহকে দেখে তাকেই অজানিতে অনুকৰণ কৰা দেখা যায়। সেয়েহে ঘৰুৱা পৰিৱেশ আৰু তাৰ পৰা পোৱা শিক্ষা শিশুসকলৰ বাবে অতি গুৰুত্বপূৰ্ণ। সেইবাবেই ঘৰখন হ'ল শিশুসকলৰ চৰিত্ৰ গঠনৰ প্ৰধান কঠিয়াতলী। মাক-বাপেকৰ চৰিত্ৰ তেওঁলোকৰ ল'ৰা-ছোৱালীত প্ৰতিফলিত হয়। সেয়েহে পিতৃ-মাতৃৰ খুটি-নাটি সন্তানৰ চৰিত্ৰ গঠনত তাৎপৰ্য ভূমিকা লয়। 'জুহালত গঢ়িলেহে কমাৰ শালত গঢ়িব পাৰি' বুলি সত'তে উচ্চাৰিত ব্যক্যশাৰীয়ে ইয়াকে প্ৰতিপন্ন কৰিছে যে ঘৰখনত গঢ় লোৱা সু-চৰিত্ৰৰ জৰিয়তে মানুহে ব্যক্তিগত জীৱনৰ লগতে জগত ধুনীয়া কৰিব পাৰে। চৰিত্ৰ গঠন আদৰ্শৰ ওপৰতো নিৰ্ভৰশীল। সেয়েহে সঙ্গ বিচাৰি লওঁতে সাৱধান হোৱা উচিত। এই সম্পৰ্কে লৰ্ড কালিংউডে লিখিছিল - "এই কথা ধ্ৰুৱসত্য বুলি জানিবা যে বেয়া সঙ্গলোকতকৈ অকলশৰে থকাই ভাল।" সজ সঙ্গৰ পৰা সৎ ফল পাবই। মহান চৰিত্ৰৰ সান্নিধ্যই অজানিতে দৃষ্টিভঙ্গী আৰু আচৰণত প্ৰভাৱ বিস্তাৰ কৰে। ভয়াতুৰৰ বাবে সাহসীসকলৰ উদাহৰণ প্ৰেৰণাদায়ক হোৱা দৰেই মহান ব্যক্তিৰ আদৰ্শ, মোহময় চৰিত্ৰ হ'ল জীৱনৰ গৌৰৱ আৰু কিৰীটি। মানুহৰ মহত্তম সম্পদ চৰিত্ৰ হ'ল মানৱ প্ৰকৃতিৰ উত্তম প্ৰকাশ, সদাচাৰী আদৰ্শৰ প্ৰতিফলন। সেয়েহে দৈহিক শক্তিতকৈ নৈতিক শক্তিৰ জোৰ অধিক।

**উপসংহাৰ ঃ** উপৰোক্ত আলোচনাৰ পৰা দেখা গ'ল যে স্বাৱলম্বনেই হৈছে ব্যক্তিগতভাৱে একোজন ব্যক্তি, একোটা জাতি তথা সামগ্ৰিকভাৱে একোখন দেশৰ উন্নতিৰ ৰক্ষা কবচ। বিশ্বৰ উন্নত দেশবোৰৰ গতিবিধি লক্ষ্য কৰিলে এই কথাৰ সত্যতা উপলব্ধি কৰিব পাৰি। অৱশ্যে ইয়াৰ বাবে সমাজ তথা দেশৰ সামগ্ৰিক বাতাবৰণো সুস্থ হ'ব লাগিব। কিয়নো সুস্থ পৰিৱেশ পৰিস্থিতিতহে সুস্থ কৰ্ম-চেতনা, সুস্থ জ্ঞান কিম্বা সবল ব্যক্তিত্বৰ বিকাশ সম্ভৱ। সমাজৰ বিভিন্ন স্তৰৰ ৰাজনৈতিক তথা অৰাজনৈতিক দল-সংগঠন, ধৰ্ম প্ৰচাৰক, গৱেষক, বুদ্ধিজীৱী-আইনজীৱী, প্ৰচাৰ মাধ্যম (ইলেকট্ৰনিক আৰু প্ৰিণ্ট মিডিয়া) আদিৰ এই ক্ষেত্ৰত যথেষ্ট কৰণীয় আছে। এই ক্ষেত্ৰত বিশেষকৈ চৰকাৰসমূহে উন্নত শিক্ষা ব্যৱস্থা, কৰ্ম-সংস্কৃতি, সৃষ্টি তথা বাস্তৱসন্মত ভিন্ন আঁচনিৰে যুৱ প্ৰজন্মটোক স্বাৱলম্বী কৰি তোলাৰ ক্ষেত্ৰত প্ৰভূত বৰঙণি যোগাব পাৰে। যুৱ প্ৰজন্মই ব্যক্তিগত বা সমূহীয়াভাৱে গ্ৰহণ কৰা স্বাৱলম্বনৰ আঁচনিবোৰ ফলপ্ৰসূ কৰি তুলিবলৈ চৰকাৰে উচিত পদক্ষেপ আগবঢ়াই আত্মনিৰ্ভৰতাৰ সপোন গঢ়িব পাৰে। পিছে এইখিনিতে প্ৰশ্ন হয় আমাৰ গণতান্ত্ৰিক দেশখনৰ নিৰ্বাচিত জনপ্ৰতিনিধিসকলৰ কেইজনৰ চৰিত্ৰত এনে মহানুভৱতাৰ গুণ বিৰাজমান? ■



In three words I can sum up everything I've learned about life : It goes on.

– Robert Frost



# বিৰতিত সময়ৰ প্ৰত্যাহ্বান আৰু ছাত্ৰ সমাজ

চিত্ৰলেখা বৰা
প্ৰাক্তন ছাত্ৰী, ডিগবৈ মহাবিদ্যালয়

ছাত্ৰানাং অধ্যয়নং তপঃ। ছাত্ৰসকলৰ বাবে অধ্যয়নেই তপস্যা। এয়া তাহানি কালতে ছাত্ৰসকলৰ উদ্দেশ্যে দিয়া এক অমোঘ বাণী। এতিয়া ঋষি মুনিৰ তপোবন নাই। ৰজা-মহাৰজাৰ ৰাজতন্ত্ৰও নাই। এতিয়া গ্লোবেলাইজেছনৰ যুগ। কম্পিউটাৰ, ফেচবুক, ইণ্টাৰনেটৰ যুগ। সমাজৰ প্ৰতিটো স্তৰতে দেখা গৈছে আমুল পৰিৱৰ্তন। পৰিৱৰ্তন ইতিহাসৰ এক স্বাভাৱিক ঘটনা। হয়তো অনাগত সময়ত আজিৰ উন্নত প্ৰযুক্তিও আওপুৰণি বুলি সেই সময়ৰ যুৱ প্ৰজন্মই ভাৱিবলৈ ল'ব। সময়ৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ জীৱন ধাৰণৰ প্ৰণালীও সলনি হয়। কিন্তু সলনি নহয় মানৱতাৰ প্ৰমূল্যবোধ। ছাত্ৰসকল সমাজৰে অঙ্গ। নৈতিক আৰু সামাজিক চেতনাসম্পন্ন ব্যক্তিত্ব গঠনেৰে সমাজক সুন্দৰ কৰি তোলাৰ দায়িত্বও ছাত্ৰসকলৰে। তাৰ বাবে লাগিব সুসংহত আৰু দৃঢ় ব্যক্তিত্ব।

শিক্ষাৰ উদ্দেশ্য, লক্ষ্য আৰু সাৰ্থকতা এক সুকীয়া আলোচনাৰ বিষয়। কিন্তু সহজ ভাষাত আমি ক'ব পাৰো যে শিক্ষাই আমাক ৰুচিবান আৰু পৰিশীলিত ব্যক্তিৰূপে গঢ়ি তোলে। ই সাংস্কৃতিক বাতাবৰণো তৈয়াৰ কৰিব পাৰে। উচ্চ শিক্ষাৰ মূল উদ্দেশ্যই হৈছে মানৱ সম্পদ তৈয়াৰ কৰা। প্ৰাক্-প্ৰাথমিকৰ পৰা বিশ্ববিদ্যালয়লৈ অধ্যয়নৰত সকলো শিক্ষাৰ্থীকে আমি ছাত্ৰৰ শাৰীত থওঁ। কিন্তু এটা সুস্থ আৰু নিকা সামাজিক বাতাবৰণ তৈয়াৰ কৰাৰ ক্ষেত্ৰত ছাত্ৰ সমাজৰ যি অৱদান তাক প্ৰত্যাশা কৰিব পাৰো মহাবিদ্যালয়ৰ স্তৰৰ পৰাহে। জ্ঞানৰ অবিৰত অন্বেষণৰ লগে লগে মৰ্যাদাপূৰ্ণ আৰু দায়িত্বশীল মনোভাৱেৰে দেশ, ৰাষ্ট্ৰ আৰু সমাজৰ প্ৰতি মনোযোগী হ'ব পৰাটো ছাত্ৰসকলৰ বাবে বিশেষভাৱে গুৰুত্বপূৰ্ণ কথা বুলি ভাবো। প্ৰকৃততে দেশ আৰু জাতিৰ সৰ্বাঙ্গীন উন্নতি সাধন হ'লেহে শিক্ষাৰ সাৰ্থকতা আছে। কিছুমান বাস্তৱ সত্যক আমি অস্বীকাৰ কৰিব নোৱাৰো। যেনে বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ সকলৰ প্ৰথম কৰ্তব্য হ'ব পৰীক্ষাত ভালদৰে উত্তীৰ্ণ হোৱা। পৰীক্ষাৰ ভাল ফলাফলে ছাত্ৰ, অভিভাৱক আৰু শিক্ষক সমাজ, সকলোকে সমানে আনন্দিত কৰে। ভাল ফলাফলে এজন ছাত্ৰৰ জীৱনলৈ উজ্জ্বল ভৱিষ্যতৰ সপোন কঢ়িয়াই আনে। এটা ভাল চাকৰি, আৰ্থিক নিৰাপত্তা সকলোৰে কাম্য। মাথো এটা কথা মনত ৰখা ভাল যে অকল নিজৰ জীৱনটো সুন্দৰ হ'লেই নহ'ব। সমাজখন যদি মকৰাৰ জালেৰে আবৃত্ত হয়, তেনেহ'লে বহুতো অপশক্তিয়ে ক্ৰিয়া কৰিব। ৺ ড° বাণীকান্ত কাকতীয়ে কৈছিল যে ছাত্ৰসকল মৌ মাখি হ'ব লাগিব, মকৰা নহয়। কাৰণ মকৰাৰ জাল মানুহে বাঢ়নীৰে সাৰি পেলায়।

ছাত্ৰসকল সমাজৰ পৰা বিচ্ছিন্ন নহয়। সমাজৰ ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক সকলো দিশতে ছাত্ৰসকল পৰোক্ষ বা প্ৰত্যক্ষভাৱে জড়িত হৈ আছে। বৰ্তমান আমাৰ সমাজত কিছুমান বেমাজালিয়ে দেখা দিছে। তাৰ বেছিভাগেই আমি নিজে সৃষ্টি কৰা সমস্যা। সামাজিক বৈষম্য, অৰ্থনৈতিক সংকট, সাংস্কৃতিক দুৰ্যোগ আৰু সমাজবাদৰ নামত চলা ভেকো ভাওনাই ছাত্ৰ সমাজতো উদ্বিগ্নতাৰ সৃষ্টি কৰিছে। ৰাজনৈতিক দলাদলিয়ে দেশৰ সকলো ধৰণৰ সামূহিক প্ৰচেষ্টাক বিক্ষিপ্ত আৰু অস্থিৰ কৰি তুলিছে। প্ৰতিটো কল্যানমূলক আঁচনিৰ ক্ষেত্ৰত কল্যান প্ৰচেষ্টাতকৈ বেছি গুৰুত্ব দিয়া হৈছে দলীয় স্বাৰ্থক। যি সময়ত আমাক সৃষ্টিশীল কৰ্মই প্ৰভাৱিত কৰিব লাগে, সেই সময়ত ধ্বংসাত্মক কাৰ্যৰহে ভিৰ পৰিলক্ষিত হৈছে। দুৰ্ঘটনা হ'লে গাড়ীখন জ্বলাই দিয়া, ৰোগীৰ মৃত্যু হ'লে নাৰ্চিং হোম লণ্ডভণ্ড কৰা, ক্ষনিক উত্তেজনাৰ বশবৰ্ত্তী হৈ জ্যেষ্ঠ জনকো অপমান কৰা আদি নিন্দনীয়

কামবোৰ গৰিহণাৰ যোগ্য। বৰ্তমান সময়ত এক বহুচৰ্চিত শব্দ হ'ল অসহিষ্ণুতা। অকল ধৰ্মৰ ক্ষেত্ৰতে নহয়, সমাজৰ প্ৰতিটো স্তৰতে আজি অসহিষ্ণুতাই দেখা দিছে। এজনে আনজনক দোষাৰোপ কৰিছে কৰ্তব্যত গাফিলতি কৰা বুলি। কিন্তু নিজৰ ক্ষেত্ৰত যেন তেওঁ বুজিও নুবুজে, দেখিও নেদেখে। একবিংশ শতিকাতো অন্ধ বিশ্বাস, কুসংস্কাৰক প্ৰশ্ৰয় দিয়াটো মানৱ সভ্যতাৰ বাবে অতিকৈ লজ্জাজনক কথা। সমাজ যেতিয়া দুৰ্নীতিপূৰ্ণ হয়, অস্থিৰ হয়, ছাত্ৰসকল তাৰ পৰা উৰ্দ্ধত থকাটো সম্ভৱ নহয়। বিদ্যালয়, মহাবিদ্যালয়বিলাক আচলতে জীৱন গঢ়াৰ কমাৰশাল। ছাত্ৰসকলে নিজৰ নিজৰ লক্ষ্য আৰু উদ্দেশ্য ইয়াতেই স্থিৰ কৰি লয়। কিন্তু একাংশ ছাত্ৰই অনৈতিক আৰু বিবেকহীন কাম কৰিবলৈ কুণ্ঠাবোধ নকৰে। ছাত্ৰ শিক্ষকৰ পৱিত্ৰ সম্পৰ্কতো কেতিয়াবা কেনা লাগে। কিন্তু কি পৰিস্থিতিত পৰি ছাত্ৰসকল শুদ্ধ পথৰ পৰা পিছলি পৰে। তাক বিশ্লেষণ কৰাৰ প্ৰয়োজন নিশ্চয় আছে। আমি আশা কৰো মহাবিদ্যালয় বিলাকত এনে এক পৰিৱেশ গঢ়ি উঠক, যি শিক্ষানুষ্ঠানখনৰ লগতে সমাজ খনলৈও এক শুভ বাৰ্তা কঢ়িয়াই আনে।

এজন ছাত্ৰই জীৱনত সফলতা লাভ কৰিবলৈ হ'লে পাঠ্যপুথিত মনোনিৱেশ কৰিবই লাগিব। এয়া তেওঁৰ প্ৰথম কৰ্তব্য। কিন্তু পাঠ্যপুথিৰ বাহিৰেও পঢ়িবলগীয়া অনেক বিষয় থাকে। আমি যিখন দেশৰ নাগৰিক, যিখন সমাজত আমাৰ জন্ম, বিশ্বৰ পৰিৱৰ্তিত ঘটনাৱলী, এই সকলোবোৰ অধ্যয়নৰ বিষয় হোৱা উচিত। টি ভি চোৱা, ইণ্টাৰনেট, ফেচবুক ব্যৱহাৰ কৰা বা অন্যান্য ৰং-ৰহইচৰ অনুষ্ঠান বিলাক উপভোগ কৰাত এটা সীমাবদ্ধতা থকা ভাল। অতি মেধাৱী ছাত্ৰ-ছাত্ৰীকো যদি দেশৰ মনীষা সকলৰ জীৱন আৰু কৃতি সম্পৰ্কে প্ৰশ্ন কৰা হয়, তেনেহ'লে এখন দুখজনক ছবিহে দেখা যায়। আমাৰ সাংস্কৃতিক ঐতিহ্য, পৰম্পৰাৰ বিষয়ে জ্ঞান আহৰণ কৰাটো প্ৰতিজন ছাত্ৰৰে অৱশ্যে কৰ্তব্য। আনহাতে পৰীক্ষাত সৰহ নম্বৰ পোৱাজনক লৈ আমি যিমান আগ্ৰহ দেখুৱাওঁ নম্বৰ কম পোৱা শিক্ষাৰ্থীজনৰ প্ৰতি সিমান মনোযোগ নিদিওঁ। এওঁলোককো ইতিবাচক পথ এটাৰ সন্ধান দিব পাৰিলেহে এটি সুন্দৰ সামাজিক বাতাবৰণ গঢ়ি উঠিব পাৰে।

নিজৰ ভৱিষ্যতক লৈ প্ৰতিজন শিক্ষাৰ্থীয়ে সপোন দেখে। প্ৰত্যেকজনৰ বাবে সপোনবোৰ সোণালী হৈ উঠে। কিন্তু যেতিয়া বাস্তৱৰ মুখামুখী হয়, তেতিয়াহে অনুভৱ কৰে বাস্তৱ জীৱনৰ খলাবমাবোৰ। কিন্তু এই খলাবমাবোৰক প্ৰত্যাহ্বান ৰূপে গ্ৰহণ কৰিলেহে জীৱন যুদ্ধত জয়ী হ'ব পাৰি। সময়ৰ শৰ সময়ত মাৰিব পাৰিলে নিজৰ লক্ষ্যত উপনীত হ'ব পাৰি। ধৈৰ্য, একাগ্ৰতা, অধ্যৱসায়, সহনশীলতা আৰু জীৱনক বুজি পোৱাৰ গভীৰতা থাকিলে সকলো প্ৰত্যাহ্বান হেলাৰঙে নেওচিব পাৰি।

মহাত্মা গান্ধীয়ে কৈছিল ''ধৰ্ম কথাষাৰ মই বহল অৰ্থত ব্যৱহাৰ কৰো। ধৰ্মৰ অৰ্থ হ'ল আত্মজ্ঞান আৰু আত্ম উপলব্ধি।'' আত্মজ্ঞান আৰু আত্মউপলব্ধিৰ শিক্ষাই মানুহক মহৎ কৰি তোলে। আত্মজ্ঞানৰ শিক্ষাই জীৱনক জয় কৰিবলৈ সাহস যোগায়। আত্মজ্ঞানৰ বাবে লাগে আত্মপ্ৰচেষ্টা। আত্মপ্ৰচেষ্টাৰে আহৰণ কৰা শিক্ষাহে জীৱনত স্থায়ী হৈ ৰয়। সুস্থ কৰ্মচেতনা, সুস্থজ্ঞান, সদাচাৰী, সদালাপী ব্যক্তিজন সমাজৰ আদৰ্শ স্বৰূপ। আগতেই কৈছো জীৱন ধাৰণৰ প্ৰণালীহে সলনি হয়। জীৱনবোধৰ মাহাত্ম্য একেই থাকে। যুগৰ আহ্বান আমি গ্ৰহণ কৰিবই লাগিব। কিন্তু চাব লাগিব যাতে আকাশ চুবলৈ যাওঁতে ভৰিৰ তলৰ মাটি নেহেৰায়। ■



Keep calm and carry on.
– Winston Churchill



# এক দেৱ, এক সেৱ, এক বিনে নাই কেৱ

হাছান আখটাৰ ফৰিদ
ডিগবৈ, প্ৰাক্তন ছাত্ৰ

যিজন ঈশ্বৰৰ কৃপাত জ্ঞান পাই আজি মই বিশ্বভাতৃত্ব ভাৱ গঢ়াই তুলিবলৈ এই লিখনীটো লিখিবলৈ সাহস কৰিছোঁ সেই ঈশ্বৰৰ চৰণত সেৱা জনাইছোঁ।

হে সদাশয় লোকসকল, প্ৰথমতে আপোনালোক সকলোকে আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। মোৰ অন্তৰত সোমাই থকা কেইটামান কথা আপোনালোকৰ আগত ব্যক্ত কৰিছোঁ আৰু আপোনালোকে ইয়াৰ ওপৰত চিন্তা চৰ্চা গৱেষণা নকৰাকৈ মোক দোষাৰোপ নকৰে যেন।

মোৰ এই লিখনীৰ জৰিয়তে মানুহৰ মনটোক ভাতৃত্বভাৱেৰে গঢ়াই তুলিবলৈ ক্ষুদ্ৰ প্ৰয়াস কৰা হ'ল আৰু হিন্দু-মুছলমান উভয়ৰে সম্প্ৰীতি বজাই ৰাখিবলৈ আপ্ৰাণ চেষ্টা কৰা হ'ল।

মোৰ এই কথাখিনি দাঙি ধৰাৰ আন এক উদ্দেশ্য হ'ল হিন্দু-মুছলমানৰ মাজত থকা জাতি ভেদ নাইকীয়া কৰা। বৰ্তমান আজিৰ যুগতেই হিন্দু মুছলমানৰ মাজত যি জাতি ভেদৰ সমস্যাই দেখা দি আছে সেই জাতি ভেদৰ সমস্যা দূৰ কৰিবলৈ আৰু কিছুমান বিশেষ কথা ৰাইজক জনোৱাৰ বাবে এই লিখনীটো লিখিছো। এই লিখনীটো লিখোটে ঈশ্বৰে মোক সহায় কৰিব বুলি বিশ্বাস আছে। ঈশ্বৰ সৰ্বশ্ৰেষ্ঠ সহায়কৰ্তা।

এতিয়া মই আপোনালোকৰ আগত শ্ৰীশ্ৰীশংকৰদেৱ আৰু চান্দসাই নামেৰে এজন মুছলমানদৰ্জীৰ মাজত থকা মধুৰ সম্বন্ধৰ বিষয়ে দুআষাৰ মান আগবঢ়াব লৈছো।

শ্ৰীশ্ৰীশংকৰদেৱে ভাগৱতত কৈছে

''কিৰাত কছাৰী খাচী গাৰো মিৰি
যৱন (মুছলমান) কংক গোৱাল
অসম মুলুক ধুবা যে তুৰক
কুবাচ মলেছে চাণ্ডাল''

হৰি উপাসনা কাৰণে নামঘৰত প্ৰৱেশ কৰিবলৈ সকলো জাতিৰে, সকলো সম্প্ৰদায়ৰ, সকলো লোকৰে সম অধিকাৰ আছে। শংকৰদেৱৰ ওচৰত গাৰোৰ গোবিন্দ, নগাৰ নৰোত্তম, মুছলমানৰ চান্দসাইয়ে শৰণ লৈ শিষ্যত্ব গ্ৰহণ কৰিছিল।

শ্ৰীশ্ৰীশংকৰদেৱে হিন্দু-মুচলমানৰ মাজত সম্প্ৰীতি স্থাপন কৰিবলৈ আজীৱন ব্ৰতী হৈ আছিল আৰু শেষত হিন্দু



মুছলমানৰ মাজত সম্প্ৰীতি স্থাপন কৰিবলৈ সফল হৈছিল।

শংকৰদেৱৰ পাটবাউসীত থকা সময়ত চান্দসাই নামেৰে এজন মুছলমান দৰ্জীলোক তেওঁৰ প্ৰতি আকৃষ্ট হৈ পৰিছিল। শংকৰগুৰুৱে চান্দসাইক নিজৰ সান্নিধ্যলৈ আনি ভকতৰ শাৰীত দিছিল।

শংকৰদেৱে তেওঁৰ আচল ৰূপ চান্দসাইকে দেখুৱাইছিল। এবাৰ শংকৰদেৱে চান্দসাই দৰ্জীক চোলা এটা চিলাই দিবলৈ ক'লে। চান্দসায়ে বোলে সেই সময়ত শংকৰদেৱৰ চতুৰ্ভুজ মূৰ্ত্তি দেখা পাই চোলাটোত চাৰিখন হাত দিলে। শংকৰদেৱে চোলাটোত চাৰিখন হাত দিয়াৰ কাৰণ সুধিলে, তেতিয়া চান্দসায়ে ক'লে – '' গুৰুক যি ৰূপত দেখিলো সেই মতেহে চাৰিহাত দিলো।'' তেতিয়া শংকৰদেৱে কথাটো আনক ক'বলৈ মানা কৰি চোলাটোৰ হাত দুখন কাটি দিবলৈ চান্দসাইক আদেশ দিলে।

এবাৰ শংকৰ গুৰুৱে চান্দসাইকে নামৰ অন্তত প্ৰসাদ বিতৰণ কৰিব ক'লে। চান্দসায়ে গুৰুৰ আদেশ শুনি প্ৰথমে থত-মত খাইছিল। পিছত গুৰুৰ আদেশ মানি গা-পা ধুই যথা নিয়মেৰে প্ৰসাদ বিতৰণ কৰিব আহিল। চান্দসাইৰ মুখ দাড়ী-গোফেৰে ভৰা আছিল। কেনেবাকৈ প্ৰসাদত দাড়ি পৰিব পাৰে বুলি ভাবি তেওঁ নিজৰ মুখখন গামোছাৰে বান্ধি ল'লে। শংকৰদেৱে তেওঁৰ এই নিয়মটো বৰ পছন্দ কৰিলে। তেতিয়াৰ পৰাই বিলনীয়াই প্ৰসাদ বিতৰণ কৰোতে মুখত গামোছা মৰা নিয়মটো প্ৰচলন হ'ল।

শ্ৰীমন্তশংকৰদেৱৰ আৰু তেওঁৰ শিষ্য সকলে নামঘৰৰ প্ৰথম খুটাটো স্থাপন কৰোঁতে, খুটাটো মাটিত স্থাপন হোৱা নাছিল, বাৰে বাৰে পৰি গৈছিল। যথা সময়তে চান্দসায়ে সেই দৃশ্য দেখি খুটাটো মাটিত উঠাই দিবলৈ আগবাঢ়ি আহিল। শংকৰগুৰুৱে খুটাটো উঠাই দিবলৈ চান্দসাইক আদেশ দিয়াত চান্দসায়ে ''লা-ইলাহা-ইল্লাল্লাহ'' (এক আল্লাৰ বাহিৰে আন কোনো প্ৰভু নাই) বাণী উচ্চাৰণ কৰি খুটাটো মাটিত স্থাপন কৰি দিবলৈ দিলে। ইয়াত শংকৰদেৱে তেওঁৰ দ্বাৰা প্ৰচলিত ''এক দেৱ, এক সেৱ, এক বিনে নাই কেৱ'' এই একশৰণীয়া ভাগৱতী বাণীৰ লগত সাদৃশ্য উপলব্ধি কৰিব পাৰিছিল। শংকৰগুৰুৱে পিছত চান্দসাইৰ এই বাণীৰ মহত্ব বুজি পাই, খুটাটোৰ নাম 'লাই খুটা' দিলে।

শেষত মই এইটোৱেই ক'ব খোজো যে অসমৰ হিন্দু মুছলমান উভয় সম্প্ৰীতিৰ সেতু বন্ধন হিচাপে মহাপুৰুষ শ্ৰীশ্ৰীশংকৰদেৱৰ আৰু চান্দসাইৰ নাম আমি সদায় সহ-সন্মানেৰে ল'বই লাগিব। ■



Life is a flower of which love is the honey.
– Victor Hugo

# Impact of Semiconductor Nanoparticles on Science and Technology



**Dibyajyoti Kakoti**
Laser and Spectroscopy Laboratory
Department of physics, Dibrugarh University

In recent years nanotechnology has become one of the most important and exciting forefront fields in Physics, Chemistry, Engineering and Biology. It shows great promise for providing us in the near future with many breakthroughs that will change the direction of technological advances in a wide range of applications. Nanomaterials are cornerstones of nanoscience and nanotechnology. But what are nanomaterials? A nanometer is a billionth of a meter (1 nanometer = 10-9 meter). Materials having dimensions of nanoscale level can be considered as nanomaterials. These materials have unique physical and chemicals properties compared to the macroscopic counterparts and these properties are highly promising for a variety of technological applications.

One of the most fascinating and useful aspects of nanomaterials is their optical properties. The optical properties of nanomaterials depend on parameters such as feature size, shape, surface characteristics and other variables including doping and interaction with the surrounding environment or other nanostructures. Applications based on optical properties of nanomaterials include optical detector, laser, sensor, imaging, phosphor, display, solar cell, photocatalysis, photoelectrochemistry and biomedicine etc.

Amongst the various types of nanomaterials, "semiconductor nanoparticle" is one of the most interesting and widely investigated nanomaterial. We know that, a semiconductor (silicon, germanium etc.) is a material which has electrical conductivity (electric current flowing capability through the material) between metal (aluminium, copper etc.) and insulator (wood, plastic etc.). There are two types of semiconductors, 'Intrinsic' and 'Extrinsic'. Intrinsic semiconductors are pure semiconductors. That means no impurity atom or species is present inside the semiconductor to change its conductivity. But in the case of extrinsic semiconductor some impurity atoms are doped in the semiconductor to increase its conductivity. Two different extrinsic semiconductors are 'n-type' and 'p-type' semiconductors. In n-type, negative charges (electrons) are generally responsible for the current conduction. Similarly in

p-type, positive charges (holes) are the majority carriers. To conduct electric current, the electrons must have energy within a range known as 'conduction band'. Theoretically at absolute zero temperature (0 Kelvin or -273oC), all the conduction electrons are bound to the atoms as valence electrons. The energy range of the valence electrons is called 'valence band'. The energy range between conduction band and valence band is named as 'band gap'. Practically, no electron can have energy within this range. To move an electron from valence band to conduction band energy must be supplied externally in the form of heat, light or voltage etc. When an electron jumps from the valence band to the conduction band, a hole (empty space of an electron in covalent bond which behaves like a positive charge) is appeared in the valence band. Sometimes the electron jumps from the conduction band to the valence band and combine with the hole. Then an amount of energy equal to the band gap is released. The process is called recombination.




Figure 1: Band diagram of a macroscopic semiconductor

In semiconductors of macroscopic sizes, the width of the band gap is a fixed parameter, which is determined by the material's identity. However the situation changes in the case of nanoscale semiconductor particles with sizes between 1 and 10 nanometer. As the particle size decreases, the band gap increases. The phenomenon of increasing of the band gap is called as "blue shift". For a semiconductor nanoparticle (also known as "quantum dots") of radius R, the size dependent contribution to the energy gap is simply proportional to 1/R2. The effect of particle size on the band gap is known as "quantum size effect". The nanoparticles have large percentage of atoms at the surface in comparison to macroscopic semiconductors.




Figure 2: The change of the band gap with particle size

In recent years, there has been increased interest in the scientific and technological aspects of nanometer-sized semiconductors because of their unique physical and chemical properties. They have wide range of applications. The semiconductor nanoparticles are very good absorbers and emitters of light. By controlling their sizes, the absorption and emission wavelength (colour of light) can be tuned because both absorption and emission depend upon the band gap. Due to their size dependent optical properties they are considered as tuneable light absorbers, emitters in optoelectronic devices and fluorescent probes for biological systems. They also have the ability of transferring the absorbed light energy to the other atoms or ions. So they can be used as sensitizer or energy donor in a LASER medium to provide their absorbed energy to the LASER emitting atoms by the recombination of electron-hole pair. Semiconductor nanoparticles are very useful for optical communications and optical signal processing. Some of them (e.g. zinc sulphide) have been used as a key material for ultra violet light emitting diodes (LED), injection laser, flat-panel displays, electroluminescent devices and infrared windows. Various researches around the world are going on the applications of different types of semiconductor nanoparticles. Their outstanding properties make them interesting for technological advantages and scientific research.■

# Ignored Emotions

**Chande De**
Ex-student

Our cuts and wounds aren't healing
Unknown they are about our feelings
Shrunken our eyes, tired of crying
Every day we are trying
And every day we are dying

If you can then raise your voice
Cause we have to suffer
As we don't have any choice
Don't take this as shout
Its not a noise
Think by heart, raise your voice

PROVIDE US THE AIR,
WE NEED TO BREATHE
PROVIDE US YOUR HELP
WE ARE IN NEED ■





# অ' আই অসমী

তৰুণ শইকীয়া
ডিগবৈ মহাবিদ্যালয় চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী তথা প্ৰাক্তন ছাত্ৰ

নাকান্দিবি আই মোৰ
চেনেহী অসমী
আছে মূলা লাচিতৰ
বংশ পৰিয়াল।
আই অ' .....
ভাবিছ নেকি তই
অন্তিম হ'ল
বীৰ বীৰাঙ্গনা
তোৰ বুকুত .....???
যেতিয়া আহিব সেই দিন
নিশ্চয় আহিব ওলাই
হাতত হেংদাং লৈ
লাচিতৰ বেশেৰে
আই অ' অসমী
তই নাকান্দিবি।
এতিয়াও জীয়াই আছে
মূলা গাভৰু
তোৰ বুকুত
কোনোবা অজান কোণত
ৰণুৱা ঘোঁৰাৰ
পিঠিত উঠি
হাতত খোলা
তৰোৱাল লৈ
তোৰ কাৰণেই দিব
প্ৰাণ আহুতি।
কদাপিও নিদিয়ে এৰি তোক
শত্ৰুৰ হাতত।
তই - তই নাকান্দিবি
আই অ' অসমী।■



# কবিতা

মণিকা শেনচোৱা
প্ৰাক্তন ছাত্ৰী

আৰম্ভণিৰ আগত
আৰু শেষ হোৱাৰ পিছত
বৰ্ণময় সম্ভাৱনাৰ যি ক্ষণ
সেই ক্ষণতেই জিলিকে
মোৰ সুদীৰ্ঘ ৰাতিৰ অহংকাৰ
নিজান বালি চাপৰিৰ
পানী যুৱলিত
সীহৰ দৰে জোন গলিছে

ভাৰ আছে বাবে ভাৱনা বাঢ়িছে
নকৈ ফুলিছে
ৰ'দৰ তাপত লেৰেলিছে
চাৰিপাহ সূৰ্যমূখী ফুল
বতাহৰ প্ৰাচীন গুম গুমনি এটাই
মেৰিয়াই আছেহি মোক
য'ৰ পৰা মই আহিলো
য'লৈ মই যামগৈ
সেই কথাকে দোহাৰি
সকলোৱে সমস্বৰে গাইছে গীত

এই সকলোবোৰ দেখা-শুনাৰ পাছতো
মুকলি হ'ব পৰা নাই মই
মুকলি হ'ব পৰা নাই নিজৰ পৰা.....। ■

# মহাবিদ্যালয়ৰ এজন কৃতী ছাত্ৰৰ সৈতে পত্ৰালাপ



**ডিগবৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা বৰ্তমান ডিব্ৰুগড় জিলাৰ অতিৰিক্ত উপায়ুক্ত হিচাপে কৰ্মৰত শ্ৰীযুত লক্ষীনন্দ গগৈদেৱৰ পৰা আমি তেখেতে পঢ়ি যোৱা অৰ্ধশতিকা গৰকা মহাবিদ্যালয়খনৰ বিষয়ে তেখেতৰ মতামত সম্পৰ্কে জানিবলৈ চেষ্টা কৰিছিলোঁ। সেই উদ্দেশ্যে তেখেতলৈ আমি কেইটিমান প্ৰশ্ন প্ৰেৰণ কৰি পঠাইছিলোঁ আৰু তেখেতে তাৰ সক্ৰিয় প্ৰত্যুত্তৰ প্ৰেৰণ কৰি আমাক সক্ৰিয় সঁহাৰি জনায় এক ইতিবাচক দৃষ্টিভঙ্গী আগবঢ়াই উত্তৰ প্ৰেৰণ কৰিছে। তেখেতৰ অভিমত উল্লেখ কৰা হ'ল –**

১) নমস্কাৰ – আপুনি ডিগবৈ মহাবিদ্যালয়ত এসময়ত অধ্যয়ন কৰিছিল বুলি জানিব পাৰিছোঁ, কোন সময়ছোৱাত অধ্যয়ন কৰিছিল জনাবনে?

উত্তৰ – নমস্কাৰ, মই ১৯৭৬ আৰু ১৯৭৭ চন এই দুবছৰ মহাবিদ্যালয়ত প্ৰাক বিশ্ববিদ্যালয়ত অধ্যয়ন কৰিছিলোঁ।

২) আপুনি ঐতিহ্যমণ্ডিত ডিগবৈ মহাবিদ্যালয়ৰ গৌৰৱ ধ্বজা বহন কৰা এগৰাকী কৃতী ছাত্ৰ। সেই সময়ৰ মহাবিদ্যালয়খনৰ যি গৰিমা তাক অবিৰত ৰখাত মহাবিদ্যালয়ৰ স্থিতি কেনে দেখা পাইছে? মহাবিদ্যালয়খনে প্ৰকৃত মানৱ সম্পদ গঢ়িব পাৰিছেনে? নে এই ক্ষেত্ৰত কোনো ত্ৰুটি ৰৈ গৈছে?

উত্তৰ – উত্থান-পতনৰ মাজেদিয়েই মানৱ জীৱনৰ গতি আগবাঢ়ে। এক নিৰ্দিষ্ট বিন্দুত কোনোৱেই ৰৈ নাথাকে। সাম্প্ৰতিক কালৰ প্ৰতিযোগিতামূলক পৰিৱেশত এখন মহাবিদ্যালয়ে নিজৰ ঐতিহ্য, গৰিমা অবিৰতভাৱে অক্ষুণ্ণ ৰখাটো যথেষ্ট প্ৰত্যাহ্বানমূলক বুলিব পাৰি। তেনে প্ৰেক্ষাপটত বহু ঐতিহ্য বহনকাৰী ডিগবৈ মহাবিদ্যালয়ৰ বৰ্তমানৰ স্থিতি যথেষ্ট সন্তোষমূলক। মহাবিদ্যালয়খনৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হৈ ইতিমধ্যে বহুজনে বিভিন্ন স্তৰত প্ৰতিষ্ঠা লাভ কৰি সমাজ জীৱনলৈ বৰঙনি আগবঢ়াবলৈ সক্ষম হোৱাটোৱে নিশ্চয় মহাবিদ্যালখনে প্ৰকৃত মানৱ সম্পদ গঢ় দিবলৈ সক্ষম হোৱা কথাটোক প্ৰতীয়মান কৰিছে। এই ক্ষেত্ৰত ৰৈ যোৱা ত্ৰুটি সম্পৰ্কত একে আষাৰে মন্তব্য দিব নোৱাৰি।

৩) এখন শিক্ষানুষ্ঠানে এখন সমাজক প্ৰতিনিধিত্ব কৰে। এই ক্ষেত্ৰত মহাবিদ্যালয়খনৰ স্থিতি কেনে দেখা পাইছে?

উত্তৰ – এখন শিক্ষানুষ্ঠানে এটি পৰিয়ালৰ দৰে। আজিৰ শিক্ষাৰ্থী ভৱিষ্যত সমাজৰ ধৰণীস্বৰূপ। তেওঁলোকেই এদিন সমাজখনক গঢ় দিব লাগিব – সমাজখনক গতি দিব লাগিব। এই ক্ষেত্ৰত ডিগবৈ মহাবিদ্যালয়ে এক ইতিবাচক দৃষ্টিভঙ্গীৰে আগবাঢ়ি যোৱা পৰিলক্ষিত হৈছে।

৪) আপুনি পঢ়ি যোৱা এই মহাবিদ্যালয়খনে ফাট মেলিব ধৰা বৃহত্তৰ অসমীয়া জাতিটোক পুনৰ একত্ৰিত কৰিব পৰাৰ অৱকাশ আছেনে? ইয়াৰ বাবে আমাৰ চিন্তা ধাৰা কেনে হোৱা উচিত বুলি আপুনি ভাৱে?

উত্তৰ – নিশ্চয় আছে। তৈল নগৰী ডিগবৈ চহৰখনক ক্ষুদ্ৰ ভাৰতবৰ্ষৰ সংস্কৰণ বুলি কোৱা হয়। ভিন্ন জাতি, ধৰ্মীয় লোকে বসবাস কৰা চহৰখনৰ পাৰ্শ্ববৰ্ত্তী অঞ্চলবোৰতো খিলঞ্জীয়া বহু জাতি জনগোষ্ঠীৰ লোকে বসবাস কৰে। এনে অঞ্চলৰ শিক্ষাৰ্থীসকলে ঐক্য, সমন্বয় আৰু ভ্ৰাতৃত্ববোধৰ মাধ্যমেৰে নিশ্চয় বৃহত্তৰ অসমীয়া জাতিটোৰ ভাঙোনমুখী গতিটোক প্ৰতিৰোধ কৰি পুনৰ

একত্ৰিত কৰাৰ ক্ষেত্ৰত বলিষ্ঠ ভূমিকা ল'ব পাৰে। ইয়াৰ বাবে নিশ্চয় সু–সংহত চিন্তাধাৰাৰ লগতে প্ৰত্যেকেই এক বহল মনৰ অধিকাৰী হ'বলৈ চেষ্টা কৰিব লাগিব।

৫) এখন মহাবিদ্যালয় এখন বৃহৎ সমাজৰ দৰে। এই সমাজখন সৰ্বাংগ সুন্দৰ হ'বলৈ হ'লে কেনে ধৰণৰ হ'ব লাগিব বুলি আপুনি ভাৱে?

উত্তৰ – ব্যক্তি, পৰিয়ালৰ সমষ্টিয়েই সমাজ। বাহ্যিকতাই প্ৰকৃত সুন্দৰতাক প্ৰতিনিধিত্ব নকৰে। সুন্দৰ পোছাকযোৰে এজন ব্যক্তিক বাহ্যিকভাৱে সুন্দৰ কৰি তুলিব পাৰে। কিন্তু ব্যক্তিজনৰ অন্তৰ্নিহিত মনটো কলুষিত হ'লে তেওঁৰ সুন্দৰতাই পূৰ্ণতা লাভ কৰিব নোৱাৰে। তেনেকৈ পৰীক্ষাৰ সুন্দৰ ফলাফল অথবা চকুত লগাকৈ জাকজমকীয়াকৈ সজাই তোলা চৌহদটিয়ে মহাবিদ্যালয়ৰ সৰ্বাংগ সুন্দৰতাক প্ৰকাশ নকৰে যদিও অধ্যয়নৰত শিক্ষাৰ্থীসকলক এক সুস্থ সবল মনৰ অধিকাৰী হ'ব পৰাকৈ এক সুন্দৰ, বৌদ্ধিক, শৈক্ষিক বাতাৱৰণ সৃষ্টি কৰি দিব পৰা নাযায়।

৬) আপোনাৰ সময়ৰ পৰা বৰ্তমানলৈকে মহাবিদ্যালয়খনে কিমান দূৰ আগুৱাব পাৰিলে আৰু অহা অৰ্ধ শতিকালৈ এটা সুন্দৰ ভৱিষ্যতৰ দিশে আগুৱাবলৈ মহাবিদ্যালয়খনৰ প্ৰতি আপোনাৰ মূল্যৱান বাৰ্তা কামনা কৰিলোঁ।

উত্তৰ – প্ৰাপ্তিৰ তুলনাত প্ৰত্যাশা সদায় বেছি হয়। পোৱা নোপোৱাৰ হিচাপ–নিকাচ কৰাটো অত্যন্ত কঠিন যদিহে সময়ৰ ব্যৱধান যথেষ্ট বেছি হয়। তথাপি মোৰ দৃষ্টিত মহাবিদ্যালয়খনিয়ে বহু ঘাত–প্ৰতিঘাত অতিক্ৰমি উত্তৰণৰ সঠিক পথত ধাৱমান হৈছে। এই গতিপথ মসৃণ কৰি ৰখাত প্ৰত্যেকেই নিজৰ দায়বদ্ধতা, সামাজিক দায়বদ্ধতা গভীৰভাৱে উপলব্ধি কৰক। এক সুস্থ আৰু বহল মনৰ অধিকাৰী হ'বলৈ শিক্ষাৰ্থীসকল আগবাঢ়ি আহক–এদিন নিশ্চয় ডিগবৈ মহাবিদ্যালয় শৈক্ষিক জগতৰ এক উজ্জ্বল নক্ষত্ৰ হৈ পৰিব। শুভকামনা থাকিল।

**সঞ্জয় দাস**
তত্ত্বৱধায়ক

**ৰক্তিম বৰগোহাঞি**
আলোচনী সম্পাদক



The purpose of our lives is to be happy.
– Dalai Lama



# Present Education *System and Morality*

**Miranda Rajkumari**
B.A.4th Semester

**What is education?**

Education is a form of learning in which the knowledge, skills, values, beliefs and habits of an individual or a group of individuals are transferred from one generation to the next generation through various medium such as story telling, discussion, teaching, training and research etc. Education may also include informal transmissions of such information from one human being to another. Education frequently takes place under the guidance of others, but sometimes learners may also educate themselves.

Education is commonly and formally divided into stages such as pre-school, primary school, secondary school and then college, university or apprenticeship.

A 'Right to Education' has been recognised by some governments. At Global Level, 'Article 13 of the UN' 1966 International convenant on Economics, Social and Cultural Rights recognises the right of everyone to an education. Although education is compulsory in most places up to a certain age, attendance at school often isn't, and a minority of parents chooses home-schooling, sometimes with the assistance of modern electronics educational technology also called e-learning. Education can take place in formal or informal setting.

**What is Morality?**

Morality is derived from the Latin word 'moralitas' which means 'manners, character, and proper behaviour'. Morality is the differentiation of intentions, decisions and action between those that are 'good' or those that are 'bad' or 'wrong'. Morality can be a body of standards or principles derived from a code of conduct from a particular philosophy, religion, culture etc. So, in simple worlds, morality is the human attempt to define what is right and wrong about our actions and thoughts, and what is good and bad about our being that we are. We all know that there is a greater importance of morality in education because now-a- days schools are facing different types of behavioural problems among the students. Sometimes we can say that, it is the influence of modern time or it may be an effect of improper care by parents or it may be an effect of change in the society and changing family environment.

**What is the need of morality in education?**

However, it is a big problem of many schools, the students

are morally not perfect and they behave irresponsibly. It has become a big problem for schools to deal with such students. The lack in moral values and the unhealthy attitudes of students is a main reason of many problems in several schools. It is a very good reason about teaching moral education. They have been realising the importance of morality in education in schools. Now many schools need to improve students' moral education.

**Aims of morality in education:**

In the modern age, the aim of education is all round development personality. In the present educational system provisions has been made for only intellectual education. For a successful life, such important human qualities as sympathy, co-operation, mercy, compassion, love, truth, sincerity etc. have been ignored. The development of such human qualities along with intellectual development should be the aim of moral education.

**Character formation:**

Character is very important in life. Nothing is lost when wealth is lost, something is lost when health is lost but everything is lost when character is lost. Thus, character development is the important aspect of personality.

Character is related to morality. The definition of a man of character is very wide. A man of character, feelings which are human and are directed towards the good and happiness of others such a personality can be developed by moral education. For the formation of character of future citizens moral education should be given from their very childhood. The method of imparting moral education has to be different from that of intellectual education. It cannot be given only through lectures.

So far as moral education is concerned, it is necessary that the teachers are men of good character in order that the students may imbibe their good qualities.

**Moral education and Religion:**

The idea of character formation is dept in the background of all religions. Religion is especially important in moral education from this point of view. All the religions teach the importance of adopting truth, non-violence, compassion, pity and benevolence. But today religion has taken the form of groupism and communalism which is harmful for character development. In the present circumstances moral education can only be related to human religion.

So, in the absence of suitable conditions, the teachers should adopt a religion which is based on the principles of humanity and this alone should be made the basis and medium of moral education.

**Moral education and good behaviour :**

Good behaviour is a significant part and powerful medium and moral education. The practical aspect of the teaching of good manners is very gradual. It begins with the first stage of the development of life. Being imitative by nature, children can learn good manners from their family. The parents can make their children cultured by paying attention to their behaviours and by correcting them when required. Good manners may form a background of moral education and for this the teachers should be well-mannered in order that they may be ideal and worth-imitating for children.

**Advantages of moral education:**

Man is a social animal and he has to live and react within the society. He has to learn different social habits like helping the people, gentleness, respect the elders and teachers and so many. These good habits make him a good social creature and he is known as a good person for others. When a student attain these qualities within the school time his homework and preparation become good.

Many schools have been

searching the reasons of depreciation in moral values and they have been working for developing good moral values among the students. However, moral values are integrated part of the education and it is great emphasized in almost all countries. Generally moral education is not a specific subject for schools but it is taught under different subjects like languages, literature, supplementary reading books etc. Moral education is taught as a separate subject like moral science in a few schools. Schools have been doing several efforts to manipulate the moral values among the students. The syllabus is designed such type to combine many moral values by stories, poems and by many lessons. Sometime text books include many inspirational lessons about the great persons so that students may learn by their life.

It is true that present day text books and syllabus fulfill the needs of moral values, but, when a teacher wants to teach moral values he needs some other things also. Sometimes, he uses moral sayings, moral stories and different types of cultural activities to enhance the level of moral education. Cultural activities are very useful to manipulate and to teach the moral education lessons.

Thus, in this way we can say that morality or the good moral values are inseparable part of education of an individual's life. It is indeed a part and parcel of our life. So, the present education system must look if these moral values are being indulged into the learners or not. Though in this modern materialized world, the morality among individuals is hard to find yet many institutions are trying to hard to revive and insert the moral values in the people's mind right from the childhood.■

*First prize winner in Article Writing competition at Annual College Week 2014-15*

Victory goes to the player who makes the next to last mistake.

– Chessmaster Savielly Grigorievitch



# বৰ্তমান শিক্ষা ব্যৱস্থা আৰু মূল্যবোধ

দিপশিখা বৰুৱা
স্নাতক দ্বিতীয় ষাণ্মাসিক (বাণিজ্য শাখা)

বৰ্তমান শিক্ষা ব্যৱস্থা হ'ল পৰিৱৰ্তিত শিক্ষা ব্যৱস্থা। যাক আধুনিক শিক্ষা ব্যৱস্থা বুলিও কোৱা হয়। শিক্ষাই মানুহক সহায় কৰে জীৱনক এক নতুন আদৰ্শ আৰু সত্ত্বাৰে গঢ়ি তুলিবলৈ। কিন্তু, এই শিক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীৰ মানসিক উৎকৰ্ষ সাধন কৰাৰ লগতে নৈতিক দিশৰ প্ৰতিটোত চকু দিব লাগিব। বিদ্যা মানৱ জাতিৰ দীপ্তি, তাৰ ৰশ্মিৰ পোহৰত মানুহে ধন, মান আৰু যশস্যা লাভ কৰে। কিন্তু, শিক্ষা ব্যৱস্থা বিশুদ্ধ আৰু নিকা হ'ব লাগিব।

শিক্ষাই মানৱ জীৱনৰ গতি পথ সলনি কৰে। এই শিক্ষাই নিৰূপণ কৰে আমাৰ ভৱিষ্যৎ জীৱনৰ। বৰ্তমান শিক্ষা ব্যৱস্থাক আধুনিকীকৰণ আৰু আনুষ্ঠানিক কৰণ কৰা হৈছে। এই আধুনিকীকৰণে শিক্ষা ব্যৱস্থাত এনেদৰে প্ৰভাৱ পেলাইছে যে শিক্ষাৰ ৰূপেই সলনি হৈ গৈছে।

লিও' টলষ্টয়ৰ ভাষ্যানুসৰি - ''মানুহৰ জীৱনত আনুষ্ঠানিক শিক্ষা হৈছে এক বিৰাট ডাঙৰ ট্ৰেজেদী। জীৱনৰ বহুতো সময় ই অবাবতে নষ্ট কৰে।''

আনুষ্ঠানিক শিক্ষাৰ নামত আমি সকলোৱে জীৱনৰ বহুখিনি সময় কটাই দিওঁ।আজি শিক্ষা ব্যৱস্থাৰ নামত আমি কেৱল কিতাপৰ শিক্ষাহে গ্ৰহণ কৰিছোঁ। এই কিতাপৰ ওপৰতেই ভিত্তি কৰি পৰীক্ষাত অৱতীৰ্ণ হওঁ আৰু ব্যৱহাৰিক দিশৰ প্ৰতি গুৰুত্ব নিদিওঁ। এইখিনিতে ক'ব লাগিব যে ৰাজা ৰামমোহন ৰায়ে কৈছিল - ''যি শিক্ষাই ব্যৱহাৰিক দিশটোৰ পোষকতা নকৰে, সেই শিক্ষা অসম্পূৰ্ণ আৰু তেনে শিক্ষাই বাস্তৱ জীৱনৰ আদৰ্শ গঢ়ি তুলিব নোৱাৰে''। আনুষ্ঠানিক শিক্ষাৰ নামত গঢ় লৈ উঠিছে বিভিন্ন প্ৰকাৰৰ স্কুল-কলেজৰ। ইয়াৰ ভিত্তিতেই গঢ় লৈ উঠিছে ব্যৱসায়ীৰ।

ইয়াৰ সুবিধা লৈছে একাংশ দুষ্টচক্ৰই। এওঁলোকে স্কুল-কলেজৰ স্থাপনৰ নামত এক ৰমৰমীয়া ব্যৱসায় গঢ়ি তুলিছে। এই শিক্ষাৰ বিনিময়ত ছাত্ৰ-ছাত্ৰীয়ে টকা কিদৰে ঘটিব লাগে সেয়া শিকিছে, কিন্তু শিকা নাই প্ৰমূল্যবোধ শিক্ষাৰ। সেয়ে ক'ব পাৰি এই শিক্ষাই মানুহৰ প্ৰমূল্য বোধক উন্নত কৰাৰ সলনি ধ্বংসহে কৰিছে।

বৰ্তমান শিক্ষা ব্যৱস্থাৰ ইমান সম্প্ৰসাৰণ হৈছে যে ই এক প্ৰতিযোগিতালৈহে ৰূপান্তৰ হৈছে। এই প্ৰতিযোগিতাৰ বাবেই সলনি হৈছে আজিৰ সমাজৰ মানসিকতা আৰু চিন্তা ধাৰা। যাৰ কোনো গত্যন্তৰ নাই। ৯০ দশকতকৈ বৰ্তমান শিক্ষাৰ ক্ষেত্ৰত নতুন দিগন্তৰ সূচনা হৈছে। আগতকৈ বৰ্তমান শিক্ষা ব্যৱস্থাৰ উন্নীতকৰণ হোৱাৰ হেতুকে উত্তীৰ্ণৰ হাৰ বৃদ্ধি হৈছে। আগৰ তুলনাত বৰ্তমান শিক্ষা খণ্ডৰ উত্তীৰ্ণৰ হাৰ ৯৫%-১০০%। ইয়াৰ পৰাই অনুমান কৰিব পাৰি শিক্ষাখণ্ডৰ পৰিৱৰ্তনৰ। এই পৰিৱৰ্তন শিক্ষাৰ প্ৰতি থকা অনুৰাগৰ বাবে হোৱা নাই, পৰিৱৰ্তন হৈছে প্ৰতিযোগিতাত অৱতীৰ্ণ হোৱা হেতুকে। বৰ্তমান আমাৰ মানসিকতাই এনে এক ৰূপ লৈছে যে, এই প্ৰতিযোগিতাত উত্তীৰ্ণ হ'বলৈ নকৰিবলগীয়া কামো কৰোঁ। কিছুমান মানুহে প্ৰতিযোগিতাত পুৰস্কাৰ কিনাৰ দৰে পৰীক্ষাতো নম্বৰ কিম্বা শতাংশ কিনিবলৈ যায়। যেনিবা শিক্ষা জ্ঞানৰ দীপ্তি নহয়, পণ্য দ্ৰব্যহে। এইবোৰৰ বাবেই ধ্বংস হৈছে জীৱশ্ৰেষ্ঠৰ সত্ত্বা আৰু মৌলিকত্ব।

বৰ্তমান শিক্ষা ব্যৱস্থাই মানৱীয় প্ৰমূল্য বোধক এনেদৰে ধ্বংস কৰি পেলাইছে যে মানুহে ভাল আৰু বেয়া বিচাৰ কৰাৰ ক্ষমতা হেৰুৱাই পেলাইছে। হেৰুৱাই পেলাইছে চিন্তা ধাৰাৰ ক্ষমতা। তেওঁলোকৰ মনত সাহস উদ্দীপনাৰ সলনি সঞ্চাৰ হৈছে ভয়। যি ভয়েই নিঃশেষ

কৰিছে মানৱ জাতিক আৰু সিহঁতৰ অমূল্য ভাৱ মূল্যবোধক।

বৰ্তমান শিক্ষা ব্যৱস্থাই মানুহক কিতাপৰ ভাষা শিকাইছে। কিন্তু শিকোৱা নাই জীৱনত কিদৰে সংঘৰ্ষৰ মুখামুখি হ'ব লাগে, কিদৰে জীৱনটো সৎ সাহস আৰু সততাৰে যাপন কৰিব পাৰি। ইয়াৰ বাবে কেৱল শিক্ষা গ্ৰহণ কৰোঁতাসকলে দায়ী নহয়, ইয়াৰ সমানেই দায়ী শিক্ষা দিওঁতাসকল। তেওঁলোকে ভাৱে শিক্ষা দিয়াতেই তেওঁলোকৰ দায়িত্ব শেষ। কিন্তু তেনে ভবাটো উচিত নহয়। কিয়নো, শিক্ষাগুৰুৱে ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ পথ প্ৰদৰ্শক। তেওঁলোকৰ অবিহনে শিক্ষাক আধৰুৱা বুলিও ক'ব পাৰি। এই প্ৰতিযোগিতাৰ যুগত শিক্ষকসকলেও কেতিয়াবা বিৰূপ মন্তব্য কৰা পৰিলক্ষিত হয়। কিছু সংখ্যক শিক্ষকৰ মতে অধিক নম্বৰ বা শতাংশেৰে উত্তীৰ্ণ হোৱা সকলেহে জীৱনত সফলতাৰ মুখ দেখে। যি এই সফলতাৰ চাবি কাঠি মুকলি কৰিব নোৱাৰে যি জীৱনত একো কৰিব নোৱাৰে।

মূল্যবোধৰ অভাৱতেই বহু শিক্ষাৰ্থীয়ে নিজৰ জীৱন নিজে ধ্বংস কৰি পেলায়। কেতিয়াবা এনেকুৱাও হয় যে উত্তীৰ্ণ হ'ব নোৱাৰিলে আত্মহত্যাৰ দৰে ঘৃণনীয় পথ বাছি লয়। মূল্যবোধ শিক্ষা নথকাৰ বাবে মানৱ জীৱনত বহুতো খেলিমেলিৰ সৃষ্টি হয়। যেনে -

১) মূল্যবোধ শিক্ষা অবিহনে গ্ৰহণ কৰা শিক্ষা ব্যৱস্থাই সৎ-অসৎৰ পাৰ্থক্য দাঙি ধৰিব নোৱাৰে।

২) মূল্যবোধ নথকা হেতুকে ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক বিকাশ সম্পৰ্ণ হোৱা নাই।

৩) মূল্যবোধৰ অভাৱতেই বহু ছাত্ৰ-ছাত্ৰীয়ে নিজৰ পছন্দৰ কৰ্মানুষ্ঠানত সুবিধা নাপায়।

সেয়ে, আমি ভাবিবৰ হ'ল মূল্যবোধ শিক্ষা আমাৰ কাৰণে কিমান গুৰুত্বপূৰ্ণ। মূল্যবোধ শিক্ষা অবিহনে যে আমাৰ জীৱনে সঠিক পথত মাৰ্গদৰ্শন কৰিব নোৱাৰে, সেয়া খাটাং।

মূল্যবোধ হৈছে মানুহৰ জীৱনৰ কিছুমান নিৰ্দেশিকা নীতি, যিবোৰ মানুহৰ দৈহিক, মানসিক উন্নতি তথা সমাজৰ কল্যাণৰ বাবে হিতকৰ।

